# পাতিদৰং মহাবিদ্যালয়

## চতুৰ্বিংশতিতম সংখ্যা

## পঞ্চবিংশতিতম বৰ্ষ

# আলোচনী



দুলাল চন্দ্ৰ শৰ্মা
তত্ত্বাৰধায়ক

চমছেৰুদ্দিন আহমেদ
সম্পাদক



কৰ্মৰত অৱস্থা
পাতিদৰং মহাবিদ্যালয় অধ্যক্ষ শ্ৰী শ্ৰীয়ম বৰকাকতি



সম্পাদনা সমিতি

# পাতিদৰং মহাবিদ্যালয় আলোচনী

## পঞ্চবিংশতিতম বৰ্ষ ঃ চতুৰ্বিংশতিতম সংখ্যা

ইং ২০১৩-১৪ বৰ্ষ

*প্ৰতি,*

*মাননীয় / মাননীয়া* ..........................................................................................

.......................................................................................................... *লৈ*

*আন্তৰিক শুভেচ্ছাৰে।*

*সম্পাদক*


**দুলাল চন্দ্ৰ শৰ্মা**
*তত্ত্বাৱধায়ক*

**মহঃ চমছেৰুদ্দিন আহমেদ**
*সম্পাদক*



পাতিদৰং মহাবিদ্যালয় আলোচনী
ইং ২০১৩-১৪ বৰ্ষ

# পাতিদৰং মহাবিদ্যালয় আলোচনী

## পঞ্চবিংশতিতম বৰ্ষ ঃ চতুৰ্বিংশতিতম সংখ্যা

### ইং ২০১৩-১৪ বৰ্ষ

**সম্পাদনা সমিতি**

*উপদেষ্টা*
শ্ৰীমতী শ্ৰীয়ম বৰকাকতি ভাৰপ্ৰাপ্ত অধ্যক্ষ

*তত্ত্বাৱধায়ক*
শ্ৰীদুলাল চন্দ্ৰ শৰ্মা

*সম্পাদক*
মহঃ চমছেৰুদ্দিন আহমেদ

*শিক্ষক সদস্য*
শ্ৰীতপন কুমাৰ শৰ্মা
শ্ৰীদৈৱ্যশক্তি ডেকা

*ছাত্ৰ সদস্য*
মহঃ মিনাৰুল হক
দীপজ্যোতি দাস
আলী হুছেইন
ছাইদুল ইছলাম
কৌশিক ডেকা



বেটুপাতৰ অংকন ঃ
শ্ৰীসমৰজ্যোতি ডেকা
বেটুপাতৰ পৰিকল্পনা ঃ
শ্ৰীদুলাল চন্দ্ৰ শৰ্মা
অঙ্গসজ্জা ঃ
সম্পাদনা সমিতি
আলেকচিত্ৰ ঃ
শ্ৰীদুলাল চন্দ্ৰ শৰ্মা
প্ৰকাশক ঃ
সম্পাদনা সমিতি
ক্ষমা প্ৰাৰ্থনা ঃ
অজানিতে কোনো লেখনি পুনৰ প্ৰকাশ হ'লে সম্পাদনা সমিতি দায়ী নহয়।

কৃতজ্ঞতা ঃ
আলোচনীৰ সমূহ লেখক-লেখিকা, শিক্ষক, কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰী আৰু ছপাশালৰ কৰ্মীবৃন্দ

মুদ্ৰণ ঃ মা মনসা প্ৰিন্টাৰ্চ
জু-ৰোড তিনিআলি
গুৱাহাটী-৩

# শ্ৰদ্ধাঞ্জলি



স্বনামধন্য বিশ্ববৰেণ্য শিল্পী সুধাকণ্ঠ অসমৰত্ন, পদ্মশ্ৰী ড° ভূপেন হাজৰিকাদেৱ, পঞ্চাৱতী মহিয়সী নাৰী জ্ঞানপীঠ বঁটা বিজয়ী ড° মামণি ৰয়ছম গোস্বামী, সুগন্ধি পখিলাৰ কবি শব্দ পুৰুষ হীৰেণ ভট্টাচাৰ্য, বিশিষ্ট বৈষ্ণৱ পণ্ডিত শংকৰদেৱ বঁটাপ্ৰাপক সোণাৰাম চুতীয়া, কবি বিৰিঞ্চি ভট্টাচাৰ্য্য, াম নাই নাম আছেৰ সম্পাদক মেজৰ সত্যব্ৰত লহকৰ গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য্য পাতিদৰং মহাবিদ্যালয় পৰিচালন সমিতিৰ অন্যতম সদস্য মোহন চন্দ্ৰ ডেকাদেৱ, জাতীয়তাবাদৰ অন্যতম প্ৰৱক্তা ড° দেৱপ্ৰসাদ বৰুৱা সু-সাহিত্যিক ত্ৰৈলোক্য ভট্টাচাৰ্য্য, সাংবাদিক ৰমেন্দ্ৰ নাৰায়ণ দত্ত বৰুৱা, চাৰুকলা আৰু ভাস্কৰ্য্য শিল্পৰ শিৰোমণি শোভা ব্ৰহ্মা, দৰদী গায়ক গীতিকাৰ চাৰু গোহাঁই, লোকগীত গায়ক ৰামেশ্বৰ পাঠক, জনপ্ৰিয় গায়িকা মিতালী চৌধুৰী, প্ৰবাণ সুকণ্ঠী শিল্পী তুলিকা সেনাপতি, নাগাৰা নমৰ পাঠক মহেন্দ্ৰ দাস আৰু জ্ঞাত-অজ্ঞাত সমাজকৰ্মী, শিল্পী সাহিত্যিক, অসমৰ জাতিগত আৰু গোষ্ঠীগত সংঘৰ্ষত নিহত নিৰীহ ব্যক্তিসকলৰ লগতে যিসকলে নিৰৱচ্ছিন্নভাৱে লাগি সমাজৰ উন্নতিৰ লগতে অসমীয়া সাহিত্য সংস্কৃতিলৈ অনবদ্য বৰঙণিৰে ভড়াল চহকী কৰি থৈ গৈছে সেইসকলৰ পৱিত্ৰ সোঁৱৰণত শ্ৰদ্ধাঞ্জলি নিবেদিলোঁ।

সম্পাদনা সমিতি—

**পাতিদৰং মহাবিদ্যালয় আলোচনী**

Jadab Chandra Deka
MLA- Kamalpur

सत्यमेव जयते

Rajgarh Link Road, Bye Lane No.-5
House No.-12, Anil Nagar, Guwahati
Mob.No.- +91 94350 48020

Ref.: ..................

Date.: ..............

# শুভেচ্ছা বাণী



কামৰূপ জিলাৰ কমলপুৰ সমষ্টিৰ অন্তৰ্গত পাতিদৰং মৌজাত অৱস্থিত এখন অন্যতম শিক্ষানুষ্ঠান পাতিদৰং মহাবিদ্যালয়। এই মহাবিদ্যালয়ৰ ইং ২০১৩-২০১৪ বৰ্ষৰ ২৫ তম আলোচনীখন প্ৰকাশ পাব বুলি গম পাই নথৈ আনন্দিত হৈছো।

এই আলোচনীখনে ইয়াৰ ছাত্ৰ-ছাত্ৰীসকলৰ সৃষ্টিশীল প্ৰতিভাক লেখনিৰ জৰিয়তে গঠনমূলক চিন্তা-চৰ্চা আৰু বৌদ্ধিক বিকাশৰ ক্ষেত্ৰত অৰিহণা যোগাব, তথা পঢ়ুৱৈ সমাজৰ পৰা যথোচিত সমাদৰ লাভ কৰিব বুলি আশা কৰিলো।

শেষত আলোচনীখন সৰ্বাংগসুন্দৰ ৰূপত প্ৰকাশ পোৱাৰ কামনাৰে ইয়াৰ লগত জড়িত সমূহ বিষয়ববীয়া তথা শিক্ষক কৰ্মচাৰীবৃন্দ ও ছাত্ৰ-ছাত্ৰীসকললৈ মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলো আৰু এই মহাবিদ্যালয়ৰ সৰ্বতোপ্ৰকাৰৰ উন্নতি কামনা কৰিলো।

ধন্যবাদেৰে—

যাদব চন্দ্ৰ ডেকা
বিধায়ক, কমলপুৰ সমষ্টি

মাধৱ চন্দ্ৰ ডেকা
সভাপতি
মহাবিদ্যালয় পৰিচালনা সমিতি

পাতিদৰং মহাবিদ্যালয়
লোচ, নসত্ৰ
ডাকঘৰ ঃ লোচ
জিলা ঃ কামৰূপ (অসম)

# শুভেচ্ছা বাণী



পাতিদৰং মহাবিদ্যালয়ৰ পঞ্চবিংশতিতম মুখপত্ৰ পাতিদৰং মহাবিদ্যালয় আলোচনীখন প্ৰকাশ কৰিবলৈ যো-জা কৰা বুলি জানিব পাৰি সুখী হৈছো। ইয়াৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীসকলৰ সৃষ্টিশীল প্ৰতিভা বিকাশৰ লগতে আধ্যাত্মিক উৎকৰ্ষ সাধন হ'ব বুলি আশা কৰিলো।

পৰিশেষত ছাত্ৰ-ছাত্ৰীসকললৈ প্ৰীতি আৰু শুভেচ্ছা জনাই মহাবিদ্যালয়খনৰ সৰ্বাংগীন উন্নতি কামনা কৰিলো।

ধন্যবাদেৰে—

মাধৱ চন্দ্ৰ ডেকা

মাধৱ চন্দ্ৰ ডেকা
সভাপতি, পাতিদৰং মহাবিদ্যালয়

# অসম সাহিত্য সভা

কেন্দ্ৰীয় কাৰ্যালয় ঃ চন্দ্ৰকান্ত সন্দিকৈ ভৱন, যোৰহাট- ৭৮৫০০১ (০৩৭৬) ২৩২০৩৭৬
গুৱাহাটী কাৰ্যালয় ঃ ভাগৱতীপ্ৰসাদ বৰুৱা ভৱন, গুৱাহাটী- ৭৮১০০১ (০৩৬১) ২৫১৫৮৩০
ফেক্স ঃ ২৭৩১৬৯৫
ডিফু কাৰ্যালয় ঃ বাংহিমী ভৱন, গুৱাহাটী- ৭৮২৪৬০ (০৩৬৭১) ২৭২৫৯০
ধুবুৰী আঞ্চলিক কাৰ্যালয় ঃ ধুবুৰী- ৭৮৩৩০১ (০৩৬৬২) ২৩২৫২৮
ডিব্ৰুগড় আঞ্চলিক কাৰ্যালয় ঃ বাণেশ্বৰলাল চহৰীয়া সংহতি ভৱন,ডিব্ৰুগড়- ৭৮৬০০৩ (০৩৭৩) ২৩১৫১২৮
শিলচৰ আঞ্চলিক কাৰ্যালয় ঃ অসম সাহিত্য সভা ভৱন, শিলচৰ- ৭৮৮০০১ (০৩৮৪) ২২৬৩৭৯৭


## শুভেচ্ছা বাণী



পাতিদৰং মহাবিদ্যালয় ছাত্ৰ একতা সংস্থাৰ বছেৰেকীয়া আলোচনীৰ পঞ্চবিংশতিতম প্ৰকাশটি অলপতে ছপা হৈ ওলাব বুলি জানি আনন্দ পালোঁ।

এনে আলোচনী বৰ তাৎপৰ্যপূৰ্ণ। ছাত্ৰ-ছাত্ৰীৰ প্ৰতিভাৰ উন্মেষ ঘটাৰ লগতে শিক্ষক-শিক্ষয়িত্ৰীৰ চিন্তা-চৰ্চাৰ প্ৰকাশ ঘটে। অঞ্চল বিশেষৰ ইতিহাস-সংস্কৃতিৰ আভাস পোৱা যায়। লগতে মহাবিদ্যালয়ৰ বুৰঞ্জীৰ দলিল স্বৰূপে সময়ত পৰিগণিত হয়।

মই আলোচনী আৰু মহাবিদ্যালয়লৈ শুভেচ্ছা জনালোঁ।

ধন্যবাদেৰে—

ইমৰান শ্বাহ

# অধ্যক্ষৰ একলম



মই অতিকৈ আনন্দিত যে পাতিদৰং অঞ্চলৰ উচ্চ শিক্ষানুষ্ঠান পাতিদৰং মহাবিদ্যালয় ইং ২০১৪ চনৰ ৩১ আগষ্টৰ দিনা পঁচিশ বছৰ পূৰ্ণ কৰিলে। সেয়েহে এই শুভক্ষণত মহাবিদ্যালয় আলোচনীখনৰ জৰিয়তে এই মহাবিদ্যালয় প্ৰতিষ্ঠাৰ লগত জড়িত প্ৰতিগৰাকী পুণ্যাত্মালৈ শ্ৰদ্ধাৰ লগতে অদ্যপি মহাবিদ্যালয়ৰ উন্নতিৰ লগত ওতঃপ্ৰোতভাৱে জড়িত আটাইসকললৈ নমস্কাৰ জনাইছো। লগতে মহাবিদ্যালয়ত কৰ্মৰত প্ৰতিগৰাকী শিক্ষক আৰু কৰ্মচাৰীলৈও মোৰ শুভেচ্ছা জনালো। প্ৰতিজন ছাত্ৰ-ছাত্ৰীলৈও মৰম থাকিল।

ছাত্ৰ-ছাত্ৰীসকলৰ মানদণ্ড তথা তেওঁলোকৰ ব্যক্তিত্ব মহাবিদ্যালয় আলোচনীখনৰ জৰিয়তে প্ৰকাশ পায়। মই ভাবো আমাৰ ছাত্ৰ-ছাত্ৰীসকলেও চিন্তা শক্তি ব্যক্ত কৰাত পিছপৰি থকা নাই।

ছাত্ৰ-ছাত্ৰীসকলৰ সৰ্বাংগীন উন্নতিৰ কাৰণে শিক্ষাই প্ৰধান আহিলা। শিক্ষাৰ দ্বাৰাই আমি এজন ছাত্ৰৰ ব্যক্তিত্বৰ মাপ কাঠি জানিব পাৰো। সেয়েহে ছাত্ৰ-ছাত্ৰীসকলক জীৱন সংগ্ৰামত উত্তীৰ্ণ হবলৈ কোনো ফালৰ পৰাই ত্ৰুটি ৰাখিব নালাগিব। ছাত্ৰ-ছাত্ৰীসকলে পাঠ্যক্ৰমৰ উপৰিও বিভিন্ন ধৰণৰ কিতাপ, আলোচনী, বাতৰি কাকত পঢ়াটো অভ্যাস লৈ পৰিৱৰ্তন কৰাটো প্ৰয়োজন।

আমাৰ মহাবিদ্যালয়ৰ পৰা স্নাতক চূড়ান্ত পৰীক্ষাত যথেষ্ট সংখ্যক ছাত্ৰ-ছাত্ৰী সফলতাৰে উত্তীৰ্ণ হয়। এই ক্ষেত্ৰত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক সকলৰ মাজত থকা মধুৰ সম্পৰ্কৰ লগতে অভিজ্ঞ শিক্ষকসকলৰ অৱদান উল্লেখনীয়। মহাবিদ্যালয়খনৰ শৈক্ষিক বাতাবৰণ আৰু ইয়াৰ পৰিবেশ সকলোৰে দৃষ্টিগোচৰ হোৱাতো পৰিলক্ষিত হৈছে। এই ক্ষেত্ৰত মহাবিদ্যালয় পৰিয়ালৰ প্ৰতিজন সদস্যই সততা আৰু নিষ্ঠাৰে আগবাঢ়ি যাব লাগিব।

সদৌ শেষত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ সৰ্বাগীন উন্নতিৰ বাবে সকলোকে আগবাঢ়ি আহিবলৈ আহ্বান জনাই আলোচনীখনৰ লগতে মহাবিদ্যালয়ৰ উত্তৰোত্তৰ কামনা কৰিলোঁ।

ইতি
শ্ৰদ্ধাৰে—

শ্ৰীমতী শ্ৰীয়ম বৰকাকতি
ভাৰপ্ৰাপ্ত অধ্যক্ষ
পাতিদৰং মহাবিদ্যালয়

# তত্বাৱধায়কৰ একলম



সাম্প্ৰতিক যুগত বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ দ্ৰুত উন্নয়নে সমগ্ৰ বিশ্বক এখন ক্ষুদ্ৰ গাঁৱত পৰিণত কৰিছে। ইয়াৰ লগে লগে মানুহৰ বৌদ্ধিক আৰু আধ্যাত্মিক দিশৰো যথেষ্ট বিকাশ হৈছে। কিন্তু প্ৰকৃতাৰ্থত সাহিত্য আৰু সংস্কৃতিৰ দিশত এচাম সৃষ্টিশীল মানুহৰ বাহিৰে ভোগবাদী চামে সাহিত্য চৰ্চাৰ দিশত আগুৱাবলৈ আৰু কিছুসময়ৰ প্ৰয়োজন হ'ব। A room without book is like a room without window. সাহিত্য সৃষ্টি হ'লেই ইয়াৰ উদ্দেশ্য সফল নহয় যদিহে সমান্তৰালভাৱে পাঠক সৃষ্টি বা পাঠকৰ সমাদৃত নহয়।

পাতিদৰং মহাবিদ্যালয় পাতিদৰং মৌজাৰ এক উল্লেখযোগ্য উচ্চ শিক্ষাৰ অনুষ্ঠান। এই মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা যথেষ্ট যদিও সেই অনুপাতে কিন্তু লেখক লেখিকাৰ সংখ্যা তেনেই তাকৰ। পচিছ বছৰ গৰকা মহাবিদ্যালয়খনত ইং ২০১৪ বৰ্ষত অসমীয়া বিভাগৰ সাহিত্য চ'ৰা সৃষ্টি হয় আৰু অসমীয়া বিভাগৰ প্ৰাচীৰ পত্ৰিকা "নজোন" যোৱা ৫ চেপ্তেম্বৰ, ইং ২০১৪ চনত পোন প্ৰথমবাৰৰ প্ৰকাশ হয়।

পাতিদৰং মহাবিদ্যালয়ৰ মুখপত্ৰ "পাতিদৰং মহাবিদ্যালয় আলোচনী" গতানুগতিক ৰূপত প্ৰকাশ পাই আহিছে যদিও ই মহাবিদ্যালয়ৰ মানদণ্ড ৰক্ষা কৰাত সফল হ'ব পৰা নাই। সেয়ে বৰ্তমান সংখ্যাটি অগতানুগতিক ৰূপত প্ৰকাশ কৰিবলৈ যৎপৰোনাস্তি চেষ্টা কৰা হৈছে সম্পাদকৰ সম্পাদনাত। পৰৱৰ্তী সম্পাদকৰ সম্পাদনা আৰু তত্বাৱধায়কৰ তত্বাৱধানত আলোচনীখন সৰ্বাংগসুন্দৰ ৰূপত প্ৰকাশ পাব বুলি আশা কৰিলোঁ।

শেষত মহাবিদ্যালয় পৰিয়াল সমূহ ছাত্ৰ-ছাত্ৰী তথা লেখক-লেখিকা, কৰ্মীবৃন্দ আৰু মহাবিদ্যালয় আলোচনীখন প্ৰকাশ কৰাত সহায় সহযোগীতা আগবঢ়োৱা বাবে সদৌটিলৈ ধন্যবাদ জনালো। শেষত পাতিদৰং মহাবিদ্যালয় আলোচনীৰ দীৰ্ঘায়ু কামনাৰে—

ইতি

শ্ৰীদুলাল চন্দ্ৰ শৰ্মা
তত্বাৱধায়ক
পাতিদৰং মহাবিদ্যালয় আলোচনী
ইং ২০১৩-১৪ বৰ্ষ।

# সম্পাদকীয় প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে সেইসকল মহান ব্যক্তিক শ্ৰদ্ধা যাচিছো, যিসকল ব্যক্তিৰ অপ্ৰাণ চেষ্টাৰ ফলত পাতিদৰং মহাবিদ্যালয়ৰ দৰে অনুষ্ঠানটোৱে জন্ম পালে। যিসকল শিক্ষাগুৰুৱে আমাক শিক্ষাদান কৰি ভৱিষ্যত এক সু-নাগৰিক হোৱাত সহায় আগবঢ়াইছে সেইসকললৈ মই মোৰ আন্তৰিক কৃতজ্ঞতা তথা শ্ৰদ্ধা জ্ঞাপন কৰিলো।

প্ৰত্যেকজন ব্যক্তিৰ জীৱনলৈ শৈশৱ-কৈশোৰৰ মূহুৰ্তবোৰ এক সোণালী অধ্যায় হিচাপে দেখা দিয়ে। এই সোণালী মূহুৰ্তৰ আচাৰ-ব্যৱহাৰ আৰু ক্ৰীয়া-কলাপেই জীৱন অভিলাষৰ সৃষ্টি কৰে। অই অভিলাষবোৰ পূৰণ কৰিবলৈ যাওঁতে কোনো যাতে বিপথে পৰিচালিত নহয় তাৰ বাবে সতৰ্ক হোৱাটোত এই মহান ব্যক্তিসকলে অতি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

২০১৩-২০১৪ বৰ্ষৰ পাতিদৰং মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত আলোচনী বিভাগৰ সম্পাদকৰ পদত প্ৰতিদ্বন্দিতাৰে নিৰ্বাচিত কৰি মহাবিদ্যালয়ৰ সেৱা আগবঢ়োৱাৰ বাবে যি সুযোগ সুবিধা দিলে তাৰ কাৰণে মহাবিদ্যালয়ৰ সমূহ শিক্ষাগুৰু ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱী সকললৈ আন্তৰিক শ্ৰদ্ধা আৰু অভিনন্দন জ্ঞাপন কৰিলো। সম্পাদক কাৰ্যভাৰ হাতত লোৱাৰ পিছত মহাবিদ্যালয়ৰ খেল সপ্তাহ আৰম্ভ হয়। ইয়াৰ লগত সংগত ৰাখি ছয়টা শিতানত প্ৰতিযোগিতা আয়োজন কৰা হয়। এই প্ৰতিযোগিতাত বিভিন্ন ছাত্ৰ-ছাত্ৰীয়ে অংশ গ্ৰহণ কৰি পুৰস্কৃত হৈছে।

মহাবিদ্যালয়ৰ মূল প্ৰাচীৰ-পত্ৰিকাখন উন্নত কৰি প্ৰকাশ কৰাৰ মানস কৰা হৈছে। আলোচনী এখন প্ৰকাশ কৰাৰ অভিজ্ঞতা মোৰ মুঠেই নাছিল। আলোচনীখনৰ সম্পাদকৰ কাম আৰম্ভ কৰিয়েই কিংকৰ্তব্য বিমুঢ় হৈ পৰিছিলো। কথাবোৰ ভবাৰ দৰে সম্ভৱ নহয়। মোৰ বিভাগীয় তত্বাৱধায়ক দুলাল শৰ্মা ছাৰৰ ওচৰত মই কৃতজ্ঞ হৈ ৰলো।

২০১৩-১৪ বৰ্ষৰ নৱাগত আদৰণি সভাৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে আনুষ্ঠানিকভাৱে স্বাগতম জনাবলৈ উলহ-মালহেৰে নৱাগত আদৰণি সভাখন অনুষ্ঠিত কৰা হয়। উক্ত অনুষ্ঠানৰ লগত সংগতি ৰাখি। সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰিছিলো অনুষ্ঠানত বহু কেইগৰাকী শিল্পীয়ে গীত গাই ছাত্ৰ-ছাত্ৰীয়ে মন আকৰ্ষিত কৰে। পাতিদৰং মহাবিদ্যালয়খনে ২৫ বছৰ অতিক্ৰম কৰিলে যদিও অভাৱ অনাতনৰ যেন অন্ত পেলাব পৰা নাই।

মোৰ কাৰ্যকালত বিভিন্ন দিশত মোক দিয়া পৰামৰ্শ তথা সহায় সহযোগ আগবঢ়োৱা অধ্যক্ষ মহোদয় আৰু শ্ৰদ্ধাৰ শিক্ষাগুৰু দুলাল চন্দ্ৰ শৰ্মা, তপন শৰ্মা দৈব্যশক্তি ডেকা, মুকুতাৰ ৰহমান, ধিৰাজ তালুকদাৰ, ইনামুল হক, বাহাৰুল ইছলাম, দীপক বড়ো, আব্দুল ৰচিদৰ লগতে সমূহ ছাৰ-বাইদেউ আৰু মহাবিদ্যালয়ৰে বন্ধু-বান্ধৱীসকল, চাইদুল আলী. কৌশিক, বাবজান, বাহাৰুল মিনাল, মিনাৰুল, মৃগেন, নৱ, মানৱ, গীতু, জীৱেশ্বৰ, দীপেন, আব্দুল্লাহ, মোজাফৰ, ৰাহুল, প্ৰকাশ, ৰিমা, মাজনী, লাইলা, নাৰ্জী, হেলেনা, নাৰ্চিমা, নৱনিকা এই সকললৈ মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলো। শেষত পাতিদৰং মহাবিদ্যালয়ৰ উন্নতি আৰু সফলতাৰ কামনা কৰি মোৰ কাৰ্যকালত জ্ঞাত-অজ্ঞাত ভুল-ত্ৰুটিৰ বাবে সকলোৰে ওচৰত প্ৰাৰ্থনা বিচাৰি মোৰ সম্পাদকীয় প্ৰতিবেদনৰ সামৰণি মাৰিলো।

ঃ জয়তু পাতিদৰং মহাবিদ্যালয় ঃ

জয় আই অসম

জয়তু পাতিদৰং মহাবিদ্যালয় ছাত্ৰ একতা সভা।

শ্ৰদ্ধাৰে—

মঃ চমছেৰুদ্দিন আহমেদ

সম্পাদিক, আলোচনী বিভাগ

ইং ২০১৩-১৪ বৰ্ষ।

# সূচীপত্ৰ

## প্ৰৱন্ধ প্ৰবাহ


বিষ্ণুৰাভাৰ গীতত প্ৰেমৰ মিলন আৰু বিৰহৰ চিত্ৰ / *তপন কুমাৰ শৰ্মা* ◆◆১১
আকাশৰ তলত দেৱতাৰ ৰাজত্ব / *শ্ৰীবৰ্ণালী ডেকা* ◆◆১৬
১৯১২ চনৰ টাইটানিকৰ ভয়ানক যাত্ৰা / *দীপশিখা শৰ্মা* ◆◆১৯
অসমত লোক-সংস্কৃতিৰ চিন্তা-চৰ্চা / *দিলীপ কুমাৰ ডেকা* ◆◆২২
Co-Curricular Activities in the School Education / *Rani Deka* ◆◆২৫


## গল্প গুচ্ছ


নিঃশব্দ ধুমুহা / *শ্ৰীদীপ জ্যোতি দাস* ◆◆২৮
মৰহি যোৱা ফুল আকৌ ফুলিল / *মিছ আচিমা বেগম* ◆◆৩০
যৌতুকৰ কাৰণে জুৰিৰ মৃত্যু / *শ্ৰী জোনালী ডেকা* ◆◆৩১
মোৰ দুখ / *মঃ বাহাৰুল ইছলাম* ◆◆৩২


## কবিতা


মহামানৱলৈ শ্ৰদ্ধাঞ্জলী / *ৰীমা ৰহমান* ◆◆৩৩
জাগৃত হোৱা / *ৰীমা ৰহমান* ◆◆৩৪
তেওঁ মোৰ বিদিত্ত প্ৰেমৰ গান ◆◆৩৪
নীৰৱতা / *মিছ আৰ্চিমা বেগম* ◆◆৩৫
আশা / *শ্ৰীবৰ্ণালী ডেকা* ◆◆৩৫
চিনাকী লেমটো / *শ্ৰীজুৰি কলিতা* ◆◆৩৬
আবেগ / *শ্ৰীকৌশিক ডেকা* ◆◆৩৬
তুমি / *শ্ৰী চুমী বণিয়া* ◆◆৩৭
প্ৰতিবাদ / *মঃ চালাম আলী* ◆◆৩৭
ঈশ্বৰ / *শ্ৰীনন্দিতা ডেকা (জোন)* ◆◆৩৭
তুমি কেতিয়া আহিবা / *শ্ৰীৰঞ্জিত বনিয়া* ◆◆৩৮
সপোনৰ ঘৰ / *মিছ নজমা বেগম* ◆◆৩৮
গোলাপ / *চৈয়দ মনজিল আহমেদ* ◆◆৩৮
সময় / *মিছ মৰ্জিনা বেগম* ◆◆৩৯
মা / *শ্ৰীমনিষা বৈশ্য* ◆◆৩৯
প্ৰেম / *শ্ৰীজোনমণি কলিতা* ◆◆৩৯
আবেগ / *আচিমা বেগম* ◆◆৪০
হৃদয় / *ৰিংকু কুমাৰ সিংহ* ◆◆৪০
সময়ৰ আহ্বান / *শ্ৰীদুলাল চন্দ্ৰ শৰ্মা* ◆◆৪১
অতীতক নাযাবা পাহৰি / *মিঞ্জুমা বেগম* ◆◆৪১
ভগ্ন হিয়াৰ বিননি / *শ্ৰী মধুস্মিতা নাথ* ◆◆৪২
আৰ্তনাদ / *মিছ লাইলা বেগম* ◆◆৪২
সেউজীয়া বননিৰ অসমী আই / *প্ৰদীপ ডেকা* ◆◆৪৩
চক্ৰবেহু / *ৰূপজ্যোতি গোস্বামী* ◆◆৪৩
পম্পিয়াৰ আগ্নেয়গিৰি / *দীপজ্যোতি দাস* ◆◆৪৪


## প্ৰতিবেদন


সাধাৰণ সম্পাদকৰ প্ৰতিবেদন ◆◆৪৫
সমাজ সেৱা বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন ◆◆৪৭
গুৰু খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন ◆◆৪৮
সাংস্কৃতিক সম্পাদকৰ প্ৰতিবেদন ◆◆৪৯

প্ৰ ব ন্ধ প্ৰ বা হ

# বিষ্ণুৰাভাৰ গীতত প্ৰেমৰ মিলন আৰু বিৰহৰ চিত্ৰ

তপন কুমাৰ শৰ্মা
সহঃ অধ্যাপক, অসমীয়া বিভাগ

**বিষ্ণুৰাভা আৰু প্ৰেম ঃ**

যৌৱন জীৱনৰ অনাহুত অতিথি, জীৱনৰ কঠিয়াতলী, পিৰিতি যৌৱনৰ সাদৰী লগৰী। সেইবাবে প্ৰতিজন মানুহৰে যৌৱন কালত হৃদয়ত গভীৰতম কোনত বিপৰীত লিঙ্গৰ প্ৰতি কিছু পৰিমানে হলেও প্ৰেমৰ ভাৱনাই ঠাই পায়। বিষ্ণুৰাভাও ঠিক তেনেকুৱা প্ৰকৃতিৰে এজন ব্যক্তি। তেওঁ দেখাত আছিল ওখ-পাখ সুন্দৰ, সুঠাম তথা এক সুস্বাস্থ্যৰ অধিকাৰী লগতে এক প্ৰণয়সুলভ মনৰো অধিকাৰী। গতিকে আন হেজাৰ জনৰ জীৱনলৈ অহাৰ দৰে বিষ্ণুৰাভাৰ জীৱনলৈ প্ৰেমৰ দুকুল ওপচা বান আহিছিল। প্ৰেমৰ এই বান তেওঁৰ জীৱনলৈ একাধিক বান আহিছিল। এইবাবে তেওঁৰ মনত সেউজ পথাৰ কেতিয়াবা ধ্বংস কৰি গৈছিল আৰু কেতিয়াবা পথাৰ বুৰাই নেপেলাই এৰি থৈ গৈছিল প্ৰচুৰ পলস।

ভুপেন হাজৰিকাই লিখিছে "বিষ্ণুৰাভাই এবাৰ এজনী ছোৱালীৰ প্ৰেমত পৰিছিল; তেওঁ এজন ভাল প্ৰেমিকো আছিল, প্ৰেমৰ গীতো লিখিছিল, কিন্তু যিজনী ছোৱালীৰ প্ৰেমত পৰিছিল সেইজনী ছোৱালী পিছত নিজৰ জাতে-পাতে মিলা আৰু আন এজনৰ লগত বিয়া হৈ গৈছিল। তেতিয়া তেওঁৰ ভীষন খং উঠিছিল। তেওঁ ভাবিলে নিজে বড়ো মানুহ বুলিয়েই সেই ছোৱালীজনীক বিয়া কৰাব নোৱাৰিলে।" ইয়াৰ দ্বাৰা বুজিব পাৰি অন্য দহ জনৰ জীৱনলৈ অহাৰ দৰে বিষ্ণুৰাভাৰ জীৱনলৈও স্বাভাৱিক ৰূপতেই প্ৰেম আহিছিল আৰু প্ৰেমিকাজনীক চিৰ জীৱনৰ লগৰী কৰি লোৱাৰ এক বাসনাই তেওঁৰ মনতো ক্ৰিয়া কৰিছিল। 'ভাল' প্ৰেমিক বুলি কওঁতে প্ৰেম সম্পৰ্কীয় সুস্থ ধাৰণা এটা বিষ্ণুৰাভাৰ আছিল যেন বোধ হয়। অশেষ চাক্ষুষ দৃষ্টিত তেওঁক কেইবাজনীও নাৰীৰ প্ৰেমত পৰা দেখা যায় যদিও তেওঁৰ হৃদয়ৰ গভীৰ কোনত মাথো এজনী বা দুজনীয়েহে মধুৰ সৃষ্টি লব পাৰিছিল সেই কথা তেওঁৰ প্ৰেম মূলক গীতবোৰলৈ চালে বুজিব পৰা যায়। অৱশেষত তেওঁ লিখা বহুত গীত সময়ৰ সোঁতত হেৰাই যোৱা বুলি অনুমান কৰা হৈছে।

যাহঁওক, ৰাভাই যি কেইজনী নাৰীক বিয়া কৰাইছিল তাৰে

প্ৰতিজনীৰ সতেই বিশেষকৈ প্ৰথমা পত্নী প্ৰিয়লতাৰ সতে তেওঁৰ বিয়াৰ আগতে এক সুন্দৰ সম্পৰ্ক থকা দেখা যায়। প্ৰিয়লতাৰ অকাল বিয়োগ সহ্য কৰিব নোৱাৰিয়েই তেওঁ লিখিছিল ঃ "পৰ জনমৰ শুভ লগনত"। অৱশেষত ৰাভাই প্ৰেমৰ মিলনৰ সোৱাদ তথা মিলন তৃপ্তি খুব কমেই অনুভৱ কৰা দেখা যায়। তেওঁৰ প্ৰেমমূলক গীতবোৰত মিলনৰ চিত্ৰতকৈ প্ৰেমৰ ব্যৰ্থতাৰ চিত্ৰই যথেষ্ট বেছিকৈ চিত্ৰিত হৈছে।

**বিষ্ণুৰাভাৰ গীতত প্ৰেম- মিলনৰ চিত্ৰ ঃ**

পূৰ্বৰাগ ঃ জীৱনৰ প্ৰথম বেলাতেই তেওঁ দেখা পাইছিল প্ৰণয়ৰ শুভ্ৰ ৰূপ। প্ৰেম যেন জীৱনৰ কোঁহে কোঁহে, যৌৱনৰ পাহে পাহে, নিমাতী কন্যাৰ মৌনতাতেই যেন প্ৰণয়ৰ লক্ষণ। তেওঁ দেখিলে ধুসৰ নীলা আকাশত জাক পাতি উৰা বনৰীয়া পখী জাকৰ মাজতো যেন প্ৰণয়ৰ ভাৱ-ভঙ্গী মিহলি হৈ আছে। তেওঁ বুজি উঠিলে যে প্ৰণয়েই জীৱন পোহৰ কৰে। সেইবাবে নিজৰ জীৱনো প্ৰণয়ৰ শুভ্ৰ আলোকেৰে আলোকিত কৰাৰ উদ্দেশ্য তেৰো এদিন নিমাতী কন্যাৰ আলেখ-লেখ চাই নিমাতী কইনাক সুধি পেলালে—

"তুমি মোৰ হিয়া ৰাণী হৃদ আসনত
পোহৰাই আহিবানে হিয়াৰ মাজত"

তেওঁ নিমাতী কন্যাক এই কথাও কবলৈ নাপাহৰিলে যে নিমাতী কইনাৰ বেথাৰে উৱলি পৰা চকুৰ নীৰৱ ভাষাতেই তেওঁৰ শত আশা গাঁঠি থোৱা আছে। প্ৰেমিকাৰ মৰম সনা দৃষ্টিয়ে, প্ৰণয়ৰ উষ্ম আহ্বানে নিমাতী কইনাক বেছি দিন নিমাতী কৰি ৰাখিব নোৱাৰিলে। ৰাভায়ো—

"ওঠত মাথোন ৰাণী বিহীনা
তুমি ৰাণী বিহীনা"

বুলি বেছিদিন কৈ থাকিব লাগিব। চকুত হাঁহি সানি সলাজ সলাজ ভাবেৰে কোনোৱা এটা বসন্তৰ কোনো এটি মিঠা আবেলিত নিমাতী কইনাই তেওঁৰ আশাত, তেওঁৰ ভাষাত সঁহাৰি জনালে—

"নিগৰি নিগৰি মনৰ বাতৰি
মুখেদি ওলাই কয়
বাগৰি বাগৰি হৃদয় বিদাৰি
অমিয়া সোৱাদ লৈ"

এইবাৰ আৰম্ভ হ'ল কপৌফুলে, তগৰ ফুলে, নাহৰফুলেস, শুৱনি কৰিব নোৱাৰে প্ৰিয়াৰ ঘিলা খোপাক লৈ সীমাহীন সপোন। প্ৰেয়সীৰ খোপাত কি ফুলে শুৱাব, ডিঙিত কি মনি শুৱাব তাকে লৈ তেওঁ চিন্তিত হ'ল।

"নাগৰ ফুলে নুশুৱায়
তগৰ ফুলে শুৱাব
তগৰ ফুলে নুশুৱায়
কপৌ পুলে শুৱাব"

ৰাভাৰ মনোৰমা প্ৰেয়সীৰ মনোমোহা খোপাচি শুৱনি কৰিবলৈ প্ৰয়োজনত হিয়াফুল পাৰি দিম বুলি কবলৈও পাহৰা নাই প্ৰিয়াৰ লাৱনী খোপাৰ উপৰিও শুৱনি ডিঙিত নাচি থকাকৈ সাতসৰী হাৰডালিত কিমনি শুৱাব সেই বিষয়ে তেওঁ চিন্তিত নোহোৱাকৈ থকা নাই। মন শুৱনি ডিঙিত মানিক ফুলেও নুশুৱাব পাৰে। সেই সন্দেহত তেওঁ কৈছে—

"মানিক ফুলে নুশুৱায়
যদি সাত সৰীতে তোৰ
হিয়া ফুল পাৰি দিন
তেজাল পোৱাল মনিবোৰ"

প্ৰেয়সীৰ কাৰণে তেওঁ অসম্ভৱকো সম্ভৱ কৰিব পাৰে। মেঘৰ বুকুফালি তেওঁ বিজুলী চাকি আনিব পাৰে; প্ৰেয়সীৰ বিৰিত লগাবৰ বাবে তেওঁ কুঁৱলীৰ জাল কাটি ৰূপোৱালী জোনাক আনিব পাৰে, সাগৰ সিঁচি বগা মানিক মনি তুলি আনি তাৰে প্ৰেয়সীক মালা গুঠি দিব পাৰে—

"সেই মাণিকৰ মালা গুঠিম
সেই পদুমীৰ কেৰু গঢ়িম
কেৰু মালা পিন্ধিবানে?"

এনেদৰে ৰাভাই প্ৰিয়তমাক লৈ ভিন্ন ৰঙীণ সপোনৰ সমাহাৰ পাতিছে।

**সন্দেহ ঃ**

নিমাতী কইনাৰ মাত উলিয়াই, প্ৰণয়ৰ সঁহাৰি আদায় কৰিলে যদিও ৰাভাৰ অন্তৰত মাজে মাজে সন্দেহে ভুমুকি নমৰাকৈ থকা নাছিল। তেওঁৰ কেতিয়াবা সন্দেহ আহি যায় যে তেওঁৰ মনৰ সাতো ৰঙীণ বাহীৰ সুৰে তেওঁৰ প্ৰেয়সীৰ কেঁচা কলিজাটি সঁচাকৈয়ে শাঁত পেলাব পাৰিছেনে নাই—

"ৰন্ধ্ৰে ৰন্ধ্ৰে তুলি সুৰ
বাজে মন বাহী মোৰ;
সেই সুৰতেই শাঁত কৰি লৈ
পৰিবনে হিয়া জুৰ?"

প্ৰিয়াৰ মৰমতেই তেওঁৰ হিয়াৰ ফুলনিত ফুল ফুলিল; কিন্তু সেই ফুল আদৰিবলৈ তেওঁৰ প্ৰিয়াজনীয়েবা কিমান আগ্ৰহী?

তেওঁৰ যেনিবা হঠাৎ সন্দেহৰ সীমা নোহোৱা হ'ল। সন্দেহৰ লুকা-ভাকুৱে আবৰা তেওঁৰ মনে প্ৰিয়াক সুধিব খোজে—

"সাদৰে বুলোৱা হিয়াৰ বোলেৰে
সানিলো যি ফুল প্ৰেমৰ ৰসেৰে
সি ফুলৰ প্ৰিয়ে, প্ৰণয় সুৰভি
হেপাহেৰে তুলি শুঙিবানে?"

এনেদৰে দেখা যায় ৰাভাৰ গীতত প্ৰণয়ৰ পাত্ৰীৰ ভালপোৱাৰ প্ৰতি সন্দেহৰ চিত্ৰও দুই এঠাইত ফুটি নুঠাকৈ থকা নাই।

**মিলন ঃ**

ওপৰত উল্লেখ কৰি অহা হৈছেই যে তেওঁ প্ৰেমৰ মিলনৰ অনুভূতি খুব কমেও অনুভৱ কৰিছে। তেওঁৰ গীত কবিতাৰাজি অধ্যয়ন কৰিলে দেখা যায় তেওঁ ক'তো মিলনৰ স্পষ্ট চিত্ৰ অঁকা নাই। তেওঁৰ নাটকত তেওঁ এই মিলনৰ চিত্ৰ উদঙাই দেখুৱাইছে। তেওঁৰ এটি গীতত মিলনৰ সম্ভেদ এনেকুৱাকৈ দিয়া হৈছে—

"মেলানি বেলাৰ বিদায় লগন
যেতিয়া আহিব চাপি,
উঠিবনে প্ৰিয়ে তেতিয়া এবাৰ
হৃদয় তোমাৰ কঁপি?"

জিৰ জিৰকৈ বৈ থকা জুৰিটি দেখি, তেওঁৰ মনলৈ আহিল স্মৃতিৰ বকুল মালা। সেই মালা ধাৰি লিৰিকি বিদাৰি থাকোতেই তেওঁৰ চাৎকৈ এবাৰ মনলৈ আহিল; তেওঁৰ প্ৰিয়াই তেওঁক কৈছিল—

"কঁপিছিল জোনালী কিৰণ
ওলাইছিল জোন।
ময়ো লৰি তোৰ কাষতে বহি
শুনিছিলো বাঁহী।

এটা (দীঘল) কবিতাত তেওঁ লিখিছে—

"জোবেৰে বলেৰে সেই লৱনু তনুটি তাৰ হিয়াত সোমাই
ওঠত গালত দিয়ে কামুৰি কামুৰি শুহি চুমা সুধা ঢালি পুলক জগাই"

এনেদৰে ৰাভাৰ গীতত প্ৰণয়ন পাত্ৰ পাত্ৰীৰ মাজৰ পাৰস্পৰিক মিলনৰ চিত্ৰও দুই এটি পোৱা যায়।

**বিষ্ণুৰাভাৰ গীতত প্ৰেম ঃ বিৰহৰ চিত্ৰ ঃ**

**লগন যেতিয়া পাৰ হৈ যায় ঃ**

বিষ্ণু প্ৰসাদ ৰাভাৰ এটি শ্ৰেষ্ঠ গীত লগন উকলি গ'ল ব্যৰ্থ প্ৰেমৰ কৰুণ ছবিৰে ভৰা। গীতটিৰ কথা অংশ খুৱেই মৰ্মান্তিক। মনে খন্দা পুখুৰীৰ পানী খাবলৈ নাপাই ৰাভাই যেন চিৎকাৰ কৰি উঠিছে।

"কিমান হেঙুলী উষা
কিমান জোনালী নিশা
মিছাতেই গ'ল মোৰ
কিমান গধুলি পুৱা।"

আকাশ বতাহে সবেই যেন ৰাভাৰ বিৰহৰ সংবাদেই বহন কৰিছে। তেওঁ কৈছে যে তেওঁৰ হৃদয়ৰ গোপন কথাটি তেওঁ কোনোদিনেই প্ৰিয়াৰ আগত প্ৰকাশ কৰিব নোৱাৰিলে। "তেওঁ যে লহ'ল কোৱা"। প্ৰসংগ ক্ৰমে উল্লেখ কৰি থব পাৰি যে এজনী ব্ৰাহ্মণ কন্যাৰ সৈতে হোৱা ৰাভাৰ প্ৰণয় আৰু দুয়োৰে মাজত সৃষ্টি হোৱা বিৰহ বিচ্ছেদৰ প্ৰবল বন্যাই এই গীতটিৰ ৰচনাৰ বাস্তৱ ভিত্তি।

ৰাভাই মনৰ কথাটি প্ৰেয়সীক ক'ব নাপালেও প্ৰেয়সীয়ে যেন ৰাভাৰ মনত দুখ বুজিছিল। সেয়ে তাই ৰাভাক দেখিলেই বোৱাই দিয়ে চকুৰোৱা নৈ। প্ৰেয়সীৰ চকুত চকুলো দেখি ৰাভাই কৈ উঠিল—

"ডকা চাকনৈয়া আনি
নিশাৰে কালিমা সানি
নোবোৱাবা চকুলোৰ নৈ"

ৰাভাই যেন বুজি উঠিছে, "তেওঁৰ জীৱনৰ বাকীচোৱা কাল, অতীতৰ বকুল মালা ধাৰিৰ স্মৃতিৰে সম্পূৰ্ণ সিক্ত হৈ ৰ'ব। বিৰহৰ বুকুফটা হুমুনিয়াহেই বেৰি ৰাখিব তেওঁৰ ভৱিষ্যত জীৱন।

"লেৰেলা ফুলৰ মালাধাৰি লৈ
গুপুতে বুকুতে আকোঁৱালি থৈ
নিজানত বহি গুন গুনকৈ
গাম হায় হায় হায়।"

**প্ৰিয়া শূণ্য অনুভৱ ঃ**

বহু আশাৰে বিষ্ণুপ্ৰসাদ ৰাভাই যিখন ফুলনি সজাইছিল, সেই ফুলনিখন জকমককৈ ফুলিব ধৰোতেই যেনিবা ক'ৰবাত কিবা কেনা লাগিল। ফলত তেওঁৰ হৃদয় ফুলনিৰ সকলো ফুল অকালতে মৰহি গ'ল। তেওঁ হৃদয়ৰ বং হ'ল নীলা। গোটেই ফুলনিখনত মাথোন এটি তপত হুমুনিয়াহ আৰু এষাৰি কথাই ইফাল সিফাল কৰি থাকিল—

হায়! হায়!! মোৰ প্ৰিয়া নাই

তেওঁ হৃদয় শূণ্য কৰি যিদিনাৰ পৰা প্ৰিয়াজনী বহুদূৰলৈ গুছি গ'ল, সেইদিন ধৰি ৰাভাৰ জীৱনৰ সম্বল যেনিবা চকুপানী। তেওঁ এটা গীতত কৈছে—

"বাহিৰত বৰষুণ পৰে ধাৰাসাৰ
দুগালেদি বয় মোৰ চকুলো দুধাৰ"
উচাটন কৰে মোৰ মন যে এযাৰ
মোৰ প্ৰিয়া নাই! মোৰ প্ৰিয়া নাই!!

কল্পনাৰ ৰাজ্য বাস্তৱৰ ৰাজ্য সকলোতে তেওঁ মাথো দুখ বেদনাৰ অস্তিত্বকে লগ পাইছে, অনুভৱ কৰিছে। চাককি নেপাই ওমৰৰ অৱস্থা যেনেকুৱা হৈছিল অনুৰূপ অৱস্থা যেন তেওঁৰো হ'ল, তেৱেঁ যেন ওমৰ। চাকিয়ে যেনিবা তেওঁৰ প্ৰিয়া। চাকিৰূপী প্ৰিয়াৰ অবিহনে ৰাভাই তেওঁৰো হিয়াখন আল্লাক লৈ যাবলৈ দিছে।

"হায়! হায়!! চাকি নাই
কান্দে ইনাই বিনাই
চাকি নাই কান্দে উচুপি
নিজানে চকুলো টুকি
প্ৰিয়া নাই আছে মোৰ হিয়া
সেই হিয়া আল্লা মোৰ নিয়া"

এনেদৰে বিষ্ণুৰাভাই সপোন ৰাজ্য, বাস্তৱ ৰাজ্য সকলোতে প্ৰিয়াৰ অভাৱ অনুভৱ কৰি হতাশাত ভাগি পৰিছে।

**স্মৃতি স্নিগ্ধ দেউলত ঃ**

বিষ্ণুৰাভাই তেওঁৰ হৃদয়ৰ নিভৃততম কোনত সাঁচিৰখা গোপন কথাষাৰি প্ৰিয়াৰ আগত প্ৰকাশ কৰিম বুলি ভাবি থাকোতেই এদিন প্ৰিয়া তেওঁৰ ওচৰৰ পৰা বহু দূৰলৈ আঁতৰি গ'ল। ৰাভাৰ মনৰ কথাষাৰিয়ে প্ৰকাশৰ বাট নেপালেই তথাপি তেওঁ বৈ আছিল, তেওঁৰ একান্ত বিশ্বাস আছিল তেওঁৰ হিয়াৰ গোপন কুঠৰীত আৱদ্ধ হৈ থকা সেই সুন্দৰ কথাষাৰি শুনিবৰ বাবে এদিনৰ বাবে হ'লেও তেওঁৰ প্ৰিয়া তেওঁৰ ওচৰলৈ আহিবই। কিন্তু ৰাভাৰ সেই ইচ্ছাও পূৰণ নহ'ল। প্ৰিয়া কোনোদিন তেওঁৰ ওচৰলৈ নাহিল। ৰাভাৰ অন্তিম আশাও এদিন তেওঁৰ অক্ষাতেই স্মৃতিৰ ফুলনিত নোপোৱাৰ বেদনা হৈ পৰিল। অৰ্থাৎ সময়লৈ বাট চাই চাই ভাগৰি পৰি তেওঁ এদিন বিৰহ হৃদয়ৰ প্ৰেমৰ শান্তিৱনত চকুপানী সানি গঢ়িব লগা হ'ল এক স্নিগ্ধ দেউল। তেওঁৰ সেই স্মৃতিৰ স্নিগ্ধ দেউলটি যেন চাহজাহানৰ তাজমহলতকৈও এখাপ চৰা। তেওঁৰ তাজমহলটি এনেকুৱা—

"এটুপি চকুলো মোৰ যে কেৱল
সেয়ে মোৰ তাজমহল
প্ৰণয়েৰে ভৰা, বেদনাৰ গঠা
শানত চিৰ উদ্বল"

তেওঁ কৈছে যে চাহজাহানৰ কবি আৰু তেওঁৰ কবিতা আছিল শিলৰ কবিতা। তেৱো কবি, কিন্তু তেওঁ দুখীয়া কবি। সেয়ে শিলৰ পৰিৱৰ্তে তেওঁৰ মাথো চকুলোৰহে কবিতা—

"শিলৰ কবিতা নহয় মোক দান
এটুপি লোহে কেৱল, সেয়ে মোৰ
তাজমহল।"

স্মৃতিৰ সেই মোহনীয় দেউলটিয়ে ৰাভাক কেতিয়াবা বৰকৈ আমনি কৰে। যেন এক অসহ্য উৎপাত। সেই স্মৃতিৰ দেউলৰ পৰা তেওঁ কেতিয়াবা মন্ত্ৰ উচ্চাৰণ কৰাদি গায় যায়—

"ফুলৰ পাহি গ'ল মৰহি
স্মৃতিৰ সুৰভি আহি ভাহি
তাহানিৰ কালৰ ওমলা কথাটি
মাজে মাজে সোঁৱৰায়।"

তেওঁৰ বেদনা ইমানেই উত্তাপ যে সেই উত্তাপত তেওঁৰ চকুপানীবোৰ এনেদৰে শুকাই গ'ল যে চকুফালিলেও তেওঁৰ আৰু চকুলো নোলায়। তেওঁ এতিয়া য'লৈকে যায় তাতেই অতীতৰ মধুৰ সোঁৱৰণ। আপোন দুখৰ ভাৰ পাতলাবলৈ তেওঁ নিজানত ওলাল। শিলৰ হৃদয় কল্ কল্ শব্দেৰে বৈ আছে জুৰিটি। সেই জুৰিৰ পাৰতেই তেওঁ বহি পৰিল এধানি শান্তিৰ বাবে। কিন্তু তাতো তেওঁৰ শান্তি নাই।

"এই জুৰিটিৰ ওচৰতে বহি
বজাইছিলি বাঁহী
সৌ পজাটিৰ এচুকতে বৈ
শুনিছিলো মই।"

মুঠতে স্মৃতিৰ কলীয়া মেঘ আহি তেওঁৰ মন কাকাশ এনেদৰে ছানি ধৰিছে যে তাৰ জাল ফালি তেওঁৰ জীৱনত সুৰুযে নতুনকৈ পোহৰ পেলোৱাৰ আশা তেওঁৰ দেখা নাই। তেওঁৰ মন য'লৈ যায় তাতেই কেৱল স্মৃতিৰ সফুঁৰাই পায়—

"যলৈকে মন ছুটি যায়
স্মৃতিৰ সফুৰা তাতে পাই
আনে মধুৰ সোঁৱৰণ।"

এনেদৰেই স্মৃতিৰ স্নিগ্ধ দেউলত ৰাভাৰ মনে মধুৰ সোঁৱৰণ বিচাৰিলে। তেওঁৰ মন নিজৰাই পাহাৰে ভৈয়ামে বৈ যাব

ধৰিলে। তেওঁৰ সাদৰী প্ৰিয়া ক'তো নাই কিন্তু যেনিবা সকলোতে আছে।

**পৰজনমৰ শুভ লগনত ঃ**

ওৰে জীৱনলৈ দুখৰ স্মৃতি সহি সহি পাৰ কৰি দিয়া সহজ কথা নহয়। সেয়ে নোপোৱাৰ মাজত পোৱাৰ আশা কৰাত বাদে গত্যন্তৰ নাই। কোনোবা অচিন দেশৰ সেউজ পাহাৰৰ ওখটিলাত জুপুৰা মাৰি বহি থকা ৰাভাৰ দুদিনৰ চিনাকী অথচ বুকুৰ আপোনা বন পখীটিক উদ্দেশ্যি ৰাভাই কতনা গান গালে, কবিতা লিখিলে; স্মৃতিৰ সৌধ নিৰ্ম্মাণ কৰি অপেক্ষা কৰিলে; চকুপানীক সাৰথি কৰি কেৱল নীৰৱে বাট চালে, কিন্তু সেই পখীক ৰাভাই দুনাই দেখা নাপালে। লাহে লাহে ৰাভাই যেন বুজিব পাৰিলে যে বুকুৰ আপোন বন পখীটি এইটো জীৱনত আৰু তেওঁৰ ওচৰলৈ নাহে। কিন্তু বিৰহৰ প্ৰৱল বন্যাৰ মাজতো তেওঁ এধানি আশাৰ আলোক দেখিলে; আহি পৰিল পৰ জনমৰ কথা—

"পৰ জনমৰ শুভ লগনত
যদিহে আমাৰ হয় দেখা,
পূৰাবনে প্ৰিয়ে এই জনমৰ
মোৰ হিয়াৰ অপূৰ্ণ আশা।"

তেওঁৰ প্ৰিয়া পখীক যেনেদৰে তেওঁ একো মুখ ফুটাই কব নোৱাৰিলে তেনেদৰে প্ৰিয়ায়ো অতি যতনে সজোৱা মিলনৰ কুসুম মালাধাৰি যেন তেওঁক এই জীৱনত পিনমধালৈ দিবলৈ আহৰিয়ে নাপালে। যাৰ বাবে ৰাভাৰ শূণ্য বুকু চিৰ জীৱন শূণ্য হৈয়ে ৰ'ল।

"এই জীৱনৰ আউসী ৰাতি
চকুলো টুকি যায়নে কাটি
কাহানিও সুখৰ ৰূপহী জোনাকী
হৃদয়তে জিলিকনি নিবিলায়।"

গোপনে বুকুত থাকি নীৰৱে দুখৰ তুঁহৰ জুইকুৰা জ্বলি থকা তেওঁৰ বুকুৰ সেই গোপন কথাবোৰৰ বিষয়ে যেন প্ৰিয়াই একোকে নুবুজিলে। অকল সেয়াই নহয়, তেওঁৰ প্ৰিয়াই তেওঁৰ হিয়াত আঁকি থোৱা দুখ শোকৰ ছবিটিও কোনো দিন নেদেখিলে।

"পৰজনমৰ শুভ লগনত" গীতটি ৰাভাই প্ৰিয় পত্নী প্ৰিয়লতাৰ অকাল মৃত্যুত আঘাট পাই লিখা বুলি ভাবিব পৰা যায়। এই গীতটি ৰাভাই আ-মৃত্যু প্ৰাণৰ কন্দৰে কন্দৰে শোণিত প্ৰবাহৰ লগত ভাহি ফুৰিছিল আৰু আজিও অসমীয়া সমাজত মধুৰ কৰুণ গীত হিচাপে জনপ্ৰিয় হৈ আছে।

এনেদৰে দেখা যায়, বিপ্লৱ ছৱিৰে ভৰা অন্য এক শ্ৰেণীৰ সুন্দৰ গীতো ৰাভাৰ আছে। ৰাভাৰ পুৰঠ সামগ্ৰিক ব্যক্তিত্ব উদ্ভাষিত কৰি তোলাত যদিওবা এই শ্ৰেণী গীতৰ স্থান ম্লান তথাপি ৰাভাৰ প্ৰথম অৱস্থান ৰোমাণ্টিচিজিমৰ প্ৰতি থকা আকৰ্ষণ মনত নাৰাখিলে পূৰ্ণ বিষ্ণুৰাভাক বুজি উঠাটো নিশ্চয় জটিল হ'ব আৰু পূৰ্ণ মানুহজনৰ স্বৰূপটো উদ্ভাষিত নহ'ব। ইয়াৰোপৰি ৰাভাৰ প্ৰেম-বিৰহৰ গীতবিলাক অতি সুন্দৰ সুললিত শব্দেৰে মালা গথা ব্যক্তিগত জীৱনৰ ভাৱ প্ৰকাশৰ গীত। এই গীতবোৰৰ সৈতে ৰাভাৰ জীৱনৰ এটা দিশ সাঙোৰ খাই আছে।

**সহায়ক পুথি ঃ**

*(১) বিষ্ণু ককাইদেউ ঃ ভূপেন হাজৰিকা*
*(২) সহকৰ্মী দৰ্পনত বিষ্ণুপ্ৰসাদ ৰাভা ঃ মোহন লাল মুখাৰ্জী*
*(৩) বিষ্ণুপ্ৰসাদ ৰাভা ঃ ৰচনা সম্ভাৰ ঃ যোগেশ দাস (সম্পাদিত)*
*(৪) কলাগুৰু বিষ্ণু ৰাভাৰ সান্নিধ্যত ঃ বাদল দাস (সম্পাদিত)*

শিক্ষাই জ্ঞান, জ্ঞানেই শিক্ষা।

—ছক্ৰেটিছ

* * *

সুন্দৰ সাজ-পোছাক পিন্ধি মূৰ্খও গুণী সভাত শোভা পায়, সন্মান পায় যেতিয়ালৈকে মুখৰ পৰা এষাৰো কথা নুফুটে।

যাৰ আদেশ পালন কৰিবলৈ শিক্ষা নাই, সি কেতিয়াও আনক নেতৃত্ব কৰিব নোৱাৰে।

— এৰিষ্টটল



# আকাশৰ তলত দেৱতাৰ ৰাজত্ব

শ্ৰী বৰ্ণালী ডেকা
স্নাতক দ্বিতীয় বৰ্ষ ঃ চতুৰ্থ যান্মাষিক
অসমীয়া বিভাগ

সোনেৰে নিৰ্মিত স্বৰ্গভূমি অৰ্থাৎ দেৱতাৰ ৰাজ্যৰ ৰজা লেংডন। লেংডনৰ আন এটা নাম ইন্দ্ৰ। ইন্দ্ৰ দেৱতা আঠ লক্ষ দেৱতাৰ ওপৰত ৰজা। আকাশৰ তলৰ ৰাজ্যবোৰ কিয় অৰাজক হৈ আছে? দেৱতাসকলে সদায় খাই মাৰিছিল তেওঁক। কাৰণ দেৱতা হৈ থাকিবলৈ হলে মানুহৰ পূজা সেৱা লাগিবই।

লেংডনে কথাটো জ্যাচিংফাৰ লগত আলোচনা কৰিবলৈ ইচ্ছা কৰিছিল। কুঁৱলীৰ অধিপতি চাইফুন ন্যাইনাক জ্যাচিংফাক বিচাৰি গ'ল।

বিদ্যাদেৱী জ্যাচিংফাই সেই সময়ত তেওঁৰ পোন্ধৰ কুৰি দাসীৰ সৈতে একেলগে বহি সুঁতা কাটি আছিল। "এসময়ত লেংডনে বিচাৰিলে" চিন্তিত জ্যাচিংফা দেৱী লেংডনৰ ওচৰ পালেহি।

লেংডনে তেওঁৰ দুবিধা জ্যাচিংফাক বিবৰি কলে। লেংডনৰ মতে খেনখাম নহয়। খুনলুং আৰু খুনলাইহে পৃথিৱীত ৰজা হোৱা উপযুক্ত দেৱতা।

জ্যাচিংফা লেংডনৰ কথাত একমত হ'ব নোৱাৰিলে। দেৱসভাত আগতেই নিৰ্ণয় হৈ গৈছিল যে খেনখামহে পৃথিৱীত ৰজা হোৱাৰ উপযুক্ত দেৱতা। যথাসময়ত বাৰ্তাটো খেনখামকো জনোৱা হৈছিল। গতিকে তেওঁকেই পঠোৱা হওঁক।

"যদি নাযায়?"

"সেইটো পিছৰ কথা। আগতে সোধপোচ। আমি খেনখামক সুধি পুচি নিশ্চিন্ত হৈ লোৱা ভাল।"

জ্যাচিংফাৰ কথামতেই কাম হ'ল। পোহৰৰ দেৱতা লেংচেঙক খেনখামৰ ওচৰলৈ পঠোৱা হ'ল।

খেনখাম লেংডনৰ আপোন পুত্ৰ। তেওঁৰ মাতৃৰ নাম আছিল কংকতী। কংকতী এসময়ত কৌৰৱসকলৰ পিতৃ ধৃতৰাষ্ট্ৰৰ পত্নী আছিল।

মহাভাৰতৰ যুদ্ধত মৃত্যু হোৱা কুৰুবংশী বীৰসকলৰ বিধৱা

তিৰোতাসকলৰ কিছুমানে পতিৰ শোক সহিব নোৱাৰি আত্মহত্যাৰ পথ বাচি ললে। অন্ধ ধৃতৰাষ্ট্ৰৰ পত্নী কংকতী সহিত অন্যান্যসকলেও অৰণ্যতে মৰোঁগে বুলি নগৰ ত্যাগ কৰি ওলাই আহিছিল। কিন্তু মৰো বুলিলেই মৰিব পাৰিনে? ইশ্বৰৰ কি ইচ্ছা, কিছুদূৰ অহাৰ পিছত বাটতে তেওঁলোকে নাৰদক লগ পালে। ভাল-বেয়া কথা বাৰ্তা হ'ল। তেওঁলোকৰ উদ্দেশ্যটোও কলে আৰু জীৱনটোৰ কাৰণে নাৰদৰ পৰা বিদায় লৈ যাবলৈ ওলাই "অহা জনমত লগ পাম" বুলি ক'লে।

নাৰদে কিন্তু তেওঁলোকৰ কাৰ্যক ভাল বুলি নকলে। উৎসাহিত কৰিব নোৱাৰিলে তেওঁক। "এতিয়া মৰাৰ কথানে প্ৰতিশোধ লোৱাৰ সময়?"

নাৰদৰ কথামতে তেওঁলোকে পতি বৈৰীসকলক জীৱন্তে মৰাৰ মানসেৰে এটা পুখুৰী খান্দিলে। পুখুৰীৰ পাৰ সোণেৰে বন্ধোৱা হ'ল। বিভিন্ন ফুলগছো ৰোৱা হ'ল চাৰিও পাৰে। ফুল ফুলিলেই নাৰদে পূজাত বহি পাণ্ডৱৰ পৰাজয়ৰ উপায় দিব।

কথামতে কাম। যথা সময়ত ফুল ফুলিল। নাৰদ মুনি পূজাত বহিল। মন্ত্ৰৰ বলত শৰ-ধনু আদি অস্ত্ৰ-শস্ত্ৰও যোগাৰ কৰি পেলালে। "যোৱা পাণ্ডৱক বিনাশ কৰাগৈ।"

যুঁজলৈ পঠিয়াই দিলে তেওঁলোকক।

পাণ্ডৱসকল হতবাক হ'ল। যুঁজৰ কাৰণে তেওঁলোক সমূলি প্ৰস্তুত নাছিল। ফলত কৌৰৱ নাৰীৰ হাতত পাণ্ডৱৰ পৰাজয় হ'ল।

পৰাজিত পাণ্ডৱসকলে উপায়হীন হৈ কৃষ্ণক আৰাধনা কৰিবলৈ ধৰিলে। তেওঁলোকৰ ৰাজ্য যায় যায়। ইমানবোৰ মানুহৰ ত্যাগ, বীৰৰ বীৰত্ব, জীৱনতো কি কামত আহিল তেনেহলে?

কৃষ্ণই আহি তেওঁলোকক ককৰ্থনাহে কৰিলে। "তোমালোকে কৌৰৱ তিৰোতাসকলৰ সৈতে কিয় যুঁজিলা? সম্পৰ্কত কি হয় তোমালোকৰ? যি ক্ষেত্ৰত বোৱাৰীৰ মুখেই চাব নাপায় তেওঁলোক তোমালোকৰ বাই ভনী নহয়? তাৰোপৰি বৰমা-খুড়ীহঁত। বেয়া কাম কৰিলা।"

"তেওঁলোকেহে ফেপেৰি পাতি যুঁজিবলৈ আহিছিল। "উপায় নাই। এতিয়া যুঁজৰ উত্তৰ যুঁজেই হ'ব লাগিব। পাচ হুহকিব নোৱাৰি। দ্ৰৌপদী ৰুক্মিণী আদিক পঠিয়াই দিয়া।"

হাতত ধনু-কাড় লৈ পাণ্ডৱ পত্নীসকল যুঁজৰ থলি পালেগৈ। কৌৰৱ পত্নীসকলো আহিল। তয়াময়া ৰণ লাগিল। দুৰ্যোধনৰ জীয়েক লক্ষণাই একেপাত শৰেৰেই দ্ৰৌপদীক সাগৰৰ সিপাৰ কৰি পঠিয়ালে। অন্যান্য পাণ্ডৱ পত্নীসকলৰ খং উঠিল। তেওঁলোকে দুগুণ বীৰত্বৰে যুঁজত জপিয়াই পৰিল। দ্ৰৌপদীয়েও এসময়ত চেতনা পালে। তেঁৱো দুনাই আহি যুঁজত ধৰিলেহি। শৰাঘাতত দুয়ো পক্ষৰ অনেক হতাহত হ'ল। কোনো-কোনোৰ মৃত্যুও ঘটিল। কোনো কোনো উফৰি ৰণভূমিত পৰিলগৈ। দ্ৰৌপদীয়ে প্ৰায়সকল কৌৰৱ তিৰোতাকে শৰেৰে ৰত্নভূমিত পেলাবলৈ ধৰিলে। দুৰ্যোধনৰ কন্যাকো ভালকৈ এসেকা দি ৰত্ন ভূমিলৈ উফৰাই পঠিয়ালে।

কৌৰৱ স্ত্ৰীসকলে আকৌ নাৰদক আৰাধনা কৰিবলৈ লাগিল। নাৰদে তেওঁলোকক ৰত্নভূমিতে থাকি দেৱতাসকলক আৰাধনা কৰিবলৈ উপদেশ দিলে।

কামৰূপৰ চাৰি পীঠৰ ভিতৰত সৌমাৰপীঠত অৱস্থিত ৰত্নভূমি এখন পৱিত্ৰ তীৰ্থস্থান। তেজপুৰৰ উজনিৰ ভৰলু বা ভৈৰৱী নদীৰ পৰা শদিয়াৰ কিৰুৰমিনী পৰ্যন্ত সৌমাৰ পীঠ। সেই সৌমাৰ পুঠৰ হীৰককুট নামে পৰ্বতৰ দক্ষিণে আৰু স্বৰ্ণাদিৰ উত্তৰে থকা বিহংগ্ৰাদি পৰ্বতৰ টিঙত ৰত্নভূমি অৱস্থিত। ৰত্নভূমি প্ৰকৃতিৰ বিতোপন ক্ৰীড়া ভূমিও। প্ৰকৃতিৰ অনুপম শোভা চাই প্ৰকৃতিৰ অধিপতি তথা বিশ্বব্ৰহ্মাণ্ডৰ অনন্ত শক্তিক চিন্তা কৰিবলৈ ৰত্নভূমিতকৈ উত্তম স্থান সম্ভৱ বিশ্বব্ৰহ্মাণ্ডতে নাই। পূৰ্বকালত আৰ্য ঋষিমুনিসকলৰ বহুতেই ৰত্নভূমিৰ অনেক স্থানত তপস্যা কৰিবলৈ আহিছিল। সিদ্ধি লাভো কৰিছিল তেওঁলোকে। বশিষ্ঠ মুনিয়ো আহিছিল।

আকাশত বিচৰণ কৰি ফুৰোতে এদিন দেৱৰাজ ইন্দ্ৰৰ চকুত পৰিল ৰত্নভূমিৰ অপৰূপ ৰূপ সৌন্দৰ্য। তেওঁ অতি সোনকালে শচী সহিত ফুলাম ৰত্নভূমি পালেহি। লগত সৰগৰ অন্যান্য অপেশ্বৰীসকল। ৰত্নভূমিৰ শোভা দেখি দেৱীসকল বিমোহিত হৈ পৰিল। দুখ-বিষাদ যেন একো নাই। কেৱল প্ৰশংসা সুখ আৰু হৰ্ষহে ৰত্নভূমিত। অতি উৎসাহেৰে অপেশ্বৰীসকল ৰং-ৰহস্যত মছগুল হৈ পৰিল। লগতে ইন্দ্ৰ দেৱতাও।

সেই সময়তে বশিষ্ঠ মুনিৰ আগমন। তপস্যাৰ অন্তত মুনি পৰ্বতৰ গুহাৰ পৰা ওলাই আহোতেই অকস্মাৎ ইন্দ্ৰৰ ওপৰত চকু পৰিল। তেওঁ ফুলনিৰ মাজত শচীৰ লগত প্ৰেমত মগন। ৰত্নভূমিত এয়া কি ব্যাভিচাৰ? মুনি নিতান্ত কুপিত হ'ল। তেওঁ ইন্দ্ৰক শাপ দিলে। "মানৱীত পতিত হ'বি তই।"

শচীদেৱীয়ে নানা অনুনয় বিনয় কৰিলে যদিও কোনো কামত নাহিল।

বিক্ষোভ-বিতুষ্টিৰে ভৰা মন এটাৰে বশিষ্ঠ মুনি ৰত্নভূমি ত্যাগ কৰি গুছি গ'ল। তেওঁ কোনোদিন ৰত্নভূমিত ভৰি

নিদিয়েহি। সেই সংকল্পৰে ৰত্নপীঠৰ ঈশান কোণত থকা নীলাচল পৰ্বত পালেগৈ আৰু নীলাচল পৰ্বততে নতুন এখন আশ্ৰয় পাতি তপ-জপ-ধ্যান-তপস্যাৰ মাজেৰে জীৱন কটাবলৈ লাগিল।

ইপিনে চাই থাকোতেই মুনিৰ শাপত তাপিত ইন্দ্ৰৰ সুন্দৰ চেহেৰাৰ অদ্ভুত পৰিৱৰ্তন ঘটিল। তেওঁৰ সুগঠিত শৰীৰে দৈত্যকাৰে ৰূপ ধাৰণ কৰিলে।

শচীদেৱী আৰু তেওঁ সখী অপেশ্বৰীসকল শোকত ব্যাকুল হ'ল।

ইন্দ্ৰই তেওঁলোকক শাপ মুক্তি হোৱালৈকে ধৈৰ্য্য ধৰিবলৈ কৈ স্বৰ্গলৈ পঠিয়াই দিলে।

কি বিধিৰ বিপাক। ৰত্নভুমিত থকা ধৃতৰাষ্ট্ৰৰ পত্নী কংকতীৰ এদিন ইন্দ্ৰদেৱতাৰ সৈতে দেখা সাক্ষাৎ হ'ল। তেওঁৰ ভয়ংকৰ ৰূপে কংকতীক ভৰাই তুলিলে। "তুমি মানুহ নে দৈত্য?"

"বশিষ্ঠ মুনিয়ে মোক ম্লেচ শৰীৰ ধৰিবলৈ শাপ দিছে।" ইন্দ্ৰ দেৱতাই কংকতীক সকলো ভাঙি-পাতি কলে। কংকতীৰ বেয়া লাগিল। তেওঁৰ জীৱনতো কম দুখ নাই!

ইন্দ্ৰ দেৱতাই কংকতীক পত্নী ৰূপে বৰণ কৰিলে। কিছু কাল দুয়ো পতি-পত্নী ৰূপে জীৱন-যাপন কৰি আছিল। কালক্ৰমত (চাৰিশ একচল্লিশ শকত) তেওঁলোকৰ এটি পুত্ৰ সন্তান জন্ম হ'ল আকুঞ্চিত কেশ। সিংহবন্ধ গ্ৰীবা। ওভতা লোম। হস্তপদ আৰু চকুও ৰক্তবৰ্ণৰ।

দেৱতাসকলে হৰ্ষ কৰি স্বৰ্গত অনেক বাদ্য বজালে গন্ধৰ্ব সকলেও গান গালে। দশোদিশে প্ৰকাশ হৈ পৰিল। সৰোবৰ বিলাকেও নিৰ্মল ৰূপ ধাৰণ কৰিলে। উপযুক্ত পিতৃৰ উপযুক্ত সন্তান। তেওঁলোকে ইন্দ্ৰ পুত্ৰৰ নাম ৰাখিলে খেনখাম। খেনখামৰ জন্মৰ লগে লগে ইন্দ্ৰও শাপমুক্ত হ'ল। কম আশ্চৰ্যজনক কথা!

সোনোৱালী জীনেৰে ঢকা পক্ষীৰাজ ঘোঁৰাত উঠি এদিন এবেলাৰ অন্তত লেংচেঙ খেনখামৰ ৰাজ্য পালেগৈ।

খেনখাম সেই সময়ত স্বৰ্গত থকা অন্য এখন ৰাজ্যত ৰজা হৈ তেওঁ তেতিয়া আঁঠখলপীয়া সিংহাসনত বহি ৰাজকাৰ্য চলাই আছিল। আটাইতকৈ ডাঙৰ দুজনা কোঁৱৰ খুনলুঙ আৰু খুনলায়ো আছিল তেওঁৰ লগত। আৰু ওঠৰ জনা কুৰ্ৱৰীও। বাকী আঠানৈজন কোৱঁৰক ইতিমধ্যে নিজ ৰাজ্যৰ ভিতৰতে থকা বিভিন্ন পৰ্বতত ৰজা পাতি ৰাজ কাৰ্যত লগাই পেলাইছিল খেনখামে।

লেংচেঙে লৈ যোৱা পত্ৰ পঢ়ি খেনখাম গম্ভীৰ হৈ পৰিল। তেওঁ পৃথিৱীত ৰজা হ'বলৈ নাযায়। স্বৰ্গ ৰাজ্যতে থাকিব। লেংডনৰ প্ৰস্তাৱ অগ্ৰাহ্য কৰিলে। তথাপি যদি লেংডনে বিচাৰে তেনে তেওঁৰ পুত্ৰদ্বয় খুনলুঙ আৰু খুনলাইক সুধি চাব পাৰে। তেওঁলোক গলে যাওক। তেওঁৰ কোনো আপত্তি নাই। লেংডনৰো কোনো আপত্তি নাছিল।

দেৱসভায়ো খেনখামৰ আপত্তিক গুৰুত্ব দি খুনলুঙ-খুনলাইকে পৃথিৱীলৈ পঠিয়াবলৈ সিদ্ধান্ত কৰিলে। নিৰ্দিষ্ট দিনত খুনলুঙ খুনলাই পৃথিৱীলৈ আহিবলৈ ওলাল। ইতিমধ্যে খুনলুঙ-খুনলাইক পৃথিৱীলৈ পঠোৱাৰ সকলো বন্দবস্ত হৈ গৈছিল। যাতায়াতৰ সুবিধাৰ্থে স্বৰ্গৰ দঁতাল হাতী এটা। মহামায়াৰ মুৰ্তি চোমদেউ। এযোৰ বিশিষ্ট গুণ সম্পন্ন ঢাক-ঢোল। বৰষুণ নহ'লে সময়ত বজাই দিলেই বৰষুণ হ'ব। বেছি বৰষুণ হ'লে খৰ মাৰিব, শত্ৰু নাশো। ৰাজ্যৰ বল শক্তি আৰু ভৱিষ্যত গণনা কৰিবলৈ কাইছেং মুঙ নামৰ এজনী কুকুৰা অন্যান্য মিত্ৰ-বন্ধুৰ আৰু বস্তুৰ লগতে পুফিচুফো নামৰ অৰণ্যৰ দেৱতা এজনো তেওঁ অৰণ্যৰ মাজৰ এজোপা ডাঙৰ ৰুংৰাই গছত বহি ৰাজ্যখনৰ অৰণ্যবোৰ শাসন কৰিলে।

লেংডনেও খুনলুঙ-খুনলাইক হেংদান এখন দি আশীৰ্বাদ দি ক'লে, "তোমালোক মহান দেৱতা খেনখামৰ সন্তান। পৃথিৱীত ৰজা হৈ বিজ্ঞতাৰে কাম কৰিবা। পূৱা ধৰ্ম বিষয়ক পূজা-সেৱা কৰিবা। ন্যায় পথত চলিবা। সুমধুৰ কথাৰে মানুহৰ মন জয় কৰিবলৈ চেষ্টা কৰিবা। এই হেংদানখন সিংহাসনৰ আওজা খুটাত বান্ধি থবা। যদি কোনোবা দ্ৰোহীয়াই দ্ৰোহ কৰে ধৰি আনি সেৱা কৰাবা। আৰু যদি হেংদানখন নিজে নিজে সেই দ্ৰোহীয়াৰ ফালে মোৰ লৈ ঘূৰে সেই দ্ৰোহীয়া ক্ষমাৰ যোগ্য নহয়। তাক কাটিহে এৰিবা। অযথা কটা মৰা নকৰিবা।"

জ্ঞাতীবৰ্গ সহিত খুনলুঙ-খুনলাই সোণৰ জখলাৰে বায়ু বেগেৰে পৃথিৱীলৈ নামি আহিল। তেওঁলোক মুং-ৰি-মুং-ৰাম অৰ্থাৎ মানুহ নথকা দেশ এখন পালেহি। বৰ্তমান চীন দেশৰ য়ুনান প্ৰদেশৰ দক্ষিণ পশ্চিমৰ কিছু অংশ ওপৰ বাৰ্মা আৰু থাইলেণ্ডৰ কিছু সামৰি যি দেশ সিয়ে মুং-ৰি-মুং-ৰাম। সেই মুং-ৰি-মুং-ৰামতে এদিন আয়ুবৰ আৰু বাটবৰ থাপি খনলুঙ ৰজা হ'ল আৰু খুনলাই যুৱৰাজ।



# ১৯১২ চনৰ টাইটানিকৰ ভয়ানক যাত্ৰা

**দীপশিখা শৰ্মা**
স্নাতক দ্বিতীয় বৰ্ষ ঃ চতুৰ্থ ষান্মাষিক
অসমীয়া বিভাগ

বৰ্তমানলৈকে পৃথিৱীত যিমানবোৰ জাহাজ নিৰ্মাণ হৈছে, সকলোবোৰ জাহাজৰ ভিতৰতেই বিখ্যাত জাহাজখনেই কিজানি "টাইটানিক" জাহাজখন। তাৰ প্ৰথম কাৰণ হ'ল জাহাজখন নিৰ্মাণৰ সময়লৈ অৰ্থাৎ ১৯১২ চনলৈ এইখনেই সকলোতকৈ বেছি ওজনৰ জাহাজ আছিল। বিগত বছৰত টাইটানিকৰ জন্মৰ এশ বছৰ পূৰ্ণ হৈ গ'ল। ইয়াৰ ওজন আছিৰ ৪৬,২৩২ টন, দৈৰ্ঘ্য ৮৮২ ফুট ৯ ইঞ্চি, প্ৰস্থ ৯২ ফুট ৬ ইঞ্চি আৰু উচ্চতা ১৭৫ ফুট। জাহাজখনত ডেকৰ সংখ্যা আছিল ন। সৰ্বোচ্চ গতিবেগ ২৩ নট (ঘণ্টাত ৪৩ কিঃমিঃ) জাহাজখনৰ বিভিন্ন অংশ আগুৰি দিবৰ বাবে ৩৫ লাখ কবজা ব্যৱহাৰ হৈছিল। ইয়াক নিৰ্মাণৰ বাবে ২০০০ দক্ষ কাৰিকৰে অবিৰাম পৰিশ্ৰম কৰি ১৯১১ চনৰ ৩১ মে' তাৰিখে জাহাজখন যাত্ৰাৰ বাবে প্ৰস্তুত কৰি তোলে। এই জাহাজখন নিৰ্মাণৰ বাবে ব্যয় হৈছিল তেতিয়াৰ দিনৰে ১০৫ মিলিয়ন পাউণ্ড।

টাইটানিক জাহাজখন সম্পৰ্কত আৰু প্ৰকাশিত হৈছে সেয়া হ'ল ই সাগৰৰ পানী কাটি আগুৱাই যাব পৰা ডাঙৰ আকাৰ প্ৰপেলাৰ আছিল।

১৯১২ চনৰ পাছত ইয়াতকৈও ডাঙৰ জাহাজ নিৰ্মিত হৈছে ঠিকেই, কিন্তু টাইটানিকৰ দৰে প্ৰচাৰ হোৱা নাই। জাহাজখন বিখ্যাত হোৱাৰ দ্বিতীয়টো কাৰণ হ'ল পৃথিৱীত জাহাজ নিৰ্মাণৰ ইতিহাসত এইখনেই একমাত্ৰ জাহাজ যিখনে প্ৰথম সমুদ্ৰ যাত্ৰাতেই বিপৰ্যয়ৰ সন্মুখীন হৈছে আৰু সম্পূৰ্ণৰূপে ধ্বংস হৈছে। তৃতীয় কাৰণটো হ'ল এই বিপৰ্যয়ক লৈ "টাইটানিক" নামৰ যিখন ইংৰাজী কথাছবি নিৰ্মিত হৈছে সেইখন বিশ্বৰ

পাতিদৰং মহাবিদ্যালয় আলোচনী

সকলোতকৈ প্ৰদৰ্শিত হৈছিল আৰু খুব কমেই মানুহ আছে চিনেমাৰ পৰ্দাত জাহাজখনৰ বিপৰ্যয় দেখি শিয়ৰি উঠা নাই।

১৯১২ চনৰ ১১ এপ্ৰিলত টাইটানিকে লণ্ডণৰ চাউদাযাটন বন্দৰৰ পৰা আটলাণ্টিক মহাসাগৰৰ মাজেদি নিউইয়ৰ্ক উদ্দেশ্যে যাত্ৰা আৰম্ভ কৰে। কিন্তু ১৪ এপ্ৰিলৰ ৰাতিয়েই আটলাণ্টিক মহাসাগৰৰ হিমশৈলীৰ সতে খুন্দা খাই জাহাজখন সমুদ্ৰত ডুব যায়।

**টাইটানিকৰ যাত্ৰা ঃ** ১৯১২ চনৰ ১০ এপ্ৰিলত টাইটানিক চাউদমাটল বন্দৰৰ পৰা যাত্ৰা আৰম্ভ কৰে। গন্তব্য নিউইয়ৰ্ক। যাত্ৰা পথত জাহাজখনে চেৰবৰ্গ, ফ্ৰান্স আৰু বুইঞ্চলেণ্ড চুই যাব। কৰ্মী সংখ্যা আৰু যাত্ৰী মিলি জাহাজখনত সিদিনা আৰোহণ কৰিছিল ২২১৪ জন। ইয়াৰ ভিতৰত ১২৯৬ জন যাত্ৰী আৰু ৯১৮ জন জাহাজ কৰ্মী। যাত্ৰীসকলৰ ভিতৰত ৪১৬ জন মহিলা, ৭৬৮ জন পুৰুষ আৰু শিশু সকলৰ সংখ্যা আছিল ১১২ জন। যাত্ৰীসকলৰ লগত পোহনীয়া কুকুৰ আছিল ১২ টা। যাত্ৰীসকলৰ বহুতেই টাইটানিকৰ প্ৰচাৰত আকৃষ্ট হৈ ইয়াৰ প্ৰথম যাত্ৰাত অংশ ল'ব বিচাৰিছিল। ১৩ হাল নৱ দম্পতীয়ে ফুলশয্যা কটাবৰ বাবে টাইটানিকতে গৈছিল।

যাত্ৰাৰ প্ৰথম তিনিদিন খুব ভালদৰে অতিবাহিত হ'ল। আটলাণ্টিক শান্ত। যাত্ৰীসকলে সুন্দৰ যাত্ৰা উপভোগ কৰিছে। তেওঁলোক আমোদ আনন্দত মতলীয়া। ১৪ এপ্ৰিল তাৰিখে জাহাজৰ কণ্ট্ৰোল ৰুমৰ বেতাৰে সাৱধান কৰি দিলে যে যি পথেৰে টাইটানিক আগুবাইছে সেই পথত সাগৰৰ তলেৰে প্ৰচুৰ হিমশৈলী বিয়পি আছে। ১৪ এপ্ৰিল ৰাতি ১১-৪০ মিনিটত কণ্ট্ৰোল ৰুমক সতৰ্ক কৰি দিয়া হয় যে সন্মুখত প্ৰকাণ্ড হিমশৈলী। খবৰ পোৱাৰ লগে লগে কৰ্মীসকলে জাহাদৰ দিশ পৰিৱৰ্তনৰ চেষ্টা কৰে। জাহাজ বাওঁ পিনেৰে ঘুৰাই তেওঁলোকে চেষ্টা কৰিলে ওলোটা পথে চলাই নিবলৈ। কিন্তু বিপুল আয়তনৰ আৰু ওজনৰ জাহাজখন পিছুৱাই নিয়া সম্ভৱ নহ'ল। হিমশৈলীৰ সতে প্ৰচণ্ড সংঘৰ্ষত জাহাজখন কঁপি উঠে। ১৫ এপ্ৰিল ৰাতিপুৱা ১২-০৫ মিনিটত জাহাজৰ পৰা যাত্ৰা অপসাৰণৰ নিৰ্দেশ দিয়ে। জাহাজৰ পৰা বাৰ্তা প্ৰেৰণ কৰা ৰেডিঅ' মাৰফৎ আৰম্ভ হয় - CRD- (Came quick Danger) SOS (Save Our Souls)

১৫ এপ্ৰিলৰ নিশা ১২-১৫ মিনিটত কেপ্তেইনে নিৰ্দেশ দিয়ে যে লাইফ বোটত যাত্ৰী বোজাই কৰা হওক। প্ৰথমতে মহিলা আৰু শিশুসকলক তুলি নিয়া হওক। ৰাতিপুৱা ২-০৫ মিনিটত জাহাজত ১৫০০ জন যাত্ৰী ৰাখি শেষ উদ্ধাৰকাৰী নাওখন টাইটানিক এৰি যায়। প্ৰায় ২২০০ আৰোহীৰ মাজত ৭১১ জনক উদ্ধাৰকাৰী নাওত তুলি নিয়া সম্ভৱ হয়। ৰাতিপুৱা ২-১০ মিনিটত জাহাজখন সম্পূৰ্ণভাবে ডুব যায়। প্ৰথম যাত্ৰাতেই বিশ্বৰ আধুনিকতম জাহাজখন ডুবি গ'ল।

*টাইটানিকে ডুবি যোৱাৰ কিছুদিনৰ ভিতৰত আৰম্ভ হয় পানীৰ তলত টাইটানিকৰ অৱস্থান নিৰ্ণয় আৰু ইয়াৰ ধ্বংসাৱশেষ উদ্ধাৰ কৰা। ১৯৮৫ ত ড° ৰবাৰ্ট ব্যানাৰ্ডৰ নেতৃত্বত এটি দলে (ফৰাচী আমেৰিকান দল) টাইটানিকৰ অৱস্থান নিৰ্ণয় কৰিবলৈ সক্ষম হয়। দেখা যায় ই আটলাণ্টিক মহাসাগৰৰ ভূ-পৃষ্ঠৰ পৰা ৩৮০০ মিটাৰ তলত আছে আৰু ইয়াৰ ভগ্নাৱশেষ দুটাৰ মাজত দূৰত্ব হ'ল ৬০০ মিটাৰ*

টাইটানিক ডুবি যোৱাৰ কিছুদিনৰ ভিতৰত আৰম্ভ হয় পানীৰ তলত টাইটানিকৰ অৱস্থান নিৰ্ণয় আৰু ইয়াৰ ধ্বংসাৱশেষ উদ্ধাৰ কৰা। ১৯৮৫ ত ড° ৰবাৰ্ট ব্যানাৰ্ডৰ নেতৃত্বত এটি দলে (ফৰাচী আমেৰিকান দল) টাইটানিকৰ অৱস্থান নিৰ্ণয় কৰিবলৈ সক্ষম হয়। দেখা যায় ই আটলাণ্টিক মহাসাগৰৰ ভূ-পৃষ্ঠৰ পৰা ৩৮০০ মিটাৰ তলত আছে আৰু ইয়াৰ ভগ্নাৱশেষ দুটাৰ মাজত দূৰত্ব হ'ল ৬০০ মিটাৰ।

১৯৯৮ চনত প্ৰথম টুৰিষ্ট দলে টাইটানিক ডুবি যোৱা

পাতিদৰং মহাবিদ্যালয় আলোচনী

অঞ্চলটো পৰিদৰ্শন কৰে। ১৯৮৭ চনৰ পাছৰ পৰা বৰ্তমানলৈ সাতবাৰ অভযাত্ৰী দলে টাইটানিক পৰিদৰ্শন কৰিছে আৰু এতিয়ালৈ ৬০০ ৰো অধিক সামগ্ৰী উদ্ধাৰ কৰা হৈছে।

টাইটানিক জাহাজৰ পৰা যেতিয়া যাত্ৰী আঁতৰোৱা আৰম্ভ হয়, তেতিয়া জাহাজৰ ব্যাণ্ড দলটিয়ে জাহাজৰ ডেকত থিয় হৈ বিদায়ী সংগীত বজাবলৈ আৰম্ভ কৰিছিল। আঠজনৰ এই দলটোক নেতৃত্ব দিছিল বেহেলাবাদক ওৱালেশ হাৰ্টলে। বেহেলাখন হেনো তেওঁৰ বুকুৰ স'তে বন্ধা আছিল। সম্প্ৰতি এই বেহেলাখন পানীৰ তলৰ পৰা উদ্ধাৰ কৰা হৈছে। বেহেলাখনৰ ওপৰত WWH খোদাই দেখি সন্দেহাতীতভাৱে প্ৰমাণিত হৈছে যে সেইখন ওৱালেশৰেই বেহেলা। টাইটানিক সম্পৰ্কে বিশাৰদ ষ্টিভ টাৰ্নাৰে তাকেই দাবী কৰিছে। বেহেলাখন উদ্ধাৰ কৰাৰ পাছত ওৱালেশৰ প্ৰেয়সী মাৰিয়া ৰবিনচনলৈ সেইখন পঠিয়াই দিয়া হয়। ওৱালেশৰ মৃতদেহ কবৰ দিয়া হয় তেওঁৰ মাতৃভূমি ফ্ৰান্সৰ কোলন চহৰত। মাথো ২০ বছৰ বয়সতে ফ্ৰান্সৰ পৰা ভাগ্যান্বেষণত লণ্ডনৰ ইয়ৰ্ক চায়াৰলৈ তেওঁ গুচি আহে আৰু নিজস্ব এটি ব্যাণ্ড গঢ়ি তোলে। টাইটানিকৰ সমুদ্ৰ যাত্ৰাত জাহাজৰ ব্যাণ্ড পৰিচালনাৰ দায়িত্ব পায় তেওঁৰ দলটোৱে।

**টাইটানিকৰ সমুদ্ৰ যাত্ৰাৰ কেপ্তেইন ঃ** সমুদ্ৰ যাত্ৰাৰ অভিজ্ঞ কেপ্তেন ৬২ বছৰ বয়সীয়া এডওৱাৰ্ড স্মিথ আছিল টাইটানিকৰ কেপ্তেন। এইটোৱেই আছিল তেওঁৰ শেষ সমুদ্ৰ যাত্ৰা। এই সমুদ্ৰ যাত্ৰাৰ পাছত তেওঁ কৰ্ম জীৱনৰ পৰা অৱসৰ ল'ব বুলি আগতেই ঘোষণা কৰিছিল। টাইটানিক সম্পৰ্কে আৰু এটা তথ্য পোহৰলৈ আহিছে। টাইটানিকৰ সতে হিমশৈলীৰ যি মুহূৰ্তত সংঘৰ্ষ হয়, সেই সময়ত কেপ্তেন স্মিথ তেওঁৰ কেবিনত নাছিল। অন্যান্য যাত্ৰীসকলৰ সতে পান-ভোজনত তেওঁ ব্যস্ত আছিল আৰু নৃত্য উপভোগ কৰিছিল। কেপ্তেন যদি সেই সময়ত তেঁওৰ কক্ষত থাকিলহেঁতেন আৰু নিশা হিমশৈলীৰ সম্পৰ্কীয় সতৰ্কবাণী অনুধাৱন কৰিলেহেঁতেন এই বিপদৰ পৰা কিজানি হাত সাৰিবলৈ সম্ভৱ হ'লহেঁতেন।

টাইটানিকৰ পাছত বহুতো ডাঙৰ জাহাজ নিৰ্মাণ হৈছে। বৰ্তমান সাগৰত চলাচল কৰা বৃহত্তম জাহাজখনৰ নাম 'Sllure of the Seas'। ইয়াৰ দৈৰ্ঘ্য ১১৮৪ ফুট। ওজন ২,২৫০০০০ টন। জাহাজৰ কৰ্মী সংখ্যা হ'ল ২০৮৫। নিৰ্মিত হৈছে ১ বিলিয়ন পাউণ্ড ব্যয় কৰি। নিৰ্মাণ কৰিছে 'Carilbean International' সংস্থাই। টাইটানিকে যেনেধৰণে স্বীকৃতি পাই আহিছে অন্য কোনো জাহাজৰ ক্ষেত্ৰতে হয়তো সম্ভৱ নহয়। ইতিহাসৰ পাতত সদায় টাইটানিকৰ এই ভয়ানক সমুদ্ৰ যাত্ৰাৰ কথা সদায় জিলিকি থাকিব।

## এখন কিতাপ বহুতো ধাতুৰ আকৰ

* জপাই থোৱা এখন কিতাপ কাগজৰ দ'ম মাথোন।
* যিকোনো দুৰ্যোগৰ মাজত কেৱল কিতাপেহে এটা জাতিক জীয়াই থকাৰ প্ৰেৰণা যোগাব পাৰে।

— সমীৰ তাঁতী

* এজন মানুহক, এটা দিনক, এটা ৰাতিৰ একোখন মহৎ গ্ৰন্থ বুলি বিবেচনা কৰিবা।

— ভবেন্দ্ৰ নাথ শইকীয়া।

* সাহিত্য আত্মাৰ বস্তু, অকল আত্ম প্ৰকাশেই নহয় ই আত্মাৰো প্ৰকাশ।

— মহিম বৰা

* কিতাপ পঢ়াৰ উদ্দেশ্য হৈছে আমাৰ সংস্কৃতিৰ নিজস্ব ৰূপটো ৰক্ষা কৰা। সেইবাবে ল'ৰা-ছোৱালীয়ে কম বয়সৰ পৰা কিতাপ পঢ়া অভ্যাস আয়ত্ত কৰিব লাগে।

— ৰাম গোস্বামী

* আজৰি সময় কটোৱাৰ আটাইতকৈ লাভদায়ক আৰু আনন্দদায়ক উপায় হ'ল কিতাপ পঢ়া।

— হোমেন বৰগোহাঞি





# অসমত লোক-সংস্কৃতিৰ চিন্তা-চৰ্চা

দিলীপ কুমাৰ ডেকা
প্ৰাক্তন ছাত্ৰ

লোক সংস্কৃতি (Folklore) মানৱ জাতিৰ সমানেই পুৰণি। এই সংস্কৃতিৰ অন্যতম অংগ লোক কথা সংগ্ৰহৰ সফল প্ৰচেষ্টা যদিও খৃঃপূঃ ৫ম-৬ষ্ঠ শতিকাৰ পৰাই আৰম্ভ হৈছিল, তত্ৰাচ ইয়াৰ বিজ্ঞান সন্মত চিন্তা-চৰ্চা আৰু বিচাৰ-বিশ্লেষণ আৰম্ভ হৈছিল খৃঃ ১৯ শতিকাৰ পৰাহে। লোক সংস্কৃতিৰ চিন্তা-চৰ্চাৰ বাবে প্ৰয়োজনীয় ক্ষেত্ৰ সমল। গতিকে ক্ষেত্ৰলৈ গৈ মানুহৰ মুখ পৰম্পৰা প্ৰচলিত গীত-পদ, কাহিনী-প্ৰবচন, যোজনা আদিৰ সংগ্ৰহ কৰিব নোৱাৰিলে লোকবিদ্যা বা লোক সংস্কৃতিৰ পৰিপূৰ্ণ চিন্তা-চৰ্চা হ'ব নোৱাৰে।

লোক সংস্কৃতিৰ চিন্তা-চৰ্চাৰ বাটকটীয়া স্বৰূপে তাৎপৰ্যপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল প্ৰশাসনীয় বিষয়া অৰ্থাৎ Civil Service of Officer হিচাপে এই দেশলৈ অহা বৃটিছ সকল আৰু খৃষ্টধৰ্ম প্ৰচাৰ কৰিবলৈ অহা ইউৰোপীয় মিছনাৰী বা পাদুৰী চাহাবসকলে। খৃঃপূঃ ঊনবিংশ শতিকাৰ দ্বিতীয়াৰ্ধত পাশ্চাত্যৰ পণ্ডিতসকলে দূৰ অতীতৰ পৰা উপলব্ধি কৰিব পাৰিছিল যে, ভাৰতবৰ্ষ বিশেষকৈ পূৰাণ কথা আৰু সাধুকথাৰ ক্ষেত্ৰত অতিকে চহকী। আনকি জাৰ্মান পণ্ডিত থিয়ডৰ বেনিফি -এ (Theodar Benfey) যুক্তসহ প্ৰমাণ কৰিবলৈ প্ৰয়াস কৰিছিল যে, ভাৰতবৰ্ষই লোককথাৰ জন্ম নীড় আৰু ভাৰতবৰ্ষৰ পৰাই এচিয়া আৰু ইউৰোপৰ বিভিন্ন অঞ্চলত এই লোককথা সমূহ প্ৰসাৰিত হৈছে। এই মতবাদৰ নামেই ভাৰতবাদীত্ব বা Indianist Theory।

বৃটিছ প্ৰশাসনিক বিষয়াসকলে ভাৰতীয় ক্ষেত্ৰ সমলৰ

ওপৰত নিৰ্ভৰ কৰি সংকলন আৰু সম্পাদন কৰা গ্ৰন্থসমূহৰ বেছি ভাগেই পাণ্ডিত্যপূৰ্ণ। অৱশ্যে দুই-এখন এই জাতীয় গ্ৰন্থই পদ্ধতিৰ ক্ষেত্ৰত পৰিপূৰ্ণতা দাবী কৰিব নোৱাৰিলেও তেওঁলোকৰ প্ৰচেষ্টাই ভাৰতীয় লোক সংস্কৃতিৰ অধ্যয়নত মূল্যবান অৰিহণা আগ নবঢ়োৱাকৈ থকা নাই। বৃটিছ প্ৰশাসনিক বিষয়াসকলৰ পিছতে ভাৰতীয় লোক-সংস্কৃতিৰ অধ্যয়নত খৃষ্টধৰ্ম প্ৰচাৰ কৰিবলৈ অহা পাদুৰী চাহাবসকলে তাৎপৰ্যপূৰ্ণ অৱদান আগবঢ়াইছে।

ভাৰতীয় লোক সংস্কৃতিৰ নিচিনাকৈ অসমৰ লোক সংস্কৃতিক সমল সংগ্ৰহ, বিচাৰ-বিশ্লেষণ আৰু সম্পাদন শুভাৰম্ভণি সূচাইছিল বৃটিছ প্ৰশাসনিক বিষয়া আৰু পাদুৰী চাহাবসকলে। তেওঁলোকৰ আৰ্হিৰদ্বাৰা অনুপ্ৰাণিত হৈ অসমীয়া শিক্ষিত ডেকা সকলৰ মাজৰ দুই-চাৰিজনে অসমৰ লোক সংস্কৃতিক সমল সংগ্ৰহ কৰিছিল আৰু সেইবোৰ সম্পাদনা কৰি ছপাইছিল। ১৯৭০ চনৰ পৰা ১৯৯৫-৯৬ চনলৈকে এই একুৰি পাঁচ বছৰ যথাৰ্থতে অসমৰ লোক-সংস্কৃতিৰ বিজ্ঞান সন্মত অধ্যয়নৰ প্ৰসংগত তাৎপৰ্যপূৰ্ণ কাল।

ইয়াৰ অন্যতম অৱদান হ'ল— 'অসম জনকৃষ্টি সমাজ' গঠন আৰু গুৱাহাটী বিশ্ববিদ্যালয়ত লোক সংস্কৃতি গৱেষণা বিভাগ স্থাপন। ড° প্ৰফুল্লদত্ত গোস্বামীৰ বৰ্হিপ্ৰকাশ স্বৰূপ 'অসম জনকৃষ্টি সমাজ'ৰ মূল লক্ষ্য তাহানিৰ অসম আৰু বৰ্তমানৰ ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলত জনকৃষ্টি বা লোক সংস্কৃতিৰ অধ্যয়ন আৰু গৱেষণাৰ অভিলষিত পৰিবেশ নিৰ্মাণ। বিশ্বৰ বিভিন্ন অঞ্চলতো লোকসংস্কৃতি বা লোকবিদ্যাৰ চিন্তা-চৰ্চা, বিস্তাৰণ প্ৰসাৰণ আদিৰ প্ৰতি লক্ষ্য ৰাখি বিভিন্ন অনুষ্ঠান স্থাপন কৰা হৈছিল। এনে ধৰণৰ অনুষ্ঠান সমূহৰ ভিতৰত ফিনলেণ্ডৰ "ফিন্নিছ লিটাৰেছাৰ ছোছাইটি", লণ্ডনৰ "ফোকল'ৰ ছোছাইটি অব লণ্ডন Folklore Society of Landon or English Folklore Society", আমেৰিকাৰ "আমেৰিকান ফোকল'ৰ ছোছাইটি American Folklore Society" আদি উল্লেখযোগ্য। জনকৃষ্টিৰ সাৰুৱা ভূমি স্বৰূপ অসমৰ লোক সংস্কৃতিক সমলৰাজি সংগ্ৰহ, বিচাৰ-বিশ্লেষণ, অধ্যয়ন-গৱেষণা, সম্পাদন-প্ৰকাশন আদি উদ্দেশ্য আগত ৰাখি গুৱাহাটীত "অসম জনকৃষ্টি সমাজ" নামৰ অনুষ্ঠানটিত কেইগৰাকীমান পণ্ডিত-গৱেষকৰ চেষ্টা-প্ৰচেষ্টাত ১৯৬৯ চনৰ ৫ জুলাই তাৰিখে গুৱাহাটীত স্থাপিত হয়। ১৯৭০ চনত অসম চৰকাৰৰ অধীনত অসম জনকৃষ্টি সমাজ পঞ্জীভূত হয়। এই কালছোৱাত কেইবাগৰাকী বিশিষ্ট পণ্ডিতে বিভিন্ন সময়ত লোক সংস্কৃতি বিষয়ক কেইবাটিও বক্তৃতা প্ৰদান কৰিছিল। এই অনুষ্ঠানৰ প্ৰথম সভাপতি আছিল ড° প্ৰফুল্লদত্ত গোস্বামী। ইংলণ্ড, আমেৰিকাৰ লোকবিদ্যা বা জনকৃষ্টিৰ অধ্যয়নৰ প্ৰতি বিদ্বৎ সমাজৰ মন আকৰ্ষণ কৰিবলৈ সক্ষম হোৱাৰ নিচিনাকৈ "অসম জনকৃষ্টি সমাজে"য়ো অন্ততঃ এদল শিক্ষিত ডেকা আৰু পণ্ডিতক জনকৃষ্টিৰ পদ্ধতিগত অধ্যয়ন আৰু বিচাৰ-বিশ্লেষণৰ প্ৰসংগত অনুপ্ৰেৰণা যোগাবলৈ সক্ষম হৈছে।

ড° বিৰিঞ্চি কুমাৰ বৰুৱাই গুৱাহাটী বিশ্ববিদ্যালয়ত লোক-সংস্কৃতি গৱেষণা বিভাগ প্ৰতিষ্ঠানৰ সংযোগত ১৯৭২ চনত সমল সংগ্ৰহ, বিচাৰ-বিশ্লেষণ আৰু অধ্যয়ন-গৱেষণাৰ অভিনৱ যুগৰ সূচনা কৰে। বৰ্তমান লোক-সংস্কৃতি গৱেষণা বিভাগটো সংৰক্ষণাগাৰ পৰিকল্পনাৰ এক তাৎপৰ্যপূৰ্ণ চাক্ষুষ অভিব্যক্তি। বিশ্ববিদ্যালয় অনুদান আয়োগ আৰু অসম চৰকাৰৰ যুঁটীয়া প্ৰচেষ্টাত এই অনুষ্ঠানটিয়ে পূৰ্ণ পৰ্যায়ৰ অনুষ্ঠান স্বৰূপে আত্মপ্ৰকাশ কৰিবলৈ সক্ষম হয়। এই অনুষ্ঠানটোৰ নাম দিয়া হৈছিল জনজাতীয় সংস্কৃতি আৰু লোক-সংস্কৃতি বিভাগ। অৰ্থাৎ Department of Tribal Culture and Folklore Reserarch। এই বিভাগটোৰ দায়িত্বত আছিল ড° বিৰিঞ্চি কুমাৰ বৰুৱা। তেখেতে মৃত্যুৰ সময়লৈকে এই দায়িত্ব নিষ্ঠাৰে পালন কৰিছিল। এই বিভাগৰ হৈ অসমৰ বিভিন্ন অঞ্চলৰ পৰা ক্ষেত্ৰ সমল সংগ্ৰহ কৰা হেতুকে কেইজনমান ছাত্ৰক জলপানী দিয়া হৈছিল। এই সমলৰাজিৰ সহায়ত লোক সংস্কৃতিক বিভাগটোৱে গ্ৰন্থ সম্পাদন কৰি ছপা কৰিছিল। ড° বিৰিঞ্চি কুমাৰ বৰুৱাৰ আকস্মিক বিয়োগৰ বাবে এই বিভাগটোৰ দায়িত্ব দিয়া হৈছিল ড° বিৰিঞ্চি কুমাৰ বৰুৱাক।

লোক সংস্কৃতি গৱেষণা বিভাগে উত্তৰ-পূব ভাৰতৰ বিভিন্ন অঞ্চলত লোক সংস্কৃতিক গৱেষণা চলাই আহিছিল। বিশ্ববিদ্যালয়ৰ অনুদান আয়োগৰ বিত্তীয় সাহাৰ্যত লোক-সংস্কৃতি গৱেষণা বিভাগৰ তিনিজন শিক্ষকে প্ৰণয়ন কৰা "A Hand Book of Folklore Material of N.E. India" শীৰ্ষক গ্ৰন্থখন প্ৰকাশ কৰে আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সন্থাই ১৯৯৪ চনত। এই গ্ৰন্থখন উত্তৰ-পূৱ ভাৰতৰ লোক সংস্কৃতিক সমলৰ আধাৰত ৰচিত উল্লেখযোগ্য গ্ৰন্থ। লোক সংস্কৃতিৰ বিভিন্ন দিশত গৱেষণা কৰি বৰ্তমানলৈ প্ৰায় ৪০-৪৫ জন গৱেষকে পি. এইছ. ডি. ডিগ্ৰী লাভ কৰিছিল। ড° প্ৰফুল্লদত্ত গোস্বামীৰ পৰিচালনা আৰু তত্ত্বাৱধানত পি. এই. ডি. ডিগ্ৰী

লাভ কৰা গৱেষক সকল হ'ল— বীৰেন্দ্ৰ নাথ দত্ত, সুজিৎ চৌধুৰী, নন্দ তালুকদাৰ, সৌমেন সেন, প্ৰবীন চন্দ্ৰ দাস, সুনন্দা ঘোষ আৰু মনীষা বাহেল।

ড° প্ৰফুল্লদত্ত গোস্বামীৰ ছাত্ৰ আৰু সুযোগ্য উত্তৰাধিকাৰী ড° বিৰেন্দ্ৰ নাথ দত্তই অসমৰ লোক সংস্কৃতিৰ চিন্তা-চৰ্চা আৰু বিদ্যায়তনিক দিশত অতুলনীয় অৱদান আগবঢ়োৱাৰ উপৰিও লোক সংস্কৃতি বিষয়ক কেবাখনো গ্ৰন্থ ৰচনা কৰিছে। এই গ্ৰন্থ সমূহৰ ভিতৰত গোৱালপৰীয়া লোকগীত সংগ্ৰহ, অসমীয়া সংগীতৰ ঐতিহ্য, ভাষা-সাহিত্যৰ জলঙাইদি, গোৱালপৰীয়া লোক সংস্কৃতি আৰু অসমীয়া সংস্কৃতিলৈ ইয়াৰ অৱদান আদি উল্লেখযোগ্য গ্ৰন্থ। অসম আৰু উত্তৰ-পূৰ ভাৰতৰ আন আন ৰাজ্যত লোক সংস্কৃতিৰ পদ্ধতিমূলক গৱেষণা পৰম্পৰাৰ সূত্ৰপাত হৈছে ড° গোস্বামীৰ গৱেষণা আৰু চিন্তা-চৰ্চাৰ জৰিয়তে। অসমৰ লোক-সংস্কৃতিৰ চিন্তা-চৰ্চাৰ পৰিসৰ সমল সংগ্ৰহ আৰু ইয়াৰ নান্দনিক দিশৰ বিচাৰতেই সীমিত বুলিব পাৰি। বিশ্বৰ আন আন দেশৰ লোক সংস্কৃতিক চিন্তা-চৰ্চাৰ মানদণ্ডতকৈ অসমৰ লোক-সংস্কৃতিক চিন্তা-চৰ্চাৰ মানদণ্ড পিছ পৰি থকাই স্বাভাৱিক। অসমত লোক-সংস্কৃতিৰ যি চিন্তা-চৰ্চা চলি আহিছে ই মূলতঃ ঐতিহাসিক-ভৌগোলিক বা তুলনামূলক বা ঐতিহাসিক পদ্ধতিৰ আশ্ৰয়ী। সাংস্কৃতিক চেতনাৰে উদ্বুদ্ধ হৈ নিষ্ঠা সহকাৰে অসমৰ পণ্ডিত-গৱেষক সকলে লোক-সংস্কৃতিৰ ক্ষেত্ৰ সমল সংগ্ৰহ আৰু নতুন নতুন পদ্ধতি প্ৰয়োগ কৰি সেই সমলৰাজি বিচাৰ-বিশ্লেষণ কৰিবলৈ সচেষ্ট হলেহে অসমৰ লোক সংস্কৃতি অধ্যয়নৰ মানদণ্ড উন্নত হ'ব।

# কুইজ

মিছ জিলীমা বেগম
স্নাতক প্ৰথম বৰ্ষ

(১) অসমৰ বৰ্তমান আয়তন কিমান?

উত্তৰ ঃ প্ৰায় ৭৮,৫২৩ বৰ্গ কিঃ মিঃ।

(২) অসমৰ শিক্ষিত লোকৰ হাৰ কিমান?

উত্তৰ ঃ শতকৰা ২৯ জন

(৩) অসমত পোন প্ৰথমে পতা কলেজখনৰ নাম কি? ইয়াৰ অধ্যক্ষজন কোন আছিল?

উত্তৰ ঃ ১৯০১ খৃষ্টাব্দত কটন কলেজ আৰু অধ্যক্ষজনৰ নাম মিঃ চুডমাৰ্ছন।

(৪) এমালগাম (Amalgam) কাক বোলে?

উত্তৰ ঃ পাৰাৰ সৈতে কৰা অইন ধাতুৰ মিশ্ৰণক।

(৫) গণিত শাস্ত্ৰত গ্ৰাফ প্ৰণালীৰ আৱিস্কাৰক কোন?

উত্তৰ ঃ ১৭০০ শতিকাৰ ফৰাচী গণিতজ্ঞ ৰীণে ডিচ্ কাৰ্টেচ।

(৬) হিৰোইন (Heroin) কি?

উত্তৰ ঃ মাৰ্ফিনৰ পৰা প্ৰস্তুত কৰা এবিধ নিচা জাতীয় পদাৰ্থ।

# CO-CURRICULAR ACTIVITIES IN THE SCHOOL EDUCATION

**Rani Deka**
Asstt Professor
H.O.D of Education Dept.

Education is a complex process which can also be compared with the human body. Just in the way, for a human body to function properly and to stay healthy, the different parts of organs must co-operate; similarly, the curriculum too is an indispensable part of the educational process. The curriculum plays a vital role in enabling the education system to reach its goals.

Modern education is child-centred. Although the children are the focal point in the education system, still we cannot ignore the presence of some other important factors.

The most important element of education is the curriculum. It is through the process of learning that the

mankind has been able to march towards development. The very base of a developing society is nothing but the curriculum. A curriculum should be designed in such a way that it could include some of the important elements like fulfilling the requirements of the society basing



on the modern lifestyle, setting goals and aspirations for the future and making the knowledge of ethics mandatory etc. In other words, it is the curriculum that plays a decisive role in the development of mankind.

The students, during the process of learning, must try to accomplish their educational goal within a fixed period. This fixed term of systematic learning including an index of particular subjects and course works is known as curriculum. The process of learning through interaction between the teacher and student in the classroom is the main element of curriculum. It is the curriculum which acts as the evaluator of the duty and responsibility of the teacher-student and also decides the boundary of learning for students.

With time changing, the boundaries of learning for mankind have also expanded. The major objective of the education system of the present society is to make education a part and parcel of the entire lifespan. That is why; the need for imparting the experience for living a bigger life has been of immense importance so that the grown up students can build suitable personality to match with the modern lifestyle and can establish them as dutiful citizens in the society. The education system must see that the students should be capable of utilising their classroom education, should be able to capture new skills by the utilisation of their experience and live a healthy social life along with adopting the ethics, morals, good behaviours and positive thinking imparted to them in schools. In order to achieve all these, other than the classroom education, it is necessary that the students take part in additional activities like outdoor sports, obeying rules and regulations in the play ground and taking part in the social activities.

In this context, the definition provided by the Secondary Education Commission of 1953-54 is worth mentioning. According to the Commission, "A curriculum does not simply consist of the educational subjects in the class; rather it is an assimilation of the classroom, the library, the laboratory, play ground and the skill students earn through interaction and connection with their teacher."

Everything that is worth learning in the entire life by a person is a part of the curriculum. It is as deep and indispensable as our life. In general, the process of imparting knowledge to students in the classroom of an educational organisation is termed as curriculum. The educational organizations use to have their particular routines for the subjects and following these, effort is made to impart proper knowledge to the students. A curriculum can be termed as an instrument for the teacher by using which he can mould the students and inculcate moral qualities in them.

At this present age, in order to develop the educational process to be more social, it has been essential to impart co-curricular activities to the students along with the pre-determined curriculum. Such activities were regarded as unnecessary and worthless in the old education system. This is because, right since the ancient times, the main objective of education was thought to be the honing and moulding of the mental capabilities of a person. According to the principles of philosopher cum educationist Plato and Aristotle, education is all about practicing the mental qualities, thinking capacities and the process of going into its depth. The reason behind is that, in the ancient times, only conscience or intellectual thinking were considered

to be the truth. Which is why; the concept of students being involved in physical activities and sports etc were considered as the waste of time and as signs of wobbliness. Acting, dancing, singing and playing musical instrument etc activities were not allowed to be incorporated in the schools as these were considered as unnecessary and worthless. But with the reformation of such old thought-processes, ideologies and principles, the educationists started realizing that it would be wrong to simply consider mental development as the sole objective of education.

Education aims at nourishing and developing the inborn capabilities of the child. The process of inculcating knowledge in the students following the strictly disciplined classroom routine cannot bring positive improvement in them. Hence, to develop the in-built capabilities and qualities of the pupils, it is essential to create a free learning atmosphere going beyond the four walls of classroom education. Keeping in mind the overall development and progress of the pupils, the educationists have implemented co-curricular activities in the modern education system. Now, equal importance is being put in including outdoor sports, acting, debating, vocational training, dancing, singing, practice of literature, quiz competitions, essay writing competition etc in the school education along with the already prevailing classroom study. The concept of curriculum has changed now for which the educationists too have renamed it as co-curricular activity in place of its old name extra-curricular activity.

Modern education focuses on the child. Its main objective is to prepare the child for an all round development and that is why; child centred education is being termed as the main principle of education. In order to develop the personality of the child, it is essential to take help of co-curricular activities along with the scheduled curriculum. Social co-operation, making friends, competitive thinking, discipline and punctuation and obedience are certain qualities the "Development of which is worth-naming in this regard. For a child to possess a healthy and balanced personality, a proper obeying of the co-curricular activities is immensely important. This kind of learning develops the spiritual, social, cultural and moral quality of the child along with its mental developments. Sports and physical activity are indispensable elements of education and hence, the playground is also being called as the open school.

The ancient education system very well displayed the importance of intellectual education. Its importance, however, cannot be ignored,in the present education system. Although previously, the subjects in addition to the ones imparted for intellectual knowledge were considered as extra-curricular, but today they are known as co-curricular activities. It has now been regarded as essential in the educational process of students. The co-curricular activities very well compliment the curriculum. Education today is regarded as the tempo of life and it is this pace that has very well engaged education with the life of a person. This sums up that together with intellectual education; physical, social, cultural, moral and spiritual education plays a vital role in the over-all educational development of the students.

গল্প গুচ্ছ



# নিঃশব্দ ধুমুহা

শ্ৰীদীপ জ্যোতি দাস
সাংস্কৃতিক সম্পাদক
সহায়কাৰী ঃ শ্ৰী চুমিতা বৰুৱা

আহিনৰ জোনাক নিশা নীলিম আকাশত তৰাৰ জিনিকনি জোনাকৰ পোহৰত যেন তৰাবোৰে জিকমিকাই আছে। ইটোৰে সিটোক যেন মনৰ কথা কৈ আছে। ফৰকাল আকাশৰ মাদকতা নোৱাটো যে মামনিৰ শৈশৱৰ পৰা হেঁপাহ। তাই যেন বহুত দুখৰ পৰা সকাহ পাই এই মাদকতাত। গধুলি প্ৰায় আঠ বাজিছে। মামনি চকীখনত বহি নানা কথা মনৰ ভিতৰতে পাগুলি আছে। ইফালে ৰেডিঅ'টোত অনুৰোধৰ গান বাজি আছে। হঠাৎ তাই শুনিবলৈ পালে "আলহী হৈ আহিম এদিন" গীতটো তাইৰ বৰ প্ৰিয়। তাই চকীখনত মুৰটো গুজি দিলে। তাইৰ মনত পৰিল সঁচাই এদিন তাইৰ পদুলিত তলসৰা বকুল গছকি তাইৰ জীৱনলৈ আলহী হৈ আহিছিল বাবু।

তাই বাবুক বহুত ভাল পাইছিল। হয়তো নিজৰ জীৱনতকৈয়ো বেছি। তাই তাক এৰি অলপ সময়ো জীয়াই থাকিব নোৱাৰে। সেই ভালপোৱা তাইৰ প্ৰেম নেকি? যদি প্ৰেম হয় তাই কেতিয়াৰ পৰা তাৰ প্ৰেমত পৰিছিল? যেতিয়া তাই জনা নাছিল প্ৰেম মানে কি? মামনিয়ে ভাল পাইছিল বাবুক। ভাল পাইছিল বাবুৰ প্ৰত্যেকটো কথা সি গোৱা গীতবোৰ, সি লিখা কবিতাবোৰ আৰু সকলোতকৈ ভাল লাগিছিল তাৰ মিচিকিয়া হাঁহিটো।

বাবু আছিল মামনিহঁতৰ ওচৰতে থকা গাওঁখনৰ ল'ৰা আৰু সিহঁতৰকৈ বহুগুনে ধনী। সি জীৱনত ডাঙৰ মানুহ হৈ মামনিক নিজৰ কৰি লোৱাৰ কল্পনা কৰিছিল। বাবুৱেও মামনিক সিমানে ভাল পাইছিল, যিদৰে মামনিয়ে বাবুক ভাল পাইছিল। তাই স্কুলৰ পৰা অহাৰ সময়ত কেতিয়াবা সি বাটত ৰৈ আছিল। সি মামনিৰ ফালে চাই কৈছিল, অলপ ৰৈ যোৱানা, ৰ'দত তোমাৰ দুগাল ৰঙা পৰিছে। মামনিয়ে লাজত তল মুৰকৈ হাঁহিছিল। মামনিয়ে ভাবে বাবুক তাই বহুত কথা ক'ব কিন্তু বাবুৰ ওচৰ পালে তাইৰ কথা নোলায়।

বাবুৱে এইবাৰ ডিগ্ৰী প্ৰথম বৰ্ষ পাছ কৰিলে দ্বিতীয় বৰ্ষত নামভৰ্তি কৰিব নাপালে দেউতাকৰ মৃত্যুৰ বাবে। দেউতাকে ৰেলৱেত চাকৰি কৰিছিল। মামনিয়ে সদায় ভগবানৰ ওচৰত প্ৰাৰ্থনা কৰে তাইৰ বাবুয়ে যেন এটা চাকৰি পায়। তাইৰ প্ৰাৰ্থনা ভগবানে মানিলে। বাবু ঘৰখনৰ দ্বিতীয় পুত্ৰ। দাদাকে বিয়া পাতি বেলেগত থাকে। বাইদেউ দুজনীৰ বিয়া হ'ল। বৰ্তমান সিহঁতৰ ঘৰত মাক আৰু সি। বাবু ঘৰখনত আৰু উন্নতি কৰিব ধৰিলে। বাবুৰ মাকৰ গা বেয়া, বিচনাত পৰি আছে। মাকৰ শেষ ইচ্ছা বাবুৰ বাবে ঘৰলৈ বোৱাৰী অনা। বাবুৰ মাকে এদিন বাবুক কলে বাবুৰ লাজ লাগিছিল যদিও মনে মনে ভালো লাগিছিল। সি গোটেই ৰাতি মামনিক লৈ সপোন দেখিলে। সি মাকক তাৰ আৰু মামনিৰ কথাটো কলে আৰু কলে সি যে মামনিৰ বাহিৰে আনক ঠাই দিব নোৱাৰে। সি কেৱল মামনিকে জীৱন লগৰী কৰিব। মাকে কথাটো গম পায়। পেহীয়েকে বাবুক কলে, "বোপাই লিখাই পঢ়াই মাৰে দেউতাৰে তোক এজন ডাঙৰ মানুহ কৰিলে। এতিয়া তোৰ পৰা এনে এষাৰ কথা শুনি বৰ দুখ পালো। মাকে কলে চা বাবু তই যদি মামনিক বিয়া কৰাব তেতিয়াহলে তোৰ মাৰৰ মুখ কোনো দিনে নেদেখে। কাৰণ সেয়া দুখীয়া ঘৰৰ ছোৱালীজনীক মই মোৰ বোৱাৰী কৰিব নোৱাৰো।

বাবুৱে মাকক বহুত বুজাই কলে- "চোৱা মা, দুখীয়া হোৱাটো মামনিৰ পাপ নেকি? প্ৰেমে জানো জানে দুখীয়া-ধনী, জাতি-ধৰ্ম। মাক, পেহীয়েক কোনো পধ্যে ৰাজী নহ'ল। শেষত বাবু ভাগি পৰি মামনিৰ ওচৰ পালে।


মামনিয়ে সকলো গম পাইছে। তাই বাবু অহা দেখা পাই কলে- "বাবু দা, আহা ইয়াতে বহা। ভাল খবৰ এটা শুনিছো, তোমাৰ বোলে বিয়া। বাবু- "মামনি, তুমি তেনেকৈ নকবা। মই তোমাক খুব ভাল পাওঁ। মামনি তোমাৰ অবিহনে মই জীয়াই থাকিব নোৱাৰো। মা-পেহীৰ শান্তিৰ বাবে মই মোৰ

ভালপোৱা হেৰুৱাব নোৱাৰো। তোমাক লৈ যাম দূৰ-দিগন্তলৈ। সকলো বান্ধ গুচাই ইমান দিনে আমি দুয়ো কল্পনা কৰা ঘৰখন সাজিম।

মামনিয়ে কলে- "নাই বাবু দা মোৰ কল্পনাৰ ঘৰখন বৰ ঠুনুকা আছিল। ভাগি গ'ল। মই মোৰ জীৱনক সাৰ্থক কৰিবলৈ মনৰ আশা পুৰাবলৈ কোনোবাই তুলি-তালি অতি কষ্ট কৰি ডাঙৰ কৰা সাজোন-কাচোন বোৱাৰী আদৰিবলৈ বৈ থকা তোমাৰ মাহঁতৰ পৰা তোমাক কাঢ়ি লৈ আনিব নোৱাৰো বাবু দা। চোৱা বাবু দা প্ৰেমে কেৱল সৃষ্টিহে কৰে ধ্বংস নকৰে। তুমি মোক আপোন কৰি কিয় তোমাৰ ঘৰখন ধ্বংস হবলৈ দিয়া। মা-দেউতাই যদি এই পৃথিৱীখন চিনাকী কৰি নিদিলেহেঁতেন তুমি জানো মোক পালাহেঁতেন সেইবাবে সিহঁত মোতকৈ শ্ৰেষ্ঠ। মা-দেউতাই আমি বিচৰা বস্তু সকলো দিয়ে আমাৰ পৰা কেৱল এটাই বিচাৰে বিয়াখন মাত্ৰ তেওঁলোকৰ পচন্দত হওঁক, তেনেহ'লে তোমাৰ সেইটো কৰাত আপত্তি কিহৰ? মই নিবিছাৰো মোৰ বাবু ইমান দুৰ্বল হোৱাটো। তুমি বিয়া কৰোৱা বাবু দা। মোৰ শপত যদি তুমি মোক সঁচাকৈ ভালপোৱা তুমি বিয়া কৰোৱা। কোনোবা সুন্দৰীক।" "তুমি এইবোৰ কি কৈছা মামনি?" "সঁচাকৈয়ে বাবু দা সদায়ে মোৰ কপালে আশা কৰা সেন্দুৰৰ মুঠি তুমি কোনোবা অনামিকাৰ কপালত ঢালি দিয়া। আৰু মই হম উকা কপালৰ গৰাকীনী।" "তুমি এইবোৰ কি কৈছা মামনি?" সঁচাকৈয়ে বাবু দা, মই তোমাৰ ওচৰত ভিক্ষা মাগিছো তুমি মোৰ পৰা আঁতৰি যোৱা আৰু বিয়ালৈ মোৰ হিয়া ভৰা শুভেচ্ছা থাকিল। কথাখিনি কবলৈ কষ্ট হ'লেও মামনিয়ে কৈ গ'ল। আজি ২৭ অক্টোবৰ বাবুৰ বিয়া। মামনিয়ে যন্ত্ৰণাত চাটি-ফুটি কৰিছে, আমনি কৰিছে অতীতৰ স্মৃতিবোৰে। মামনিয়ে নিজকে প্ৰশ্ন কৰিছে, মই দুখীয়া কাৰণে বাবু মোৰ নহ'ল নে আমাৰ প্ৰেম সঁচা নাছিল? ইত্যাদি ইত্যাদি প্ৰশ্নবোৰে তাইক বেছিকৈ কন্দুৱাইছে। হঠাৎ বাহিৰৰ পৰা কোনোবাই মতা যেন শুনিলো। মামনি তোমাৰ চাইকেলখনৰ ছাবিটো দিয়াছোন মই এফালে যাব লাগে। মামনিয়ে মাত শুনি গম পালে এইটো দীপ। দীপ সিহঁতৰ গাৱঁৰ ল'ৰা। মামনিৰ ভাল বন্ধু। দীপে মামনিৰ সকলো কথা জানে। মামনিয়ে দৰ্জাখন খুলি ছাবিটো দিলে, আৰু চাইকেলখন অলপ মচি দি মামনিয়ে সুধিলে— দীপ আজিৰ দিনটো যদি তোমাৰ হ'লহেঁতেন? দীপে এচ এম এচ লিখিব এৰি মামনিৰ ফালে চাই কলে তুমি এনেই টেনচন লৈ আছা। তুমি নাজানা নেকি প্ৰেম মানে যে বিবাহ নহয়। দীপক দেখাই মামনিয়ে হাঁহিলে যদিও ভাবিবলৈ ধৰিলে দীপে মোক সঁচাকৈয়ে কৈছে নে সান্ত্বনা দিছে।

সঁচাকৈ কৈছে চাগে প্ৰেম মানে বিবাহ নহয়। মিছা হলে বাবু মোৰ জীৱনৰ পৰা কেতিয়াও নগ'ল হেঁতেন কোনোবা অনামিকাৰ ওচৰলৈ।

তাই বলিয়াৰ দৰে কান্দি কান্দি বিচনাত বাগৰি পৰিল আৰু গাৰুটো সাবটি ধৰি মনৰ ভিতৰতে কবলৈ ধৰিলে তুমি তোমাৰ অনামিকাৰ লগত সুখী হোৱা বাবু। তোমালোকৰ জীৱনলৈ কেতিয়াও নাহক নিঃশব্দ ধুমুহা।



'কিতাপবিহীন (কোঠালি) কোঠালি প্ৰাণবিহীন শৰীৰৰ দৰে।'

'যাৰ অন্তৰত সংগীত নাই তাক বিশ্বাস কৰিব নোৱাৰি।'

—প্লেটো

# মৰহি যোৱা ফুল আকৌ ফুলিল

মিছ্ আচিমা বেগম
স্নাতক দ্বিতীয় বৰ্ষ ঃ চতুৰ্থ ষাণ্মাষিক

এখন সৰু গাওঁৰ সুন্দৰ পৰিবেশত ডাঙৰ-দীঘল হৈ উঠা এজনী সৰু ছোৱালী তিচা। তাই বৰ মৰমীয়াল আছিল। সেই কাৰণে সকলোৱে তাইক মাজনী বুলি মাতিছিল। তিচা যেতিয়া ডাঙৰ হয় তেতিয়া তিচাৰ মাক-দেউতাকে স্কুলত নাম ভৰ্তি কৰাই দিলে। তিচাই মনপুতি পঢ়িব ধৰিলে আৰু যেতিয়া দশম শ্ৰেণী পালে তেতিয়া তাই বহুত দূৰণিৰ সপোন নামৰ এজন ল'ৰাক ভাল পালে। এনেকৈ বহুত দিন পাৰ হ'ল সিহঁতৰ ভালপোৱা। এদিনাখন সিহঁতৰ গাঁৱৰে সপোনৰ বন্ধু এজনে তিচাক লগ পোৱাত কলে, তুমি যে সপোনক ভাল পোৱা তাৰ বিষয়ে তুমি কিবা জানানে? তিচাই কলে, নাজানো, কি কোৱাচোন। তাৰ পিছত বন্ধুজনে কলে, সপোন এজন ঘোৰ মদাহী আৰু সি হেনো সিহঁতৰ গাঁৱৰ এজনী তিৰোতাক ভাল পায়। তাৰ পিছত সেই কথাষাৰে তিচাৰ মনত এনেকৈ আঘাত দিলে যেন মৰহি যোৱা ফুলৰ দৰে তাইৰ হৃদয় মৰহি গ'ল। সেই বিলাক বাদ দি তিচা আকৌ পঢ়াত লাগিল। কেইদিনমান যোৱাৰ পিছত মেট্ৰিক পৰীক্ষা আহিল আৰু তিচাই ভালদৰে পৰীক্ষা দিলে। অৱশেষত ৰিজাল্ট ওলাল আৰু তিচা তৃতীয় বিভাগত উত্তীৰ্ণ হ'ল। এনেকৈ পঢ়ি গৈ তিচা বি. এ. প্ৰথম বৰ্ষ পালে। তাৰ পিছত তিচা এদিন টিভি চাই থাকোতে তাইৰ মোবাইলত এটা অচিনাকী নম্বৰৰ ফোন আহিছিল। তিচাই ফোনটো ৰিচিভ কৰি কথা পাতিছিল কিন্তু অচিনাকী কাৰণে কাটি দিছিল ফোনটো। সেই অচিনাকী নম্বৰটো এজন ল'ৰাৰ আছিল। সেই ল'ৰাজনৰ নাম আছিল সমৰ। সমৰে মাজে মাজে তিচাৰ লগত কথা পাতিছিল ফোনত। এদিন যেতিয়া তিচাই সমৰক কলেজত লগ কৰিছিল, তাৰ পিছৰ পৰাই সমৰে তিচাৰ লগত বহুত বেছি কথা পতা হৈছিল। তিচাৰ কিন্তু মন নাছিল কথা পাতিবলৈ। আৰু কেইদিনমান যোৱাৰ পিছত সমৰে তিচাক ভাল পাওঁ বুলি কৈছিল। তাৰ পিছত তিচায়ো তাক মৰমত আকোৱালি লৈছিল। এনেকৈয়ে দুয়ো দুয়োৰে প্ৰেমত পৰিল। সিহঁত দুয়ো দুয়োকে ইমান ভাল পাই যে এদিন কথা নপতাকৈ থাকিব নোৱাৰে। এনেকৈ এক বছৰ মান পাৰ হৈ গৈছিল।

সমৰ এক বছৰ মান যোৱাৰ পিছত বহুত বদমাছ হৈছিল। তেওঁ মনে মনে তিচাৰ মনৰ পৰা আঁতৰি যাব খুজিছিল। তিচাই কিন্তু সকলো গম পায়ো সমৰক সোধা নাছিল। সমৰে তিচাৰ লগত কথা পাতিছিল যদিও আগৰ দৰে নহয়। তিচাই এদিন সমৰৰ লগত ফোনতে কাজিয়া কৰিছিল। সেই সময়তে তেওঁ বদমাছ হোৱা কথাটো কৈছিল। কিন্তু সমৰে মানি লোৱা নাছিল। নহয় বুলি কৈছিল তিচাৰ আগত। তিচাই কিন্তু কথাটো মানি লোৱা নাছিল। যিটো কথা তিচাই নিজেই শুনিছে সেই কথাটো নহয় বুলি কলে কেনেকৈ মানি ল'ব। বহু সময়ৰ পিছত সমৰে হয় বুলি কৈছিল। যিয়ে মানুহক এবাৰ বিশ্বাস ঘাটক কৰে তেওঁক কোনো দিন বিশ্বাসত ল'ব নোৱাৰি। সমৰৰ বহুত বহুত মৰম লগা কথাত তিচাই পাহৰি গৈছিল আগৰ ভূলৰ কথাবোৰ। আকৌ বিশ্বাসত লৈছিল তিচাই। সমৰে জানিছিল যে তিচাই তেওঁৰ একো কথা পেলাব নোৱাৰে। তিচাই যিহেতু সমৰক বহুত বেছি ভাল পায়। কেনেকৈনো নুশুনিব তেওঁৰ কথা। সেয়ে সমৰে তিচাক নিজৰ ইচ্ছামতে চলাইছিল। কেতিয়াবা ভাল আৰু কেতিয়াবা বেয়া। তিচাই তথাপিও সমৰক বেয়া নাপায়। কাৰণ তাই জীৱনৰ বহুত ডাঙৰ দুখ পাইছে আৰু পাব নিবিচাৰে। তিচাই সমৰৰ লগত গোটেই জীৱন কটাব বিচাৰে। সমৰে হয়তো নিবিচাৰে। তেওঁক লাগে মাত্ৰ টকা-পইচা, বগা, ধুনীয়া এইবিলাক। তিচাৰ জীৱনত ভগৱানে এইবিলাক নিদিলে। ইমানবোৰ জানিও সমৰক তিচাই পাহৰিব নোখোজে। লাগিলে সমৰৰ কাৰণে গোটেই জীৱন অপেক্ষা কৰি থাকিব। যেতিয়ালৈকে তেওঁ বুজি নাপায় সঁচা মৰম কি? তেতিয়ালৈ বৈ থাকিব। তিচাৰ বিশ্বাস হয়তো এদিন নিশ্চয় আহিব সমৰ তাইৰ ওচৰলৈ। তিচাৰ জীৱনত মৰহা ফুল ফুলিল যদিও আগৰ দৰে শোভা নাপালে।

# যৌতুকৰ কাৰণে জুৰিৰ মৃত্যু



শ্ৰী জোনালী ডেকা
স্নাতক দ্বিতীয় বৰ্ষ ঃ চতুৰ্থ যান্মাষিক

সেই দিনা আছিল মাৰ্চ মাহৰ ২১ তাৰিখ বুধবাৰ। পাহিয়ে চাহ কাপ লৈ বাৰান্দালৈ ওলাই আহিল আৰু টেবুলত থৈ দিয়া বাতৰি কাকতখন মেলি পঢ়িবলৈ ধৰিলে। প্ৰথম পৃষ্ঠাৰ শেষত দিয়া ছোৱালী জনীৰ ফটো কপি চাই তাইৰ চিনাকী যেন লাগিল আৰু তাই ফটো কপিৰ তলত দিয়া কথাখিনি পঢ়িবলৈ ধৰিলে। তাৰ পিছত তাই আৰু বেছিকৈ পঢ়িব নোৱাৰিলে। তাই জুৰি বুলি চিঞৰি চিঞৰি কান্দিবলৈ ধৰিলে। পাহিৰ মাক আচৰিত হৈ বাহিৰলৈ ওলাই আহি কি হৈছে সুধিলে। পাহিয়ে মাকক ফটো কপি দেখুৱাই সকলো কথা কবলৈ ধৰিলে।

জুৰি আৰু পাহি দুয়ো নলে-গলে লগা বান্ধৱী আছিল। পাহিৰ ঘৰৰ পৰিস্থিতি প্ৰায় ভালে কিন্তু জুৰিৰ ঘৰৰ অৱস্থা একেবাৰে বেয়া আছিল। ৰোগীয়া দেউতাকে বেলেগৰ ঘৰত কাম-বন কৰি পৰিয়ালটো বহু কষ্টত চলাই নিছিল। জুৰিৰ ঘৰত পৰিয়াল বুলিবলৈ মাক-দেউতাক আৰু ভনীয়েক নীতা। জুৰিৰ মাক-দেউতাকৰ মনত বহুত দুখ কাৰণ সিহঁতৰ ল'ৰা সন্তান নাছিল। জুৰি আৰু নীতাই মাক-দেউ.তাকৰ মনৰ অৱস্থা বুজিব পাৰি সেই দুখ সিহঁতে দুৰ কৰিবলৈ বহুত যত্ন কৰিছিল।

জুৰি স্নাতক প্ৰথম বৰ্ষৰ ছাত্ৰী আৰু নীতা উচ্চতৰ মাধ্যমিকৰ প্ৰথম বৰ্ষৰ ছাত্ৰী। দুয়ো পঢ়াত বেচ চোকা আছিল। সকলোবোৰ শিক্ষক-শিক্ষয়িত্ৰীয়ে সিহঁতক বহুত মৰম কৰিছিল। পঢ়াৰ ক্ষেত্ৰত শিক্ষক-শিক্ষয়িত্ৰী সকলে সিহঁতক বহুত সহায় কৰিছিল আৰু উৎসাহ উদ্দীপনাৰে সিহঁতক আগবাঢ়ি যোৱাত বহুত সহায় কৰিছিল। এনেকৈ সিহঁতে সকলোবোৰ পৰীক্ষাতে ভাল ৰিজাল্ট কৰি আগবাঢ়ি গৈ আছিল।

এনেকৈ এদিন জুৰিৰ জীৱনলৈ নামি আহিল প্ৰৱল ধুমুহা। সিহঁতৰ ওচৰৰ গাওঁখনৰ এজন প্ৰফেচাৰে জুৰিক বিয়াৰ প্ৰস্তাৱ দিলে। জুৰি প্ৰথমে সন্মতি দিয়া নাছিল যদিও ঘৰখনৰ কাৰণে অৰ্থাৎ মাক-দেউতাকৰ কাৰণে তাই মানি লবলৈ বাধ্য হ'ল। যথা সময়ত সিহঁতৰ বিয়া হৈ গ'ল। জুৰিৰ মাকৰ ঘৰখনৰ লগত তাইৰ শহুৰেকৰ ঘৰখন একেবাৰে নিমিলে। শহুৰেকৰ ঘৰত পৰিয়াল বুলিবলৈ শাহুৱেক-শহুৰেক, দেওৰেক, গিৰিয়েক আৰু তাই। বিয়াৰ পিছৰ মাহৰ পৰা শাহুৱেকে জুৰিৰ গিৰিয়েক ওলাই যোৱাৰ পাছৰ পৰাই তাইক নানা কুট-কথা শুনাই গালি পাৰে আৰু সময়ৰ গতিত তাইক মাৰধৰ কৰিবলৈয়ো আৰম্ভ কৰে। গিৰিয়েক থকা সময়ত তাইক বহুত মৰম কৰাৰ দৰে দেখুৱায় আৰু গিৰিয়েক ওলাই যোৱাৰ পিছত তাইক মাৰ-ধৰ কৰে। তাই সেইবোৰ কথা গিৰিয়েকক কলেও মানি নলয়। তাই উপায়হীন হৈ সেইবোৰ নিৰৱে সহ্য কৰে। শাহুৱেকে সদায় কেৱল এযাৰ কথা কৈ গালি দিয়ে যে, "তই মায়েৰৰ ঘৰৰ পৰা কি আনিছ হো, কি আনিছ" বুলি সদায় মাৰধৰ কলে। শেষত তাইৰ কিজানি ধৈৰ্য্যৰ সীমা নোহোৱা হ'ল যিটো কাৰণে তাই আত্ম হত্যা কৰিলে।

পাহিৰ কথাখিনি শুনি মাক আচৰিত হৈ গ'ল আৰু তাইক সান্ত্বনাৰ সুৰত কলে, কপালত যি লিখা থাকে সেয়া হবই। কিন্তু পাহিয়ে মাকৰ কথাত গুৰুত্ব নিদিলে। পাহিয়ে জুৰিক বহুত ভাল পাইছিল। সেয়ে জুৰিৰ মৃত্যুত পাহিয়ে ইমান কষ্ট পাইছে। তাই কান্দি কান্দি মাকক সুধিলে আজি-কালি ল'ৰাবোৰে ছোৱালীজনীক বিয়া কৰায় নে যৌতুকত দিয়া সেই বস্তুবোৰক মা। মাকে কোনো উত্তৰ নিদিলে। তাই কান্দি কান্দি মাটিত ঢলি পৰিল।



# মোৰ দুখ

মঃ বাহাৰুল ইছলাম
স্নাতক তৃতীয় বৰ্ষ

কিয় বাৰু মোৰ ইমান দুখ। মোৰ কপালখন ইমান বেয়ানে? মই যি ভাবো আৰু যি আশা কৰো সেইবোৰ দেখোন একো নহয় কিয় বাৰু এনেকুৱা হয়।

মোৰ জীৱনত কেৱল দুখ দুখ মাথো দুখ। মই সুখ বিচাৰি বিচাৰি কেৱল দুখহে পালো। কিয় নাজানো মোৰ জীৱনত ইমান দুখ। মই কেতিয়াবা ভাবো মোৰ জীয়াই থকাৰ একো কাম নাই, কিন্তু কি কৰিম একো ভাবি নাপাওঁ। কিয় বাৰু এনেকুৱা হয় মোৰ জীৱনত। মোৰ জীৱনত বহুত কল্পনা আছিল। কিন্তু সেই গোটেইবোৰ হেৰাই গ'ল, কিয় বাৰু হেৰাই গ'ল মই নিজেই নাজানো। মই ভাবো তাইৰ হাঁহি, তাইৰ মাত, আৰু তাইৰ কথা-বতৰা, ভাবি ভাবি পাগল হৈ পৰিছো। কিন্তু মোৰ দুখ কোনেও বুজি নাপাই আৰু বুজিবও চেষ্টা নকৰে। মোক কিয় ইমান বেয়া পায়। মই যাক ভাল পাওঁ আৰু নমৰালৈকে ভাল পায়ে থাকিম। মই যাক ভাল পাওঁ তাইক ভাল পাওঁ বুলি নকওঁ কাৰণ তাইৰ লগত নিমিলো। মই ইমান বেয়া ল'ৰানে? কিয় ইমান বেয়া। মই নিজকে বহুত বেয়া বুলি ভাবো। কাৰণ তাইৰ লগত নিমিলো। মই সঁচাকে বহুত বেয়া নে? মোৰ জীৱনত এতিয়া কেৱল দুখেৰে ভৰি আছে আৰু সদায় ভৰি থাকিবনে? কিয়, মোৰ জীৱনত সুখ নহ'বনে? কিয় সুখ বিচাৰি ফুৰিলেও বিচাৰি নাপাওঁ?

মই Love টো আৰু You টো কিয় লুকাই ৰাখিছো জানানে? কাৰণ Love টোৰে কেতিয়াও হেৰাই নাযায় আৰু You টোৰে মোক কেতিয়াও পাহৰি নাযায়। আৰু Y টো মোৰ বুকুৰ মাজত থাকিব সি কেতিয়াও হেৰাব নোৱাৰে। I বুলি বিচাৰো Love বুলি তোমাক বহুজনৰ মাজত কলো You বুলি সঠিক উত্তৰ নিদিলেও মই কলো I Love You।

(১) নজনাটো সিমান ডাঙৰ কথা নহয়, শিকিবলৈ ইচ্ছা নকৰাটোহে বেছি ডাঙৰ কথা।
— বেঞ্জামিন

(২) প্ৰত্যেক দিনেই জীৱনৰ শেষ দিন বুলি কাম কৰি যোৱা। — জিম কৰবেট

(৩) ধন উপাৰ্জনতকৈ জ্ঞান উপাৰ্জন শ্ৰেষ্ঠ। — বুদ্ধদেৱ

(৪) পৰনিন্দা ব্যাভিচাৰতকৈ হানিকাৰ। — হজৰত মহম্মদ

(৫) বেয়া চিন্দাবোৰ কোনেও কাৰো মনলৈ আহিবলৈ নিদিবা। — লক্ষ্মীনাথ বেজবৰুৱা

## মহৎ লোকৰ বাণী

১। যাৰ ধৈৰ্য শক্তি আছে, তাৰ অসাধ্য একোই নাই।
- বেনজামিন ফ্ৰাঙ্কলিল

২। যি আৰ্দশ বান পুৰুষ তেওঁ আনৰ উন্নতিত সহায় কৰে।
- হেনৰী ফৰ্ডি-

পাতিদৰং মহাবিদ্যালয় আলোচনী

কবিতা ৰ ক ৰ ণি



# মহামানৱলৈ শ্ৰদ্ধাঞ্জলী

ৰীমা ৰহমান
স্নাতক দ্বিতীয় বৰ্ষ ঃ চতুৰ্থ যান্মাষিক

অসম মাতৃৰ সুযোগ্য সন্তান তুমি
ড° ভূপেন হাজৰিকা!
ইতিহাস হলা আজি তুমি পৃথিৱীবাসীৰ
পঞ্চভূতত বিলীন হ'ল তোমাৰ শৰীৰ।
কি নিদিলানো তুমি আমাৰ মাজত,
সকলো দিয়ো, সকলো উৎসৰ্গা কৰিও
যেন তুমি শান্ত নহয়,
গানেৰে তুমি বিশ্বলেখ গঢ়িলা,
"অসম ৰত্ন" উপাধিৰেও আই অসমীক পুজিলা
"দাদা চাহেব ফাল্কে" উপাধিৰেও সন্মান আনিলা।
কি নিদিলা হে মহামানৱ?
গীতিকাৰ, গায়ক, চিত্ৰকৰ
ৰাজনীতিজ্ঞ, কবি, পৰিচালক
এই সকলোবোৰ আছিল তোমাৰ প্ৰতিভা।
পূৰ্ব দেশৰ সূৰ্য উঠা দেশত তোমাৰ জন্ম
অস্ত গৈয়ো তুমি হেঙুলীয়া সূৰ্যৰ দৰে জিলিকি ৰ'লা।
যাযাবৰী শিল্পী তুমি
কোনো দিনে ক্লান্ত হ'ব নিবিচাৰা
অথচ আজি যেন তুমি ক্লান্ত হলা
ক্লান্ত হৈ নিজে নিজে শুই পৰিলা।
গভীৰ নিদ্ৰাত আছা তুমি
কোনেও জগোৱা নাই,
জগালেও তুমি ভ্ৰূক্ষেপ নকৰা।
একবিংশ শতিকাৰ পঞ্চম দশকলৈ
বাট চাম বুলি কৈছিলা,
কি হ'ল আজি এই স্বীকাৰোক্তিৰ
একবিংশ শতিকাৰ দ্বিতীয় দশকতেই
আমাক এৰি তুমি গুচি গলা।
গুচি গলা তুমি, তুমিয়েই গোৱা সেই
কানেৰে নুশুনা, চকুৰে নেদেখা
কোনো অচিন দূৰ-দূৰণিলৈ।
পাম নেকি বাৰু কেতিয়াবা
এই মহামানৱ, মহাপুৰুষ দ্বিতীয়জন?
যিয়ে জাতিক জগাব পাৰিব,
প্ৰকৃতিক জগাই উঠাব,
লুইতৰ পাৰ জিলিকাব
সাগৰ-সংগমত সাতুৰিব
তথাপিও ভাগৰি নপৰিব।
শূন্য আজি আমি
আমাৰ বুকু মহাশূন্য,
চিৰদিন পুজিলেও হয়তো
আমি কেতিয়াও পৰিশোধ কৰিব নোৱাৰিম
তোমাৰ ঋণ।
অশ্ৰু সিক্ত নয়নৰ ভিজা-ভিজা পতাৰ
চকুৰ পানীৰে তোমাক জনালো বিদায়,
সদায় জীয়াই থাকিবা তুমি আমাৰ মাজত
চিৰদিন চিৰকাল.........।
মৃত্যু হ'ব তোমাৰ সেইদিনা,
যিদিনা অসমীয়া জাতিও হয়তো বিলীন হ'ব মহাপ্ৰলয়ত।
হে মহাপুৰুষ, মহামানৱ
অন্তৰৰ পৰা তোমালৈ শ্ৰদ্ধাঞ্জলী
একান্ত মনৰ শ্ৰদ্ধাঞ্জলী
সদায় থাকিব তোমাৰ সোঁৱৰণী
ভূপেন দা তোমালৈ শ্ৰদ্ধাঞ্জলী।

# জাগৃত হোৱা


**ৰীমা ৰহমান**
স্নাতক দ্বিতীয় বৰ্ষ ঃ চতুৰ্থ ষান্মাষিক
(অসমীয়া বিভাগ)

জাগৃত হোৱা বন্ধু জাগৃত হোৱা
সকলো এক হোৱা
একেলগে দেশৰ জয়গান গোৱা
হত্যা-হিংসাৰে নহয়
মৰম স্নেহেৰে গঢ়ো আহা
এখন নিকা মুক্ত সমাজ,
য'ত থাকিব কেৱল মৰম-স্নেহ
আদৰ, অহিংসা, আদৰ্শ সকলোবোৰ।
বন্দুক-বাৰুদ লৈ কি পাবা তুমি,
কত মাতৃৰ বুকু সুদা কৰি, কাৰোবাৰ শিৰৰ সেন্দুৰ মচি
পিতৃহাৰা শিশুৰ আৰ্তনাদেৰে
কি পোৱা তুমি??
সকলো পৰিত্যাগ কৰা
অহিংসাৰে পৃথিৱী জয় কৰা
জীৱন দুদিনীয়া
মৰম-স্নেহবোৰহে যুগমীয়া
ওলাই আহা বন্ধু, ওলাই আহা
দেশ মাতৃক ৰক্ষা কৰিবলৈ
সকলো জাগৃত হোৱা।
ইতিহাসৰ পাত লুটিয়াই চাবা কি পোৱা
গান্ধীজীৰ "অহিংসাই পৰম ধৰ্ম"
কেতিয়াবা অনুসৰণ কৰিছানে?
জয়মতী, মূলাগাভৰু কনকলতাৰ
বীৰত্বৰ উপলব্ধি কৰিব পাৰিচানে?
তুমিও পাৰিবা। কিয় নোৱাৰিবা
হজৰত মহম্মদে যে দিছিল জ্ঞানৰ বাণী
সেই জ্ঞান লোৱা।
তুমিও নিশ্চয় পাৰিবা সফল হ'ব
ভূপেন দাই যে গাইছিল-
মানুহে মানুহৰ বাবে ...............
সঁচাকে ভাবি চোৱা বন্ধু
অসৎ কৰ্মক পৰিত্যাগ কৰা
সত্যক আকোঁৱালি লোৱা
নহলে কোনে ভাবিব দেশ মাতৃৰ কথা
শেষত পুণৰ কৈছো—
জাগৃত হোৱা, জাগৃত হোৱা।

# তেওঁ মোৰ বিদিত্ত প্ৰেমৰ গান

শ্ৰীকৈলাশ ৰাজবংশী
স্নাতক দ্বিতীয় বৰ্ষ

মোৰ বিশাদ অনুভৱৰ কাজল ধোৱা
ভায়'লিনৰ বেকা মুৰ এটি হৈ তেওঁ লৰে কি চৰে
আঁৰলে নিৰলে মোৰ শোৱাৰ শেতেলীত
এপাহ বনৰীয়া বেলি ফুল
দোৱোল খাই লৰে।
মোৰ সপোন সুৱাসী বাসন্তী আকাশ
অথবা
বিশন্ন প্ৰেমৰ বন্দনাক বুজি উঠাকৈ
তেওঁৰ বুকুত শূন্যতাৰ অনুদিত হয়।
গৰখীয়া বাঁহীৰ উশাহ
এন্ধাৰৰ দেউলা ভাঙি বলে
বাসৰুৱা ৰদৰ বতাহ
তেওঁৰ ওঠত হাঁহি
দুচকুত টলমল্ চাৰনি
তেওঁৰ চুলিৰ জোনাকত মই
অনুশীলন কৰোঁ। প্ৰেমৰ .............
শব্দ শীলন মোৰ বিষাদ .........
তেওঁ হৈ পৰে ক্ৰমশঃ
এটি বিদিত্ত প্ৰেমৰ গান।
তেওঁৰ বনৰীয়া গানৰ আবেদনৰ
প্ৰতিনিয়ত উৰে।
মোৰ কলিজাৰ বুটা বচা তৰাৰ নিচিনা।



পাতিদৰং মহাবিদ্যালয় আলোচনী

## নীৰৱতা

মিছ আৰ্চিমা বেগম
স্নাতক দ্বিতীয় বৰ্ষ ঃ চতুৰ্থ ষান্মাষিক

অজানিতে এদিন তোমাৰ প্ৰেমত পৰিছিলো
তোমাক লৈ যে কিমান সপোন ৰচিছিলো
ভাবিছিলো তোমাক লৈ
পৃথিৱীত সংগ্ৰাম কৰিম।
কিন্তু,
এই দুৰ্ভগীয়াৰ সপোন, সপোনবোৰ সপোন হৈ ৰ'ল,
আশাবোৰ আশা হৈ ৰ'ল।
ভবা নাছিলো কেতিয়াও
বিফলতাবোৰে যে
বাট আগচি ধৰিব
তুমি জানো সহিব পাৰিছা।
বুকুত জ্বলা
ফিৰিঙতিৰ দহন অগনিবোৰ,
প্ৰতিটো পল অনুপলতে
তোমাৰ ভাৱনাই
জ্বলাই দিয়ে মোক
একুৰা যন্ত্ৰণাৰ জুই,
যি জুয়ে পোৰে
কিন্তু ছাই নকৰে।
তোমাৰ পৰা বিছাৰিছিলো
মাত্ৰ এধানি মৰম,
এমুঠি সহানুভূতিৰে ভৰা বুকুৰ মৰম।
হেৰাই গৈছিলো তোমাৰ মৰমত
নিজকে পাহৰি,
কিন্তু............!
মই জনা নাছিলো তোমাৰ যে হৃদয় আছিল
কাঁইটৰ দৰে ........ এখন বিষাক্ত নদী।
তোমাৰ স্মৃতিয়ে বাৰুকৈয়ে আমনি কৰে
নিজানত অকলশৰে মাথো গোপনে
চকুলো টোকো
নীৰৱতাৰ মাজত বিচাৰি পাওঁ
এখন শূন্য হৃদয়ৰ হাহাকাৰৰ বিননি।

## আশা

শ্ৰী বৰ্ণালী ডেকা
স্নাতক প্ৰথম বৰ্ষ

জোন, তোমাৰ হিৰণময়ী
কিৰণৰ সাতোৰঙীন ৰামধেনুৰ
সেন্দুৰী বাটৰ জীৱন
মিচিকীয়া হাঁহিৰে মোৰ ভগ্ন হৃদয়ত
তুমি নাজানো কোন?
নামটো শুনিছো মাথো 'জোন'
মই হলো এক উকা হৃদয়েৰে
ৰৈ থকা প্ৰেমৰ ভিক্ষাৰী।
সঁচাকৈয়ে কৈছো তোমাক জোন
পশ্চিমৰ পছোৱা বলিয়া বোকোচাত
তোমাৰ তন্ময় মিঠা হাঁহিৰ
শলকনি শুনো মাথো সান্তনা
"জোন"
লগ তোমাক পোৱাৰ আশাৰে
মোৰ জীৱনৰ লগৰী হোৱাৰ
কামনাৰে.............।




পাতিদৰং মহাবিদ্যালয় আলোচনী

## হৃদয়ৰ জুই

শ্ৰীকৌশিক ডেকা
স্নাতক ঃ তৃতীয় যান্মাষিক

বহুদিল হ'ল দেখা নাই তোমাক
তুমি ভালে আছানে?
তুমি কাষত নহলেও
তোমাৰ ছবিটি ছাৰ দৰে আছে।
হৃদয়ৰ সেই আসনত
তোমাৰ স্মৃতিবোৰ
কঢ়িয়াই লৈ ফুৰিছো।
তোমাৰ মাতটো যে
বহুদিন শুনা নাই
তোমাৰ সেই মিঠা
হাঁহিটোৱেই সপোনত
আমনি কৰে।
বাস্তৱত হাঁহিটো দেখা নাই,
বহুদিন ধৰি মোৰ মনটো
কেতিয়াবা তোমাৰ কাষলৈ
উৰা মাৰি যায়।
মোৰ হৃদয় বৰ অবুজ
একো বাধা মানিব নিবিচাৰে
মাথো বিচাৰে তোমাক।



## চিনাকী লেমটো

শ্ৰী জুৰি কলিতা
স্নাতক তৃতীয় বৰ্ষ

লেমটোৰ পোহৰৰ লগত মোৰ যে
চিনাকী বহু দিনৰ,
প্ৰথম শ্ৰেণীৰ পৰা আহি
স্নাতক তৃতীয় বৰ্ষ পালো
কিন্তু কিয় জানো কেতিয়াবা
মোৰ চিনাকীবোৰ
অচিনাকী হ'বলৈ ধৰে।
মই গম নোপোৱাকৈ
লেমটোৰ ক্ষীণ পোহৰখিনিৰ দৰে
মোৰ জীৱনটো যেন
ধিমিকি ধিমিকি জ্বলি আছে।
কিন্তু কেতিয়াবা উৰুঙা বতাহজাকে
কিয় জানো মোৰ জীৱনৰ
অপূৰ্ণ চাকিগজ নুমাব বিচাৰে
কিয় জানো লৈ যায় সেই অন্ধকাৰ দেশলৈ
য'ত মই মোৰ সেই
চিনাকী লেমটো দেখিবলৈ নাপাওঁ।

পাতিদৰং মহাবিদ্যালয় আলোচনী

# তুমি

**শ্ৰী চুমী বনিয়া**
স্নাতক দ্বিতীয় বৰ্ষ

তুমি এতিয়া যাব খুজিছা
মোৰ পৰা আঁতৰি,
ভবা নাছিলো, তুমি ইমান নিষ্ঠুৰ,
কব খুজিছিলো
গোপনে আহি,
কিন্তু কব নোৱাৰিলো,
তোমাৰ ধুনীয়া মুখখনিয়ে
এতিয়া কৰিছে মাথো আমনি,
বৰ্তমান কোনোৱে নাই
দিবানে তোমাৰ
হৃদয়ত অলপ ঠাই???

# প্ৰতিবাদ

**মঃ চালাম আলী**
স্নাতক ঃ পঞ্চম যান্মাষিক

অৱশেষত প্ৰতিবাদেই মোৰ শেষ সংগ্ৰাম
সঁচাকৈ যদি আমি সৰ্বশ্ৰেষ্ঠ জীৱ
দুৰ্নীতিৰ বিৰুদ্ধে জেহাদ ঘোষণা কৰিম,
দূৰ্নীতিক নিঃশেষ কৰিম,
মানৱতাৰ শাৰীত থিয় দিম
মানৱতাৰ পৰিচয় দি।
আমি প্ৰতিবাদ কৰিব লাগিব
আন্না হাজাৰে, কৃষক নেতা অখিলৰ দৰে
দিন ৰাতি একাকাৰ কৰি।
দূৰ্নীতিৰ বিৰুদ্ধে প্ৰতিবাদ কৰিম।
দূৰ্নীতিক নিঃশেষ কৰিম
প্ৰতিবাদী সভা সামৰিম।
যেতিয়ালৈ দূৰ্নীতি বন্ধ নহ'ব
আমাৰ প্ৰতিবাদ সভাৰো অন্ত নহ'ব
দূৰ্নীতিৰ বিৰুদ্ধে চলি থাকিব
অবিৰত গতিত সংগ্ৰাম।

# ঈশ্বৰ

**শ্ৰী নন্দিতা ডেকা (জোন)**
পঞ্চম যান্মাষিক

শ্যাম বৰণীয়া প্ৰভু ভগৱন্ত
মুখত মিচিকিয়া হাঁহি,
কি শক্তিৰেনো প্ৰভু ভগৱন্তই
পৃথিৱীখন আছে ধৰি।
কিযে মায়াৰ এই পৃথিৱীখন
মায়াৰে মেৰাই থৈছে,
এই পৃথিৱীৰ অভিনেতা অভিনেত্ৰীসকলক
অভিনয় শেষ নোহোৱালৈ ৰাখে।
প্ৰভু ভগৱন্তৰ কি যে মায়া
একোৰে তুলনা নাই,
যতে বিচাৰে ততে পাই তেওঁক
কোনো দিগদাৰী নাই।
অৰ্ধচকুৰে প্ৰভু ভগৱন্তই
পৃথিৱীখন চোৱাই কাম,
দুষ্টক দমন শান্তক পালন
এয়ে তেওঁৰ কাম।



# তুমি কেতিয়া আহিবা

**শ্ৰীৰঞ্জিতা বনিয়া**
স্নাতক দ্বিতীয় বৰ্ষ

তুমি কেতিয়া আহিবা
মোৰ মনৰ ফুলনিত
এপাহ গোলাপৰ পাহি হৈ,
তোমাৰ বাবে ৰচা সপোন
আধৰুৱা হ'ল
তুমি দিয়া প্ৰতিশ্ৰুতি
থানবান হ'ল,
তোমাৰ অবিহনে নোৱাৰো থাকিব
পাৰিবানে সেই মৰম
দুনাই মোক দিব।
তুমি যে কৈছিলা এদিন তোমাৰ ওচৰলৈ আহিম।
তোমাক নিজৰ কৰি নিম,
এই কথাষাৰি বুকুত থৈ
ওৰেটো জীৱন থাকিম
আবিয়ৈ ছোৱালী হৈ।




# গোলাপ

**চৈয়দ মনজিল আহমেদ**

গোলাপ নামে তুমি
কাইটৰ মাজতে ফুলা
কাৰ ফালে চাইনো তুমি
কোমল পাহি মেলা।
তোমাৰ পাহিৰ মধুৰ হাঁহিয়ে
হিয়া কঁপাই তোলা,
নৰ সুৰুযৰ হেঙুলী ৰহনে
তোমাক উতলাই তোলা।
ভোমোৰাবোৰে তোমাৰ পাহিত
মৌ বিচাৰি ফুৰে
পখিলাবোৰে পাহিত পৰিলে
সোণত সুৱগা চৰে।

পাতিদৰং মহাবিদ্যালয় আলোচনী



# সপোনৰ ঘৰ

**মিছ নাজমা বেগম**
স্নাতক প্ৰথম বৰ্ষ

মোৰ জীৱনটো আধৰুৱা,
মোৰ সপোনবোৰ নিথৰুৱা,
সপোনত সাজিছো কাৰেং ঘৰ
কিন্তু দিঠকত ভাঙিছো ঘৰটিক।
সপোনত হৈছো তোমাৰ,
কিন্তু দিঠকত হৈছো আনৰ,
মোৰ জীৱনৰ প্ৰতিটো
কথা আধৰুৱা
তেল থাকিলে চাকি জ্বলে
কিন্তু লক্ষ্য থাকিলে,
সপোন দিঠকত ফলে।

## সময়

মিছ্ মৰ্জিনা বেগম
স্নাতক দ্বিতীয় বৰ্ষ

সময়ক বিশ্বাস নকৰিবা
ই কেতিয়াবা নিষ্ঠুৰ
কেতিয়াবা সুখৰ আঁকৰ
কোনে জানে
সুখৰ প্ৰতিটো হাঁহি আৰু মূহুৰ্তই
কেতিয়া কাঢ়িয়াই আনে চকুপানী
সময়তে আছে সপোন
অথবা বুকু সিয়া শেল
সময়ক নঠগিবা
অথবা বিশ্বাস।

## মা

শ্ৰী মনিষা বৈশ্য
প্ৰথম যান্মাষিক

জোনাক নিশা আকাশলৈ চালেই
তোমালৈ মনত পৰে মা
তুমি যেন সৌ আকাশৰ
তৰাটি হৈ জিলিকি আছা।
মা, তোমাৰ কাষত যাবলৈ, তোমাক
চাবলৈ খুব মন যায় জানানে?
কিন্তু কেনেকৈ যাম
আকাশখন যে বহুত বিশাল
আৰু দূৰ!
মা, এবাৰ আহা আমাৰ ওচৰলৈ
দুচকুৰে নিগৰা চকুপানী মচি দিবলৈ।



## প্ৰেম

শ্ৰী জোনমণি কলিতা
স্নাতক দ্বিতীয় বৰ্ষ

তোমাক কিয় বাৰু ইমান ভাল পাও মই!
তোমাৰ চকুজুৰিয়ে, তোমাৰ হাঁহিটিয়ে
মোক সদায় আমনি কৰে,
বুজা-নুবুজাৰ অনুভূতিয়ে,
মোৰ মনটো উৰণীয়া কৰি তোলে।
কেতিয়াবা অবুজ বেদনাই
হৃদয়-মন কঁপাই তোলে জানা,
সেয়ে কেতিয়াবা ভাবো মাথো
এয়ে নেকি প্ৰেম?
যদি হয় তেনেহলে সঁচাকৈ জানানে,
মই তোমাৰ প্ৰেমত পৰিছো।।

# আবেগ

আচিমা বেগম
স্নাতক ঃ পঞ্চম যান্মাষিক

মই তোমাক লৈ
ভাবিছিলো লিখো বুলি এটি কবিতা;
কিন্তু উদাসীন মনত বিচাৰি
পোৱা নাই ভাষা।
হৃদয় উজাৰি ভাল পাইছিলো তোমাক
য'ত নাছিল কোনো কৃত্ৰিমতা,
আছিল মাথো............
দুখন হৃদয়ৰ সঁচা মৰম ভালপোৱা
আৰু বাস্তৱত পৰিণত কৰিবলৈ সজা বহু সপোন,
কোনো আগজাননী নোহোৱাকৈ অহা এজাক
ধুমুহাই উটুৱাই লৈ গ'ল
মোৰ সোনোৱালী সপোন।
ধুমুহা হয়তো এনেকুৱাই
বিচৰাজনৰ আশা উৰুৱাই নি
নোপোৱা জনক কিবা এটা দিয়া
নোপোৱাজনে হয়তো বুজি নাপায়
পায় হেৰুওৱাৰ দুখৰ বোজা।



# হৃদয়

ৰিংকু কুমাৰ সিংহ
স্নাতক তৃতীয়

কিমান গভীৰ বেদনাৰ বোজা
অতীতৰ কথাবোৰ সামৰি লোৱা
আধাতে নিঠৰুৱা হোৱা
মাথো সৃধ্বতাৰ
এক এৰিব নোৱাৰ স্নেহেৰে
শূন্যতাৰ বুকুত সাবতি ধৰা
মনৰ স্পৰ্শ এৰাই নচলা
দুয়োৰে মানচিত্ৰ খনি
ধৰিব নোৱাৰা দুখৰ বেদনাত
এটি শব্দহে মোৰ দুখৰো
আতৰ নোহোৱা চিন্তাবোৰ
আজি পবিত্ৰ মনৰ
হৃদয় মন ছুই যোৱা
প্ৰতিদিনে সজাই ৰখা
দুয়োৰো ভাল পোৱা
প্ৰতিদিন প্ৰতিপল
দুখন হিয়া এক মন।

# সময়ৰ আহ্বান

**শ্ৰীদুলাল চন্দ্ৰ শৰ্মা**
সহঃ অধ্যাপক, অসমীয়া বিভাগ

এটি অজগৰে আইক গিলিব ধৰিছে
অসহ্য বেদনাত চটফটাইছে
নিথৰ দেহ মুখমণ্ডলত
আইৰ চকুৰ চকুলো।
হঠাৎ এচাটি বতাহে কোবালে আইক
আৰু অজগৰক।
ক্লান্ত আইৰ নিথৰ দেহ,
প্ৰয়োজন মাথো বিশ্ৰামৰ।
অভাবনীয় বৃক্ষজোপা এতিয়া
অজগৰৰ ওপৰত।
একেই বেদনা আৰু চকুলো.........
ব্যৱধান মাথো সময়ৰ।
তেতিয়া আৰু এতিয়া।
এতিয়া আৰু তেতিয়া।।
আটাইৰে অপেক্ষা মাথো
আইৰ প্ৰশান্তি।।



# অতীতক নাযাবা পাহৰি

**মিঞ্জুমা বেগম**
স্নাতক দ্বিতীয় বৰ্ষ

মনত পৰেনে তোমাৰ
সেই অতীতৰ কথাবোৰ
এৰি থৈ অহা সেই
ল'ৰালিৰ দিনবোৰ
খেলিছিলো লুকা-ভাকু
কৰিছিলো ধেমালি,
হাঁহি-বেদনাৰে ভৰা
আৰু ক'ত যে কি?
মনত পৰিলে এতিয়াও
মোৰ আহে চকুপানী।
কেতিয়া আহিব আৰু
সেই তাহানিৰ দিনবোৰ
মৰিলেও ঘূৰাই নাপাও
পুনৰ আগৰ কথাবোৰ
আছিলো মোৰ মনত
বহুতো কল্পনা,
কম বুলি ক'ব নোৱাৰিলো
তোমাক আজি
আঁতৰি গুচি গ'লা
মোৰ মন শুধা কৰি।
এতিয়াও যদি ঘূৰি অহা
লম মই আকৌ আদৰি
সেয়েহে পুনৰ কৈছো
অতীতক নাযাবা পাহৰি।
অতীতক নাযাবা পাহৰি।।

পাতিদৰং মহাবিদ্যালয় আলোচনী

# ভগ্ন হিয়াৰ বিননি

**শ্ৰীমধুস্মিতা নাথ**
স্নাতক দ্বিতীয় বৰ্ষ

কাৰ-এই ভগ্ন হিয়াৰ বিননি,
কাৰ এই তেজে আবৰা শৰীৰ,
কোনেনো চাব, কোনেনো বুজিব
কাৰ দুখত কোনেনো কান্দিব
ক'ত পিতৃহাৰা,
ক'ত মাতৃহাৰা
সকলোৰে যেন হিয়াৰ বিননি.........।
হত্যা হিংসাৰে আৱৰা
এই পৃথিৱীত
এমুঠি অন্ন, অকনমান বস্ত্ৰৰ
বাবেই যেন এই কালিমা।
মই বিচাৰো এই পৃথিৱীত
জোনাক নিৰ্মল একাজলি শান্তি.....
শুনিব নিবিচাৰো
বন্দুক বাৰুদৰ শব্দ
কেৱল বিচাৰো........
চিৰ চেনেহী আইৰ বুকুত
এখন শান্তিৰ দলিচা।

# আৰ্ত্তনাদ

**মিছ লাইলা বেগম**
স্নাতক তৃতীয় বৰ্ষ

আই মাতৃৰ হাঁহাকাৰ
চৌপাশে কেৱল জ্বলিছে
ৰাজনৈতিক দাবানল
অসমী আইক ছিন্ন-ভিন্ন কৰাৰ
কুট কৌশল
মিছা অধিকাৰ লাভৰ অংক
শাসন যন্ত্ৰ নিষ্ফল
ধৃতৰাষ্ট্ৰৰ ভাওঁ দি
বীৰ বীৰাঙ্গনাৰ আন্দোলনৰ মূহুৰ্ত
যোগ-বিয়োগত ব্যস্ত
শাসনৰ বাঘজৰী-লাভৰ চেতনা
সকলো নিমাত,
স্তব্ধ মাটিৰ মানুহৰ জীৱন,
বন্ধ সংস্কৃতি আৰু
অসমী আইৰ দুৰ্গতি
আঁহা আমি আগুৱাই যাওঁ
আইৰ আৰ্ত্তনাদ নাশিবলৈ
মৰণ পনেৰে একগোট হৈ।।

## সেউজীয়া বননিৰ অসমী আই

প্ৰদীপ ডেকা
স্নাতক তৃতীয় বৰ্ষ

সেউজীয়া বননিৰ অসমী আই।
অতীতৰ অসম এতিয়া আৰু নাই।।
আছে মাথো অসমৰ কংকাল পৰি।
অসম প্ৰেমিক প্ৰায় গ'লগে মৰি।।
যিয়ো দুই এজন আছে বীৰ।
ওলাই আহিবলৈ খোজ কাঢ়ে ধীৰ।।
সোণালীও নহয় ৰূপালীও নহয়।
অতীতৰ অসম এতিয়া নহয়।।
অসমৰ অসমীয়া নোহোৱাই হ'ল।
কেউপিনে মাথো বিদেশী হ'ল।।
বৰদৈচিলা হৈ বিদেশী আহিল।
গোটেই অসমখন বেৰি ধৰিল।।
হঠাৎ আহি বিদেশী লোক।
অসমৰ অসমীয়া হ'ল
মামা, পেহী, খুড়া, আই বুলি
কণ্ঠত মলিন সুৰ সানি
আত্মীয় স্বজন হ'ল।
বিদেশীৰ মিঠা মাত শুনি শুনি
অসমৰ অসমীয়া গৈছে ভোল।
সুযোগ বুজি মাজে সময়ে সিহঁতে
অসমীয়াৰ পিঠিত মাৰে ঢোল। আকৌ
চোৰাচোন অসমীয়া দুৰ্ভগীয়া ভাই
চকু মেলি ভালকৈ চোৱা
পশ্চিম দেশীয়া বা বোৰ বলি।
অসমীয়াৰ গাত লাগিল ধূলি-বালি।।
অসমীয়া ভাষা-সংস্কৃতি ক'ত যে কি হ'ল।
পশ্চিম দেশীয়া বা লাগি উৰি গুচি গ'ল।

## চক্ৰবেহু

ৰূপজ্যোতি গোস্বামী
স্নাতক তৃতীয় বৰ্ষ

মাঘৰ তিনি-চাৰি দিন গ'ল কি নগ'ল
গাৱঁৰ নামঘৰত আখৰা চলিল বছৰেকীয়া ভাওনাৰ
আমাৰ মনবোৰ উথপথপ।
ভীম ভীম নকৰিবি ভীমৰ আগত..........
পিতাইৰ ধমক আৰু শীতে
সেওঁ মনাব নোৱাৰা আমাৰ মন।
গজেন দাইটিৰ ভীমৰ ভাও চোৱাৰ দুৰ্দান্ত হেপাহ
ব'হাগৰ ন-পানী বঢ়াদি বাঢ়ে।
পিচে এইবেলি অভিমন্যু বধৰ নাটহে মেলিলে
একেই থাকিল মনৰ উৎসাহ
আমাৰ মন আনন্দত ৰঙীয়াল
সন্ধিয়াতে নামঘৰৰ মজিয়াত খেৰ পাৰি
ঠাই দখলৰ প্ৰতিযোগিতা,
গলধন আয়ে গাঠি দিয়া চেলেঙ চাহৰ
হাতত ভজা বুট লৈ অপেক্ষা
কেতিয়া আৰম্ভ হ'ব ভাওঁনা।






পাতিদৰং মহাবিদ্যালয় আলোচনী

# পম্পিয়াৰ আগ্নেয়গিৰি

দীপজ্যোতি দাস
স্নাতক তৃতীয় বৰ্ষ

কবিতা কবিতা লগা
মনৰ ভাঁজত,
দেহৰ বিচ্ছেদিত
সুকোমল ছবি।
যৌৱনৰ ধুমুহাত উৰি অহা,
নাকত লাগে আহি
আউলি-বাউলি চুলিটাৰি।
প্ৰচ্ছায়া বিহীন কাগজৰ পাতত
অনুভূতিৰ খলকনি
বৈ যায় মলয়া,
দেহ মন উলাসিত কৰি
হৃদয়ৰ উত্তাপেৰে
জুখিব খোজা
লালায়িত দেহভংগী।
উষ্ণ শীতল পৰশেৰে
চুমা আঁকিব খোজে
পৰ্বত সদৃশ কঁপালত
প্ৰশান্তৰ নিৰিবিলি ছাঁ
জ্বলিছে পম্পিয়াৰ আগ্নেয়গিৰি।





কোনেওঁ হাৰ মানিব নিবিচাৰে



বানপানী আৰু অসম



বহাগ আহিল



চিৰযুগমীয়া তুমি....



প্ৰতিবাদী কণ্ঠৰোধৰ উত্তম উপায়





ডেংগুৰ পৰা সাৱধান

আলোকচিত্ৰ ঃ শ্ৰীদুলাল চন্দ্ৰ শৰ্মা



অসম আৰু অসমীয়াৰ হিয়াৰ আমঠু



মেজিৰ জুইৰ উমেৰে ..........



বিকশিত অসম ???



শৈশৱতে ধেমালীতে......




জীয়াই থকাৰ সপোন



শৈশৱ আৰু ধুমপান

আলোকচিত্ৰ ঃ শ্ৰীদুলাল চন্দ্ৰ শৰ্মা



নদী মাথো বয়......



বতাহে কোবোৱা সেই
ৰঙীন আবেলি



এটুকুৰা আলসুৰা
মেঘ ভাহি যায়...



জীৱন আৰু জীৱিকা



মাক আৰু মৰম




জাকৈয়া গাভৰুৰ জাক

আলোকচিত্ৰ ঃ শ্ৰীদুলাল চন্দ্ৰ শৰ্মা



নিষ্ঠুৰ মানৱ, গড় হত্যা বন্ধ কৰক।



প্ৰকৃতিৰ নিষ্ঠুৰ পৰিহাস



মই দেখিছো অনেক অট্টালিকা.....



যদি মানৱ কাহানিবা হয় দানক....



সন্তান যিমানেই নহওঁক
মাতৃৰ দৃষ্টিত সকলো সমান



গণতন্ত্ৰ আৰু বৰ্বৰতা


আলোকচিত্ৰ ঃ শ্ৰীদুলাল চন্দ্ৰ শৰ্মা




নৱাগত আদৰণি সভা
পাতিদৰং মহাবিদ্যালয় ছাত্ৰ একতা সভা


আদৰণি সভা






সভা
ছাত্ৰ একতা সভা


মহাবিদ্যালয়








প্ৰাচীৰ পত্ৰিকা
ন-জোন


পাতিদৰং মহাবিদ্যালয় ছাত্ৰ
দিনাংক- ২৩ আগষ্ট, ২০১৪

# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ পাতলিৰ অসমী আইৰ জাতীয় অস্তিত্ব ৰক্ষাৰ্থে প্ৰাণাহুতি দিয়া চিৰ নমস্য বীৰসকলৰ লগত যিসকল ব্যক্তিৰ অশেষ কষ্টৰ বিনিময়ত পাতিদৰং মহাবিদ্যালয়খনে প্ৰতিষ্ঠা লাভ কৰিলে সেইসকল মহান ব্যক্তিলৈ মোৰ শ্ৰদ্ধা যাচিলো।

ইং ২০১৩-১৪ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত সম্পাদক পদত মোক মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে নিৰ্বাচনত জাতীয়তাবাদী ভাৱধাৰাৰ সুহৃদ ছাত্ৰ-ছাত্ৰী তথা সহপাঠীয়ে মোক সাধাৰণ সম্পাদকৰ দৰে পদ এটাত নিৰ্বাচিত কৰি আমাৰ এই মহান অনুষ্ঠানখনিৰ সেৱা আগবঢ়োৱাৰ কাৰণে সুযোগ দিলে সেই সকল শ্ৰদ্ধাৰ দাদা, বাইদেউ, ভাইটি, ভণ্টি আৰু মোৰ মৰমৰ বন্ধু-বান্ধৱীলৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিলো।

ইং ২০১৪-১৪ বৰ্ষৰ ছাত্ৰ একতা সভাৰ দায়িত্ব গ্ৰহণ কৰাৰ পিছত আমি বিভিন্ন অসুবিধা সন্মুখীন হ'ব লগা হৈছিল। সাধাৰণ সম্পাদকৰ দৰে এক গুৰুত্বপূৰ্ণ ভাৰ গ্ৰহণ কৰি কিমানখিনি সফল হ'ব পাৰিছো, তাক মহাবিদ্যালয়ৰ শিক্ষাগুৰুসকল তথা সমূহ ছাত্ৰ-ছাত্ৰীয়ে বিচাৰ কৰিব। ভবামতে সফলতা লাভ কৰিব নোৱাৰা যেন লাগিলেও অধ্যক্ষ মহোদয়ৰ সহায় সহযোগিতা আৰু শিক্ষাগুৰু সকলৰ পৰামৰ্শৰ মাজেৰেই সুচাৰুৰূপে দায়িত্ব পালন কৰিছো।

সমাজ-সাস্কৃতিৰ আদৰ্শৰ মূল ভেটি শিক্ষা আৰু শিক্ষাই হ'ল সমাজৰ মূল খুটি। সেয়েহে আমি ছাত্ৰ-ছাত্ৰীয়ে ইয়াক জীয়াই ৰাখিবলৈ প্ৰতিশ্ৰুতিবদ্ধ হ'ব লাগে আৰু সকলোৰে মাজত জাতি, ধৰ্ম, বৰ্ণৰ ভেদ থাকিব নালাগে। এয়ে মোৰ অনুৰোধ মহাবিদ্যালয়ৰ সকলো ছাত্ৰ-ছাত্ৰী সকলৰ বাবে।

ইং ২০১৩-১৪ ছাত্ৰ একতাৰ শপত গ্ৰহণ কৰাৰ পিছত ৩ ফেব্ৰুৱাৰীৰ পৰা চাৰিদিনীয়া কাৰ্য-ক্ৰমণিকাৰে মহাবিদ্যালয়ৰ খেল প্ৰতিভা সপ্তাহ অনুস্থিত কৰা হয়। ছাত্ৰ-ছাত্ৰীসকলৰ বৌদ্ধিক, শাৰীৰিক আৰু সাংস্কৃতিক বিকাশৰ বাবে পতা মহাবিদ্যালয় সপ্তাহৰ বিভিন্ন প্ৰতিযোগিতাত ছাত্ৰ-ছাত্ৰীসকলৰ উপস্থিতি তেনেই কম। মোৰ এই বিনম্ৰ অনুৰোধ সকলো পাতিদৰং মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীলৈ এয়ে যে আগন্তুক মহাবিদ্যালয়ৰ সপ্তাহ অংশ গ্ৰহণ কৰে। লগতে বিভিন্ন উৎসৱ পালন কৰা হয়। যেনে— স্বাধীনতা দিবস, সৰস্বতী পূজা, মিলাদ-এ-মেহফিল, বাথৌ পূজা, শিক্ষক দিৱস আদি পালন কৰা হয় আৰু মহাবিদ্যালয়ৰ ২৫ তম প্ৰতিষ্ঠা দিৱস উদ্‌যাপন কৰা হয়।

২৩-৮-২০১৪ তাৰিখ শনিবাৰে নৱাগত ছাত্ৰ-ছাত্ৰীসকলৰ বাবে আনুষ্ঠানিক ভাৱে স্বাগতম জনাবলৈ উলহ-মালহেৰে নৱাগত আদৰণি সভাখন অনুষ্ঠিত কৰা হয়। উক্ত অনুষ্ঠানৰ লগত সংগতি ৰাখি সাংস্কৃতিক আনুষ্ঠানৰ আয়োজন কৰিছিলো। অনুষ্ঠানত বহু কেইগৰাকী শিল্পীয়ে গীত গাই ছাত্ৰ-ছাত্ৰীৰ মন আকৰ্ষিত কৰে।

পাতিদৰং মহাবিদ্যালয়খনে ২৪ বছৰ অতিক্ৰম কৰিলে যদিও অভাৱ অনাটনৰ যেন অন্ত পেলাব পৰা নাই। সেয়েহে ইয়াৰে গুৰুত্বপূৰ্ণ অভাৱ তলত উল্লেখ কৰিলো।

(ক) মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ কাৰ্যালয়ৰ কোঠাৰ অভাৱ

(খ) বিশুদ্ধ খোৱা পানীৰ অভাৱ

(গ) ছাত্ৰ-ছাত্ৰীৰ চাইকেল থোৱা ঠাইৰ অভাৱ

(ঘ) ছাত্ৰ-ছাত্ৰীৰ উভয়ৰে জিৰণী কোঠাৰ অভাৱ

(ঙ) ছাত্ৰ-ছাত্ৰীৰ উপযুক্ত শৌচাগাৰৰ অভাৱ

(চ) ছাত্ৰ-ছাত্ৰীৰ উপযুক্ত প্ৰস্ৰাৱগাৰৰ অভাৱ

(ছ) উন্নত মণ্ডল পুথিভঁৰালৰ অভাৱ।

ইমানবোৰ অভাৱ অভিযোগ হোৱাৰ পিছতো মহাবিদ্যালয়ৰ শিক্ষাৰ দিশটো যথেষ্ট উন্নত পৰ্যায়ৰ।

কৃতজ্ঞতা ঃ মোৰ কাৰ্যকালত বিভিন্ন দিশত মোক দিহা-

পৰামৰ্শ তথা সহায়-সহযোগ আগবঢ়োৱা অধ্যক্ষা মহোদয় আৰু শ্ৰদ্ধাৰ শিক্ষাগুৰু দৈব্যশক্তি ডেকা, মুকুতাৰ ৰহমান, তপন শৰ্মা, ধিৰাজ তালুকদাৰ, ইনামুল হক, বাহাৰুল ইছলাম, দীপক বড়ো, ৰচিদ আলী লগতে সমূহ চাৰ-বাইদেউ আৰু মহাবিদ্যালয়ৰ কাৰ্যত মোক বন্ধু-বান্ধৱীসকল মিলাল, বাহাৰুল, বাবজান, কৃষ্ণ, মুন, বুলবুল, আফতাব, কৌশিক, ছমছেৰ, আব্দুল্লাহ, আলী, ছাইদুল, নাৰ্জ আৰু সঞ্জয়, প্ৰকাশ, ৰণি, দেৰ্জি, হাছনা, মাতো, মিনটুআৰা, চেহনাছক মই ধন্যবাদ জ্ঞাপন কৰিছো।

শেষত পাতিদৰং মহাবিদ্যালয়ৰ উন্নতি আৰু সফলতাৰ কামনা কৰি মোৰ কাৰ্যকালত জ্ঞাত-অজ্ঞাত ভুল-ত্ৰুটিৰ বাবে সকলোৰে ওচৰত মাৰ্জনা বিচাৰি মোৰ সম্পাদকীয় প্ৰতিবেদনৰ সামৰণি মাৰিলো।

জয় আই অসম

জয়তু পাতিদৰং মহাবিদ্যালয়

জয়তু পাতিদৰং মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা

শ্ৰদ্ধাৰে—

মিনাৰুল হক (ৰুকু)

সাধাৰণ সম্পাদক

ছাত্ৰ একতা সভা, পাতিদৰং মহাবিদ্যালয়

ইং ২০১৩-১৪ বৰ্ষ।

# মহৎ লোকৰ বাণী

(১) এখন ভাল কিতাপ নষ্ট কৰা আৰু এজন ভাল মানুহক হত্যা কৰা একে কথা। — মিল্টন

(২) শিক্ষাই হ'ল জীৱনৰ ভেটি, ইয়াক সকতেই দৃঢ় কৰিব লাগে। — জন লক

(৩) মানুহৰ মনটোতকৈ ডাঙৰ বস্তু একোৱেই নাই। — ছাৰ উইলিয়াম হেমিলটন

(৪) জ্ঞানতকৈ পবিত্ৰ বস্তু এই জগতত একোৱেই নাই। — আনন্দ চন্দ্ৰ আগৰৱালা

(৫) যি ব্যক্তিৰ চৰিত্ৰ নাই তাৰ একোৱেই নাই। —নবীন চন্দ্ৰ বৰদলৈ

(৬) ভাষাৰ মাধ্যমৰ জীৱৰ প্ৰকাশেই সাহিত্য। —উপেন্দ্ৰ নাথ গোস্বামী

(৭) ধন উপাৰ্জনতকৈ জ্ঞান উপাৰ্জনহে বেছি শ্ৰেষ্ঠ। —বুদ্ধদেৱ

(৮) ঈশ্বৰ মন্দিৰত নাই, ঈশ্বৰ থাকে মানুহৰ অন্তৰত। —তুলসী দাস।

(৯) প্ৰেমৰ দ্বাৰাহে হিংসাক জয় কৰিব পাৰি। —বুদ্ধদেৱ

(১০) সকলো বিপদৰ ঔষধ হ'ল ধৈৰ্য্য। —হেম বৰুৱা

(১১) উন্নতিৰ জখলা চৰিত্ৰ। — সত্যনাথ বৰা

(১২) এটা বন্দুকৰ গুলিতকৈ এটোপাল চিয়াহীৰ মূল্য বেছি। — মাদাৰ টেৰেছা

(১৩) জীৱনৰ অৰ্থ লুকাই থাকে আশাৰ মাজত। —লক্ষ্মীনাথ বেজবৰুৱা

(১৪) মানুহে নিজৰ বাবে নহয় আনৰ বাবেহে জীয়াই থাকিব লাগে। — মামনি ৰয়চম গোস্বামী

# সমাজ সেৱা বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন



প্ৰতিবেদনৰ বুলনিতে যিসকলে গৰিয়সী আই অসমীৰ উন্নতিৰ হকে নিজৰ জীৱনকো তুচ্ছ জ্ঞান কৰি শ্বহীদৰ জয় মালাধাৰি পিন্ধিলে সেইসকললৈ মোৰ হৃদয় শোণিতেৰে ধোৱা পুষ্পাঞ্জলী অৰ্পিছো। লগতে সেইসকল ব্যক্তিলৈ মোৰ শ্ৰদ্ধা নিবেদিছো যিসকলৰ অক্লান্ত শ্ৰম আৰু ত্যাগৰ বিনিময়ত পাতিদৰং মহাবিদ্যালয় নামৰ এই মহান শিক্ষানুষ্ঠানটোৰ জন্ম হ'ল।

২০১৩-১৪ বৰ্ষৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত মোক বিনা প্ৰতিদ্বন্দিতাৰে পাতিদৰং মহাবিদ্যালয়ৰ লেখীয়া এখন মহাবিদ্যালয়ত সমাজ সেৱা বিভাগৰ সম্পাদিকাৰ দায়িত্ব বহন কৰাৰ সুবিধাকণ দিয়াৰ বাবে সকলো ছাত্ৰ-ছাত্ৰীৰ ওচৰত মই চিৰঋণী।

কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাচতে মহাবিদ্যালয়ৰ প্ৰতিভা সপ্তাহ আৰম্ভ হয়। এই প্ৰতিভা সপ্তাহৰ আগে আগে মহাবিদ্যালয়ৰ চৌহদ পৰিস্কাৰ কৰা হয়। মোৰ কাৰ্যকালত চাৰিটা মহাবিদ্যালয় চৌহদ চাফাই অভিযান চলোৱা হৈছিল। মোৰ কাৰ্যকালৰ তিতা-কেঁহা অভিজ্ঞতাৰ পৰা কওঁ যে পাতিদৰং মহাবিদ্যালয়ৰ বহু সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে হাতত দা, জাৰু তুলি লবলৈ লাজ কৰে। এই কথাষাৰি অপ্ৰিয় হ'লেও সত্য।

দায়িত্ব আৰু কৰ্তব্যৰ প্ৰতি মহাবিদ্যালয় চৌহদত যি কৰিছো সেয়া এক নগন্য অংশহে। ইয়াৰ মূল কাৰণ হ'ল মহাবিদ্যালয়ৰ আৰ্থিক অভাৱ।

নিৰ্দ্ধাৰিত সময় সীমাৰ ভিতৰত সীমাহীন অভাৱ পূৰণ কৰাটো কাৰো পক্ষেই সম্ভৱ নহয়। আশা কৰো উত্তৰসুৰী সকলে তাক পূৰণ কৰাৰ বাবে যত্ন কৰিব। প্ৰতিবেদনৰ সামৰণিত মোক দিহা-পৰামৰ্শ দি অনুপ্ৰেৰণা যোগোৱা মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু সকললৈ লগতে ছাত্ৰ সন্থাৰ সমূহ বিষয়-ববীয়াৰ ওচৰত কৃতজ্ঞতা অৰ্পন কৰিছো আৰু এই ক্ষেত্ৰত মোক বিভিন্ন দিশত সহায় কৰা মোৰ বন্ধু ৰুবুল আৰু যুগললৈ কৃতজ্ঞতা জ্ঞাপন কৰিছো।

সদৌ শেষত মোৰ কাৰ্যকালত সীমিত জ্ঞানেৰে কৰা বিভিন্ন কথাত অজানিতে কৰা ভুল-ভ্ৰান্তিৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰি মহাবিদ্যালয়ৰ সৰ্বাংগীন উজ্বল ভৱিষ্যত কামনা কৰি প্ৰতিবেদনৰ ইমানতে ইতিৰেখা টানিলো।

ঃঃ জয়তু পাতিদৰং মহাবিদ্যালয় ঃঃ

শ্ৰী জোনালী ডেকা
সম্পাদিকা, সমাজ সেৱা বিভাগ
ছাত্ৰ একতা সভা, পাতিদৰং মহাবিদ্যালয়
ইং ২০১৩-১৪ বৰ্ষ।

# ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ প্ৰাকমূহুৰ্ত্তত মই পাতিদৰং মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱী সহকৰ্মী আৰু লগতে শিক্ষাগুৰু সকললৈ ভক্তি ভৰা সেৱাৰ শৰাই যাছিলো।

যিসকল মহান ব্যক্তিৰ ঐকান্তিক প্ৰচেষ্টাৰ ফলত পাতিদৰং মহাবিদ্যালয় খনৰ জন্ম হ'ল, সেইসকল মহান ব্যক্তিলৈ মই শ্ৰদ্ধা জ্ঞাপন যাচিলো।

২০১৩-১৪ বৰ্ষৰ পাতিদৰং মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত ছাত্ৰ জিৰণি কোঠাৰ সম্পাদক পদত বিনা প্ৰতিদ্বন্দিতাৰে নিৰ্বাচিত কৰি মহাবিদ্যালয়ৰ সেৱা আগবঢ়োৱাৰ এই মহান সুযোগকণ দিয়াৰ বাবে সমূহ ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীক মোৰ ফালৰ পৰা অশেষ ধন্যবাদ জ্ঞাপন কৰিছো।

সদৌ শেষত মোৰ কাৰ্য-কালত বিভিন্ন দিশত সহায় তথা দিহা পৰামৰ্শ আগবঢ়োৱা শিক্ষাগুৰু সকলৰ লগতে বন্ধু-বান্ধৱী সকল ক্ৰমে মিনাৰোল, চমচেৰ, জোনালী, নৱ, প্ৰকাশ, দিব্যজোতি এই সকললৈ মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলো। লগতে পাতিদৰং মহাবিদ্যালয়ৰ উজ্বল ভৱিষ্যৎ কামনা কৰি মোৰ কাৰ্যকালত অনিচ্ছাকৃত ভূলৰ বাবে সময় বিচাৰি মোৰ প্ৰতিবেনৰ সামৰণি মাৰিলো।

'জয়তু পাতিদৰং মহাবিদ্যালয়।'

জয় আই অসম।

শ্ৰীকৈলাশ ৰাজবংশী
সম্পাদক, ছাত্ৰ জিৰণি কোঠা
ছাত্ৰ একতা সভা
পাতিদৰং মহাবিদ্যালয়
ইং ২০১৩-১৪ চন

# কুইজ

মিছ জিলীমা বেগম
স্নাতক প্ৰথম বৰ্ষ

(১) অসমৰ বৰ্তমান আয়তন কিমান?

উত্তৰ ঃ প্ৰায় ৭৮,৫২৩ বৰ্গ কিঃ মিঃ।

(২) অসমৰ শিক্ষিত লোকৰ হাৰ কিমান?

উত্তৰ ঃ শতকৰা ২৯ জন

(৩) অসমত পোন প্ৰথমে পতা কলেজখনৰ নাম কি? ইয়াৰ অধ্যক্ষজন কোন আছিল?

উত্তৰ ঃ ১৯০১ খৃষ্টাব্দত কটন কলেজ আৰু অধ্যক্ষজনৰ নাম মিঃ চুডমাৰ্ছন।

(৪) এমালগাম (Amalgam) কাক বোলে?

উত্তৰ ঃ পাৰাৰ সৈতে কৰা অইন ধাতুৰ মিশ্ৰণক।

(৫) গণিত শাস্ত্ৰত গ্ৰাফ প্ৰণালীৰ আৱিস্কাৰক কোন?

উত্তৰ ঃ ১৭০০ শতিকাৰ ফৰাচী গণিতজ্ঞ ৰীণে ডিচ্ কাৰ্টেচ।

(৬) হিৰোইন (Heroin) কি?

উত্তৰ ঃ মাৰ্ফিনৰ পৰা প্ৰস্তুত কৰা এবিধ নিচা জাতীয় পদাৰ্থ।

# সাংস্কৃতিক সম্পাদকৰ প্ৰতিবেদন



জয় জয়তে দেশৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত নিজৰ জীৱন আহুতি দিয়া বীৰ শ্বহীদ সকললৈ মই শ্ৰদ্ধাঞ্জলী নিবেদিছো। প্ৰতিবেদনৰ আৰম্ভনীতে পাতিদৰং মহাবিদ্যালয়ৰ ছাৰ-বাইদেউসকল তথা ছাত্ৰ-ছাত্ৰী সকললৈ মোৰ হিয়াভৰা শুভেচ্ছা জ্ঞাপন কৰি সাংস্কৃতিক বিভাগৰ সম্পাদকীয় প্ৰতিবেদনৰ পাতনি মেলিলো।

এই মহান অনুষ্ঠানটিৰ জন্ম হৈছিল ১৯৮৯ চনৰ ৩১ আগষ্টত। এই মহান অনুষ্ঠানটিৰ হকে মোক যি সকল দাদা, বাইদেউ, বন্ধু-বান্ধৱীয়ে সেৱা আগবঢ়োৱাৰ সুবিধাকণ দিলে সকলোলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

ইং ২০১৩-১৪ বৰ্ষৰ মহাবিদ্যালয়ৰ সাধাৰণ নিৰ্বাচনত সাংস্কৃতিক সম্পাদক পদত জয়ী হৈ গুৰু দায়িত্ব মুৰ পাতি লওঁ। দায়িত্ব লৈ মই মোৰ সাংস্কৃতিক বিভাগত থকা কাৰ্যসূচী সমূহ চলাই নিওঁ। সাস্কৃতিক দিশটোৱে সকলোৰে বৌদ্ধিক বিকাশত সহায় কৰে। মানসিক সৌন্দৰ্য্য প্ৰতিভা উৎকৰ্ষই সংস্কৃতিৰ উৎস।

ইং ২০১৩-১৪ বৰ্ষৰ মহাবিদ্যালয়ৰ সাধাৰণ নিৰ্বাচনত সাস্কৃতিক প্ৰতিযেগিতা আৰম্ভ হয়। যি সকলে সাংস্কৃতিক প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি নিজৰ প্ৰতিভা বিকাশ কৰিলে সেই সকল ছাত্ৰ-ছাত্ৰীক মই ধন্যবাদ জ্ঞাপন কৰিছো। এই সাংস্কৃতিক প্ৰতিযোগিতা মহাবিদ্যালয়ত প্ৰথমবাৰৰ বাবে অনুষ্ঠিত কৰাত বিশেষভাৱে সহায়ৰ হাত আগবঢ়াইছে শ্ৰীযুত গিৰিধৰ শৰ্মাদেৱে লগতে অসমীয়া বিভাগৰ সহঃ অধ্যাপক শ্ৰীযুত তপন শৰ্মাদেৱে আৰু মোৰ দাদা-বাইদেউ আৰু মৰমৰ বন্ধু-বান্ধৱীসকলে। এই সহায়ৰ হাত আগবঢ়োৱা সকলক শ্ৰদ্ধাৰে সুঁৱৰিছো।

সদৌ শেষত মোৰ কাৰ্যকালত অনিচ্ছাকৃতভাৱে হোৱা ভূল সমূহৰ বাবে সমূহ পাতিদৰং মহাবিদ্যালয়ৰ বন্ধু-বান্ধৱী, দাদা-বাইদেউ তথা ছাৰ-বাইদেউৰ ওচৰত ক্ষমা বিচাৰি আমাৰ পাতিদৰং মহাবিদ্যালয়ৰ সকলো দিশত উন্নতি কামনা কৰি মোৰ চমু প্ৰতিবেদন ইমানতে সামৰণি মাৰিলো। ইতি— "জয়তু পাতিদৰং মহাবিদ্যালয়"

শ্ৰদ্ধাৰে—
শ্ৰীদীপজ্যোতি দাস
সাংস্কৃতিক সম্পাদক, ছাত্ৰ একতা সভা
পাতিদৰং মহাবিদ্যালয়
ইং ২০১৩-১৪ বৰ্ষ।

# ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকল

১। সাধাৰণ সম্পাদক ঃ মহঃ মিনাৰুল হক

২। সহঃ সাধাৰণ সম্পাদক ঃ মহঃ ৰাহুল আমিন চৌধুৰী

৩। আলোচনী বিভাগৰ সম্পাদক ঃ মহঃ চমছেৰুদ্দিন আহমেদ

৪। সাংস্কৃতিক সম্পাদক ঃ শ্ৰীদ্বীপজ্যোতি দাস

৫। সমাজ সেৱা বিভাগ ঃ শ্ৰীজোনালী ডেকা

৬। ছাত্ৰ জিৰণি কোঠা ঃ শ্ৰীকৈলাশ ৰাজবংশী

৭। গুৰুখেল বিভাগৰ সম্পাদক ঃ শ্ৰী উজ্জ্বল ডেকা

৮। লঘু খেল বিভাগৰ সম্পাদক ঃ শ্ৰীনৰজ্যোতি ডেকা



## কুইজ

১। পৃথিৱীৰ কোন দেশত অধিক সন্তান জন্ম দিলে পুৰস্কাৰ দিয়ে?
উঃ ৰুচ দেশত।

২। পৃথিৱীৰ আটাইতকৈ দ্ৰুতবেগী চৰাই কি?
উঃ ছুইফট।

৩। পৃথিৱীৰ আটাইতকৈ ওখ তৃণজাতীয় উদ্ভিদ কি?
উঃ বাঁহ।

৪। উটে একে উশাহত কিমান লিটাৰ পানী খাব পাৰে?
উঃ ৬০ লিটাৰ

৫। ইউৰোপৰ কোনখন দেশত মুদ্ৰা নাই?
উঃ আলবেনিয়াত।

৬। মিছা কথা ধৰা পেলোৱা যন্ত্ৰটোৰ নাম কি?
উঃ পলিগ্ৰাফ।

# পাতিদৰং মহাবিদ্যালয়ৰ প্ৰাক্তন আলোচনী সম্পাদকসকল

১। শ্ৰীলংকেশ্বৰ ডেকা — ১৯৮৯-১৯৯০ বৰ্ষ।

২। শ্ৰী সবিতা দাস — ১৯৯০-১৯৯১ বৰ্ষ।

৩। শ্ৰীতৰ্জন দাস — ১৯৯১-১৯৯২ বৰ্ষ।

৪। শ্ৰীবনমালী দাস — ১৯৯২-১৯৯৩ বৰ্ষ।

৫। শ্ৰীসত্যেন্দ্ৰ কলিতা — ১৯৯৩-১৯৯৪ বৰ্ষ।

৬। [illegible] — ১৯৯৪-১৯৯৫ বৰ্ষ।

৭। প্ৰকাশ নহ'ল

৮। শ্ৰীভৈৰৱ ডেকা — ১৯৯৬-১৯৯৭ বৰ্ষ।

৯। শ্ৰীকমল নাৰায়ণ বৈশ্য — ১৯৯৭-১৯৯৮ বৰ্ষ।

১০। মহঃ মোজামিল বৈশ্য — ১৯৯৮-১৯৯৯ বৰ্ষ।

১১। শ্ৰীতপন চন্দ্ৰ ডেকা — ১৯৯৯-২000 বৰ্ষ।

১২। শ্ৰীনৰজিৎ ডেকা — ২০০০-২০০১ বৰ্ষ।

১৩। মহঃ নজৰুল ইছলাম — ২০০১-২০০২ বৰ্ষ।

১৪। শ্ৰীৰমণী শৰ্মা — ২০০২-২০০৩ বৰ্ষ।

১৫। মহঃ মোস্তাকিন হক — ২০০৩-২০০৪ বৰ্ষ।

১৬। শ্ৰীমিণ্টু কুমাৰ বেজবৰুৱা — ২০০৪-২০০৫ বৰ্ষ।

১৭। শ্ৰীহেৰম্ব শৰ্মা — ২০০৫-২০০৬ বৰ্ষ।

১৮। শ্ৰীৰাকেশ কুমাৰ ডেকা — ২০০৬-২০০৭ বৰ্ষ।

১৯। শ্ৰীঅম্বিকা প্ৰসাদ বড়ো — ২০০৭-২০০৮ বৰ্ষ।

২০। শ্ৰীভদ্ৰেশ্বৰ দাস — ২০০৮-২০০৯ বৰ্ষ।

২১। মহঃ চহিদুল ইছলাম — ২০০৯-২০১০ বৰ্ষ।

২২। শ্ৰীমানৰ ডেকা (মানস) — ২০১০-২০১১ বৰ্ষ।

২৩। শ্ৰী দিপ্তী ডেকা — ২০১১-২০১২ বৰ্ষ।

২৪। শ্ৰীসোনাতন ডেকা — ২০১২-২০১৩ বৰ্ষ।

২৫। মহঃ চমচেৰুদ্দিন আহমেদ — ২০১৩-২০১৪ বৰ্ষ।

# জানি থোৱা ভাল

পঞ্চপাণ্ডৱ— যুধিষ্ঠিৰ, ভীম, অৰ্জুন, নকুল, সহদেৱ।
পঞ্চযজ্ঞ— ব্ৰহ্মাযজ্ঞ, পিতৃযজ্ঞ, দেৱযজ্ঞ, ভূতযজ্ঞ, নৃযজ্ঞ।
পঞ্চইন্দ্ৰিয়— চকু, নাক, কাণ, জিভা, ছাল।
পঞ্চভূত— পৃথিৱী, আকাশ, জুই, বায়ু, পানী।
পঞ্চৰত্ন— সোণ, ৰূপ, হীৰা, পোৱাল, পদ্মৰাগ।
পঞ্চশস্য— ধান, মুগ, মাটিমাহ, যৱ, তিল।
পঞ্চমৃত— দৈ, এৱা-গাখীৰ, চেনি, ঘিউ, মৌ।
পঞ্চনদ— শতদ্ৰু, বিপাশা, ইৰাৱতী, চন্দ্ৰভাগা, বিতস্তা।
পঞ্চতত্ব— পৃথিৱী, পানী, জুই, বায়ু আৰু আকাশৰ সমষ্টি।
পঞ্চকোষ— অনুময়, প্ৰাণময়, মনোময়, জ্ঞানময়, আনন্দময় কোষ।
পঞ্চপল্লৱ— আম, আহত, ডিমৰু, বৰ আৰু পলাশ গছৰ আগ।

# কেইখনমান দেশৰ স্বাধীনতাৰ সময়

ভাৰতবৰ্ষ — ১৯৪৭ চনৰ ১৫ আগষ্ট।
পাকিস্থান — ১৯৪৭ চনৰ ১৪ আগষ্ট।
শ্ৰীলংকা — ১৯৪৮ চনৰ ৪ ফেব্ৰুৱাৰী।
চীনদেশ — ১৯১১ চনৰ ১১ অক্টোবৰ।
আমেৰিকা — ১৯৭৬ চনৰ ৪ জুলাই।

# মহৎলোকৰ বাণী

(১) এজন ভাল মানুহক হত্যা কৰা আৰু এখন ভাল কিতাপ নষ্ট কৰা একেই কথা।
—মিল্টন
(২) ঈশ্বৰ মন্দিৰত নাই, ঈশ্বৰ থাকে মানুহৰ অন্তৰত।
—তুলসী দাস
(৩) প্ৰেমৰ দ্বাৰাহে হিংসাক জয় কৰিব পাৰি।
—বুদ্ধদেৱ
(৪) উন্নতিৰ জখলা চৰিত্ৰ।
—সত্যনাথ বৰা



মহাবিদ্যালয়ৰ শিক্ষক - কৰ্মচাৰী বৃন্দৰ একাংশ



মহাবিদ্যালয়ৰ সহায়ক বৃন্দ

